# ASSAM LEGISLATIVE ASSEMBLY DEBATES

सत्यमेव जयते

## OFFICIAL REPORT

EIGHTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE TENTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

BUDGET SESSION

## No. 10

**The 6th April, 1999**

Price Rs. 36.00

# ASSAM
# LEGISLATIVE ASSEMBLY
# DEBATES

सत्यमेव जयते

## OFFICIAL REPORT

**EIGHTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE TENTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA**

**BUDGET SESSION**

## No. 10

**The 6th April, 1999**

Price Rs. 36.00

# CONTENTS

## BUDGET SESSION

## No. 10

**Dated, the 6th April, 1999**


| | | page |
|---|---|---|
| 1. | Questions and Answers | 1 |
| 2. | Zero Hour Matter | 51 |
| 3. | Announcement From the Chair | 65 |
| 4. | Report of the Business Advisory Committee | 66 |
| 5. | Call Attention Notice | 68 |
| 6. | Matter under Rule 301 | 71 |
| 7. | Discussion on the Pending Resolution | 73 |
| 8. | Adjournment | 107 |
| 9. | Annexure - I to IX | 108 |

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY
## Tuesday, the 6th April, 1999

The House met at 4 P.M. of the Clock in the Assembly Chamber at Dispur with Mr. Ganesh Kutum, Speaker in the Chair.

## Starred
## Questions And Answers
(To which oral answers were given.)

Mr. Speaker : Now Starred Question No. 141.

**বিষয় ঃ স্কুল চৰকাৰীকৰণ।**

**শ্ৰী আবু বক্কৰ ছিদ্দিক জোতদাৰে সুধিছে ঃ**

*১৪১। মাননীয় প্ৰাথমিক আৰু মাধ্যমিক শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত বৰ্ত্তমান কিমানটা বে-চৰকাৰী প্ৰাথমিক, মধ্য ইংৰাজী আৰু উচ্চ মাধ্যমিক বিদ্যালয় আছে, জিলা ভিত্তিত তালিকা সহ জনাবনে?

(খ) সেই বিদ্যালয়বোৰৰ চৰকাৰীকৰণ কৰাৰ বাবে কিবা পৰিকল্পনা চৰকাৰে হাতত লৈছেনে?

(গ) যদি লৈছে, কি ভিত্তিত আৰু কেতিয়া সেইবোৰ চৰকাৰীকৰণ কৰা হ'ব, জনাবনে?

**শ্ৰী থানেশ্বৰ বড়ো (মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) বে-চৰকাৰী প্ৰাথমিক বিদ্যালয়ৰ সংখ্যা ৮৩৫ খন, মধ্য ইংৰাজী বিদ্যালয়ৰ সংখ্যা ১৫৬৩ খন আৰু বে-চৰকাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ সংখ্যা ৩২৫৫ খন (১/১/৯৮ লৈ)। এই স্কুল সমূহৰ জিলা ভিত্তিত তালিকা প্ৰাথমিক আৰু মাধ্যমিক শিক্ষা সঞ্চালকৰ পৰা পালেই সদনক অৱগত কৰা হ'ব।

(খ) এই বিষয়ে চৰকাৰে বিবেচনা কৰি আছে।

## Questions And Answers

(গ) নিৰ্দ্দিষ্ট আঁচনি আৰু সময় নিৰ্দ্ধাৰণ কৰা হোৱা নাই।

আজি ইংৰাজী ৬/৪/৯৯ তাৰিখ ৪ বজাৰ পৰা মাননীয় অধ্যক্ষ শ্ৰীগণেশ কুটুম ডাঙৰীয়াৰ সভাপতিত্বত অসম বিধান সভাৰ অধিবেশন আৰম্ভ হয়।

* **শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি যি সময়ত ৰাজ্যখনৰ জনসাধাৰণে পানীটোপাও খাবলৈ পোৱা নাই চাৰিওফালে বিজুলী সৰবৰাহ বন্ধ হৈ আছে তেনে অৱস্থাত আমি বিধান সভাত আলোচনা কৰি থকাটো কেনে হৈছে বাৰু, মানুহে ৪০০ টকাত পানী কিনিব লগা হৈছে (সদনত হুলস্থুল) আজি এনে এটা অৱস্থা হৈছে আমি ৰাইজৰ আগত বিধায়ক বুলি কবলৈ লাজ পাইছো। গতিকেই পানী আৰু লাইটৰ ওপৰত এই সদনত আধা ঘন্টা সময় আলোচনা হব লাগে। চৰকাৰ থকা নথকা সমান হৈছে, আমি ইয়াত আলোচনা কৰি বহি থকাৰ কিবা প্ৰয়োজন হৈছে জানো যি সময়ত ৰাইজে এটুপী পানীৰ কাৰণে হাহাকাৰ কৰিব লগা হৈছে। সেয়ে আধা ঘন্টা সময় ইয়াৰ ওপৰত আলোচনা হব লাগে।

**মাননীয় অধ্যক্ষ ঃ** কুৱেশ্যন আৱাৰৰ পিচত চাম।

* **শ্ৰী আবু বক্কৰ ছিদ্দিক জোতদাৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ 'ক' প্ৰশ্নৰ উত্তৰত মাননীয় মন্ত্ৰী ডাঙৰীয়াই কৈছে যে ১/১/৯৮ চনলৈ বেচৰকাৰী প্ৰাথমিক বিদ্যালয়ৰ সংখ্যা ৮৩৫৭ খন, মধ্য ইংৰাজী বিদ্যালয়ৰ সংখ্যা ১৫৬৩ খন আৰু বেচৰকাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ সংখ্যা ৩২৫৫ খন, এতিয়া মই জানিব বিচাৰিছো এই গোটেইখিনি স্কুল চৰকাৰৰ অনুমতি আৰু স্বীকৃতিপ্ৰাপ্ত হয়নে নহয়? লগতে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো প্ৰাথমিক আৰু মধ্য ইংৰাজী বিদ্যালয় বিলাকৰ তালিকাখন কিয় পোৱা নাই?

* **শ্ৰী থানেশ্বৰ বড়ো (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, এই যে ৮৩৫৭ খন বিদ্যালয়ৰ কথা কোৱা হৈছে তাৰ বেছিভাগেই ভেনচাৰ স্কুল আৰু তাৰে কিছু সংখ্যক স্কুলে ৰিকোগনিশ্যন পাইছে আৰু পাৰমিশ্যন পাইছে, স্কুলবিলাক ৩টা ষ্টেইজত আছে। হাইস্কুলৰ ক্ষেত্ৰতো তেনে ধৰণে, হাইস্কুলৰ বেলিকা তালিকা জিলা ভিত্তিত দিয়া হৈছে।

* **শ্ৰী আবু বক্কৰ ছিদ্দিক জোতদাৰ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়াই কৈছে যে হাইস্কুলৰ ক্ষেত্ৰত তালিকা দিয়া হৈছে আৰু বাকীখিনিৰ দিব পৰা হোৱা নাই। অথচ আমাৰ ফালৰ পৰা আমি যথা সময়তেই অৰ্থাৎ আগতিয়াকৈ আমি স্কুল বিলাকৰ নাম দিছো কিন্তু চৰকাৰৰ ফালৰ পৰা কিয় ঠিক সময়ত আজিয়ো

---

* Speech not corrected

তালিকাখন দিব পৰা নাই। লগতে যিখিনি স্কুলৰ এতিয়ালৈকে অনুমতি আৰু স্বীকৃতি পোৱা নাই সেইখিনিৰ অতি সোনকালে অনুমতি আৰু স্বীকৃতি দিয়াৰ ব্যৱস্থা কৰিবনে?

*** শ্ৰী থানেশ্বৰ বড়ো (মন্ত্ৰী)** ঃ প্ৰাথমিক স্কুল আৰু মজলীয়া স্কুলবিলাকৰ তথ্য-পাতি সম্পূৰ্ণ হোৱা নাই আৰু সেইকাৰণে দিব পৰা নাই হাইস্কুলবিলাকৰ পৰ্য্যায়ক্ৰমে দিয়া হৈছে। এইবাৰ যিবিলাক ভেনচাৰ স্কুল, এল.পি. স্কুল আৰু মাদ্ৰাছা আছে যিবিলাকৰ স্বীকৃতি পোৱা নাই সেইবিলাক প্ৰাদেশিকৰণ কৰাৰ কাৰণে পৰ্য্যায়ক্ৰমে বিবেচনা কৰি থকা হৈছে।

*** শ্ৰী আবু বক্কৰ ছিদ্দিক জোতদাৰ** ঃ অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ৰ প্ৰশ্নোত্তৰত আমি সময় আৰু নিৰ্দ্দিষ্ট আঁচনি আৰু সময় নিৰ্দ্ধাৰণ কৰা হোৱা নাই বুলি জনাইছে। শিক্ষা বিভাগৰ সম্পৰ্কত যথেষ্ট আলোচনা ইতিমধ্যে হৈ গৈছে গতিকে এই বিভাগটোৰ সম্পৰ্কত আৰু বহলাই কব ইচ্ছা নাই, যিহেতু আঁচনি আৰু সময় নিৰ্দ্ধাৰণ কৰিব পৰা নাই তেনেস্থলত মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো এইটো চৰকাৰৰ ব্যৰ্থতা নহয়নে?

**শ্ৰী থানেশ্বৰ বড়ো (মন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয় এই যে ভেনচাৰ স্কুলবিলাক লোৱাৰ ক্ষেত্ৰত চিনিয়ৰিটি বেছিত লোৱা হয়। প্ৰাথমিক স্কুল বিলাক লোৱাৰ ক্ষেত্ৰত জ্যেষ্ঠতাৰ ওপৰত ভিত্তি কৰি লোৱা হয়। মজলীয়া আৰু হাইস্কুল বিলাকৰ ক্ষেত্ৰত স্বীকৃতি পোৱা নোপোৱাৰ কথাটো নিৰ্ভৰ কৰে। ১৯৯২/৯৩ এই দুটা বছৰত স্বীকৃতি পোৱা হাইস্কুল বিলাকক প্ৰাদেশিকৰণ কৰাৰ কাৰণে পৰীক্ষা-নিৰীক্ষা কৰি থকা হৈছে। ১৯৯০/৯১ চনৰ যিবিলাক স্বীকৃতিপ্ৰাপ্ত এম.ই. স্কুল আছে তাৰ সংখ্যা ৭০০ৰ ওপৰত হব। এইবিলাকৰো পৰীক্ষা-নিৰীক্ষা চলি আছে। প্ৰাথমিক স্কুল প্ৰায় ১২০০/১৩০০ খনমানৰ বাহিৰে বিবেচনাধীন হৈ আছে। এইবিলাক ৰাজনৈতিক ভাৱনাৰ ওপৰত নিৰ্ভৰ কৰিব; চান্স আৰু সময়ৰ কথা যিহেতু ৫ বছৰ সময় আছিল, এই সময় ছোৱাৰ ভিতৰত সিদ্ধান্ত লোৱা হব।

**শ্ৰী চিলভিউছ কন্দপান** ঃ শিক্ষা মন্ত্ৰীয়ে উত্তৰত কৈছে যে সময় আৰু সুবিধা অনুযায়ী স্কুল বিলাক লোৱা হব তেনেস্থলত যিবিলাক স্কুল বি.এ.চি. এৰিয়াত পৰিছে সেইবিলাকৰ ক্ষেত্ৰত জেনেৰেল এৰিয়াৰ লগত একেই হব নে বেলেগ হব?

**শ্ৰী থানেশ্বৰ বড়ো (মন্ত্ৰী)** ঃ ভেনচাৰ স্কুলবিলাক লোৱাৰ ক্ষেত্ৰত বহু কথা আছে, অকল বি.এ.চি. এৰিয়া বুলিয়েই নহয় এচ.চি.এচ. টি বোৰ্ডৰ এৰিয়া আৰু টি

* Speech not corrected

গাৰ্ডেন এক্স-টি গাৰ্ডেন আৰু বেকওৱাৰ্ড এৰিয়া, এইবিলাকৰ বহু কথা আছে। জেনেৰেল এৰিয়াৰ লগত যিটো ক্ৰাইটেৰিয়া সেইটো বেকওৱাৰ্ড এৰিয়া বিলাকৰ ক্ষেত্ৰত তাৰতম্য হব পাৰে। এই ক্ষেত্ৰত প্ৰচলিত নিয়মানুযায়ী চেপাৰেট ব্যৱস্থা কৰা হব। বি.এ.চিৰ এৰিয়াৰ ক্ষেত্ৰতো সুকীয়া ব্যৱস্থা হব, বি.এ.চি. এৰিয়া ডিপ্ৰাইভ নহয়।

**Mr. Speaker : Now Starred Question No. 142.**

## বিষয় ঃ Deficit Collegeৰ সংখ্যা।

**শ্ৰী চন্দ্ৰকান্ত টেৰাং আৰু**
**শ্ৰী হলিৰাম টেৰাঙে সুধিছে ঃ**

* ১৪২। মাননীয় উচ্চ শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম চৰকাৰে যোৱা ১৯৯৬ চনৰ পৰা অসমৰ জিলা ভিত্তিত কিমান "Deficit College" হিচাপে অন্তৰ্ভুক্ত কৰিছে?

(খ) কাৰবি আংলং স্বায়ত্ব শাসিত পৰিষদ আৰু উত্তৰ কাছাৰ স্বায়ত্ব শাসিত পৰিষদলৈ চলিত বিত্তীয় বছৰৰ বাবে নতুনকৈ "Deficit College" হিচাবে অন্তৰ্ভূক্ত কৰিবলৈ কিমান টকা আৱন্টন দিয়া হৈছে?

**শ্ৰী থানেশ্বৰ বড়ো (উচ্চ শিক্ষা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ১৯৯৬ চনৰ পৰা ৩০ খন কলেজ ঘাটী মঞ্জুৰী প্ৰাপ্ত কৰা হৈছে। ইয়াৰোপৰি ২১ খন পুৰণি ঘাটী মঞ্জুৰী প্ৰাপ্ত কলেজত নতুন শাখা ঘাটী মঞ্জুৰী আঁচনিৰ অধীনলৈ অনা হৈছে।

জিলা ভিত্তিত এনে ধৰণৰ -

| জিলা | নতুন কলেজ | পুৰণি ঘাটী মঞ্জুৰীপ্ৰাপ্ত কলেজত নতুন শাখা |
|---|---|---|
| বৰপেটা | ৪ খন | ১ খন। |
| নলবাৰী | — | ১ খন। |
| কামৰূপ | ৬ খন | ৪ খন। |
| লক্ষীমপুৰ | ৩ খন | ২ খন। |
| যোৰহাট | ২ খন | ১ খন। |
| শিৱসাগৰ | ২ খন | ১ খন। |
| নগাওঁ | ৩ খন | ৪ খন। |
| মৰিগাওঁ | ১ খন | ২ খন। |

| | | |
|---|---|---|
| গোলাঘাট | ২ খন | ১ খন। |
| ডিব্রুগড় | ১ খন | ১ খন। |
| গোৱালপাৰা | ৩ খন | ১ খন। |
| শোনীতপুৰ | — | ২ খন। |
| ধেমাজী | ২ খন | — |
| দৰং | ১ খন | — |
| | ৩০ খন | ২১ খন |

(খ) বিষয়টো পাৰ্ব্বত্য স্বায়ত্ব শাসিত জিলা পৰিষদৰ অধীনত কিয়নো উচ্চ শিক্ষাৰ বিষয়বস্তু আৰু সাধাৰণত শিক্ষাৰ মহাবিদ্যালয় সমূহ স্বায়ত্ব শাসিত জিলা পৰিষদলৈ ইতিমধ্যে হস্তান্তৰ কৰা হৈছে. গতিকে জিলা পৰিষদেহে সিদ্ধান্ত লব।

*** শ্ৰী চন্দ্ৰকান্ত টেৰাং ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে (খ) প্ৰশ্নৰ উত্তৰত কৈছে যে বিষয়টো পাৰ্ব্বত্য স্বায়ত্ব শাসিত জিলা পৰিষদৰ অধীনত কিয়নো উচ্চ শিক্ষাৰ বিষয়বস্তু আৰু সাধাৰণ শিক্ষাৰ মহাবিদ্যালয় সমূহৰ স্বায়ত্ব শাসিত জিলা পৰিষদলৈ ইতিমধ্যে হস্তান্তৰ কৰা হৈছে। গতিকে জিলা পৰিষদেহে সিদ্ধান্ত লব। কথাটো ঠিকেই আছে। কিন্তু মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে ভৱিষ্যতে অটনমাচ কাউন্সিলৰ যি কোনো পৰামৰ্শ অসম চৰকাৰে মানি লব নেকি?

*** শ্ৰী থানেশ্বৰ বড়ো (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে সোধা পৰিপূৰক প্ৰশ্নৰ উত্তৰত কব বিচাৰিছো যে আমি বহুতো কথাই ভাবি চিন্তি চাবলগীয়া হৈছে কাৰণ ইয়াৰ লগত আমাৰ চৰকাৰৰ ডাঙৰ সমস্যা আছে। অসমৰ কলেজ সমূহ ৩খন বিশ্ববিদ্যালয়ৰ অধীনত আছে। ডিব্রুগড় আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ ক্ষেত্ৰত আমাৰ সমস্যা নাই। আমি পোনপটীয়া ভাবে যোগাযোগ কৰিব পাৰো। কিন্তু পাহাৰীয়া জিলাৰ কলেজ আৰু বৰাক ভেলীৰ কলেজৰ ক্ষেত্ৰত এফিলিয়েচন আৰু পাৰ্মিচন দিয়ে বৰাক ভেলীত থকা অসম বিশ্ববিদ্যালয়ে। গতিকে ৰাজ্য চৰকাৰে যোগসূত্ৰ ৰখাত অসুবিধা আছে। গতিকে সঠিক ভাবে যোগসূত্ৰ ৰখাৰ কাৰণে চেষ্টা কৰি চাম আৰু হিলচ্ এৰিয়া আৰু প্লেইনচ্ এৰিয়াতো যাতে কোনো অসুবিধা নহয় সেইটো আমি বিবেচনা কৰি চাম।

* Speech not corrected

## Questions And Answers

* **শ্ৰী হলিৰাম টেৰাং ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে এটা কথা কৈছে যে পাহাৰীয়া জিলা ২খন আৰু বৰাক ভেলীত যি কেইখন কলেজ আছে সেই কলেজ কেইখন অসম বিশ্ববিদ্যালয়ৰ কৰ্তৃত্বৰ ভিতৰত পৰে। এই অসুবিধাৰ কথাটো লৈ অন্ততঃ কাৰ্বি আংলং আৰু উত্তৰ কাছাৰ স্বায়িত্ব শাসিত পৰিষদৰ সৈতে আলোচনা কৰাৰ কাৰণে চৰকাৰে কিবা পদক্ষেপ লৈছে নেকি এই কথাটো মাননীয় মন্ত্ৰী মহোদয়ে জনাব নেকি?

* **শ্ৰী থানেশ্বৰ বড়ো (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এতিয়ালৈকে জনোৱা হোৱা নাই। সেইটো বিষয়ে আলোচনা কৰিম বুলি ভাবিছো। সেইটো কথা আজি ৬ মাহ মানৰ পৰা অনুভৱ কৰিছো আৰু আলোচনা কৰাৰ কাৰণে ব্যৱস্থা কৰিম।

* **শ্ৰী হলিৰাম টেৰাং ঃ** মাননীয় অধ্যক্ষ মহোদয় আমি আগৰ চৰকাৰৰ কথা বাদ দিছো। কিন্তু বৰ্ত্তমান চৰকাৰৰ কাৰ্য্যকাল আধা সময় গলেই। এতিয়ালৈকে সমস্যা সমূহ সমাধান কৰাৰ কাৰণে অনুভৱেই কৰা নাই। আমি প্ৰশ্নটো অনাৰ কাৰণে অনুভৱ কৰি আছো বুলি কৈছে। মাননীয় মন্ত্ৰী মহোদয়ে এই চলিত অধিবেশনৰ সময়তে কাৰ্বি আংলং আৰু উত্তৰ কাছাৰ স্বায়ত্ব শাসিত পৰিষদৰ লগত আলোচনা কৰি যি কেইখন কলেজ ডেফিচিট চিচ্‌টেমলৈ আনিব পৰা যায় সেই কেইখন কলেজ ডেফিচিট কলেজ হিচাপে অৰ্ন্তভুক্ত কৰিব পৰা যায় নে নাই?

* **শ্ৰী থানেশ্বৰ বড়ো (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এপ্ৰিলৰ ভিতৰত আলোচনা কৰাতো অসুবিধা হব। মে'ৰ ভিতৰত আলোচনা কৰিব পাৰিম।

* **শ্ৰী হলিৰাম টেৰাং ঃ** মাননীয় অধ্যক্ষ মহোদয়, যি কেইখন কলেজ ডেফিচিত কৰিব পৰা নাই সেই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে কৈছে যে বিষয়টো স্বায়ত্ব শাসিত জিলা পৰিষদৰ অধীনত আছে। It will recorded that for the first time in Assam Legislative Assembly Government to goes under the control of Karbi Anglong and North Cachar Autonomous Councils. উচ্চ শিক্ষাৰ বিষয় বস্তু আৰু সাধাৰণ শিক্ষাৰ মহাবিদ্যালয় সমূহ স্বায়ত্ব শ্বাসিত জিলা পৰিষদলৈ হস্তান্তৰ কৰাৰ কথাটো স্বীকাৰ কৰিছে। যদিও মহাবিদ্যালয় সমূহ স্বায়ত্ব শাসিত জিলা পৰিষদলৈ হস্তান্তৰ কৰা হৈছে কিন্তু এতিয়াও ডিফু আৰু অন্যান্য কলেজত চৰকাৰৰ ফালৰ পৰা নিযুক্তি দি থকা হৈছে। এইটো কনট্ৰাডিকটোৰী নহয় নেকি?

* **শ্ৰী থানেশ্বৰ বড়ো (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এতিয়া যিমান বিলাক

---

* Speech not corrected

নিযুক্তি দিয়া হৈছে বিশেষকৈ প্লেইনচ্ এৰিয়াৰ পৰাই বহন কৰি থকা হৈছে। এই ক্ষেত্ৰত আমি হিলচ্ অটনমাচ কাউন্সিলৰ লগত আলোচনা কৰিব লাগিব। আগৰ যিটো চিচ্‌টেম তেনেকুৰা ধৰণে চলি আছু আৰু ফাইনেনচিয়েল এলোকেচনৰ ক্ষেত্ৰতো তেনেকুৰা ধৰণে চলি আছে।

* **শ্ৰী হীৰেণ কুমাৰ দাস ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে নতুন ঘাটী মঞ্জুৰীপ্ৰাপ্ত কলেজ আৰু পুৰণি ঘাটী মঞ্জুৰী প্ৰাপ্ত কলেজৰ নতুন শাখা ঘাটী মঞ্জুৰী আঁচনিৰ অধীনলৈ অনা কলেজৰ সংখ্যা বিলাক পঢ়ি দিছে। কিন্তু দৰং জিলাত মাত্ৰ এখন কলেজহে লোৱা হৈছে। মঙ্গলদৈৰ যিখন বাণিজ্য মহাবিদ্যালয় সেইখন বহুত পুৰণি আৰু একমাত্ৰ বাণিজ্য মহাবিদ্যালয়। এই মহাবিদ্যালয়খনৰ যাবতীয় যিখিনি কাম-কাজ কৰিবলগীয়া আছে সেইখিনি সুকলমে কৰা আছে। গতিকে মঙ্গলদৈ বাণিজ্য মহাবিদ্যালয় ডেফিচিট কলেজলৈ অনা হব নেকি এই বিষয়ে মাননীয় মন্ত্ৰী মহোদয়ে জনাব লাগে?

* **শ্ৰী থানেশ্বৰ বড়ো (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ডেফিচিট গ্ৰেন্ট দিয়াৰ ক্ষেত্ৰত এটা বছৰ বিবেচনা কৰা নহয়। তাৰ পিচত আমি কেইবাখনো কলেজ ডেফিচিট কৰাৰ কাৰণে বিবেচনা কৰিম। কলেজৰ ক্ষেত্ৰত স্কুলৰ নিচিনাকৈ কৰিব নোৱাৰি। আনহাতে বিভিন্ন বিত্তীয় দিশৰ এটা সমস্যা আছেই। আমি ফীজ এনহেন্ট কৰিছে এই ব্যৱস্থা কৰিব পাৰিছো।

* **শ্ৰী শেখ আব্দুল হামিদ ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমত কিমান ডিগ্ৰী কলেজ ডেভিচিট কৰা হোৱা নাই আৰু কিমান খন ডিগ্ৰী কলেজে কনকাৰেণ্চ পাইছে আৰু চলিত বছৰত এই কলেজ সমূহক এফিলিয়েচন দিয়াৰ চৰকাৰৰ কিবা পৰিকল্পনা আছে নেকি?

* **শ্ৰী থানেশ্বৰ বড়ো (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিহেতু মাননীয় সদস্য গৰাকীয়ে বিতং ভাবে জানিব বিচাৰিছে গতিকে এইটো এটা বেলেগ প্ৰশ্নৰ প্ৰয়োজন হব।

**Mr. Speaker :** Now Starred Question No. 143.

## বিষয় ঃ গেছ ক্ৰেকাৰ প্ৰকল্পৰ বাবে মাটি অধিগ্ৰহন।

**শ্ৰী পৃথিবী মাঝিয়ে সুধিছে ঃ**

* ১৪৩। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ডিব্ৰুগড় জিলাৰ টেঙাখাটত স্থাপন কৰিবলগীয়া গেছ ক্ৰেকাৰ প্ৰকল্পৰ বাবে কিমান মাটি অধিগ্ৰহন কৰা হৈছিল?

---

* Speech not corrected

(খ) উক্ত অধিগ্ৰহন কৰা মাটিৰ কিমান চাহ বাগিচাৰ আৰু কিমান চাহ ও প্ৰাক্তন চাহ মজদুৰ পৰিয়ালৰ আছিল?

(গ) মাটি অধিগ্ৰহন কৰা পৰিয়ালৰ পৰা 'গেছ ক্ৰেকাৰ প্ৰকল্প'ত কৰ্মসংস্থাপন দিয়াৰ ব্যৱস্থা চৰকাৰে ও গেছ ক্ৰেকাৰ প্ৰকল্পৰ পৰা লোৱা হৈছে নেকি?

*** শ্ৰী গুনীণ হাজৰিকা (মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) প্ৰস্তাবিত গেছ ক্ৰেকাৰ প্ৰকল্পৰ বাবে ডিব্ৰুগড় জিলাৰ টেঙাখাট আৰু চাবুৱা ৰাজহ চক্ৰৰ ৩১১০ বিঘা ব্যক্তিগত মাটিৰ অধিগ্ৰহন কৰাৰ প্ৰক্ৰিয়া বৰ্ত্তমান চূড়ান্ত পৰ্য্যায় পাইছে।

(খ) অধিগ্ৰহন কৰিব খোজা মাটিৰ ১১৯২ বিঘা মাটি ৰাচেল চাহ কোম্পানীৰ ডিক্‌ম চাহ বাগিচাৰ আৰু ৫৫৬ বিঘা ওৱাৰেণ চাহ কোম্পানীৰ শিয়ালকাটি চাহ বাগিচাৰ অধীনত। বাকী ১৩৬২ বিঘা ব্যক্তিগত মালিকানাৰ মাটি চাহ বাগিচাত কাম কৰা মজদুৰ আৰু প্ৰাক্তন চাহ মজদুৰ পৰিয়ালৰ।

(গ) গেছ ক্ৰেকাৰ প্ৰকল্প স্থাপনৰ প্ৰধান উদ্যোগকাৰী ৰিলায়েঞ্চ ইণ্ডাষ্টিজ লিমিটেডৰ লগত অসম চৰকাৰে থলুৱা প্ৰাৰ্থী সকলৰ শিক্ষাৰ অৰ্হতা/অভিজ্ঞতা/উপযুক্ততা চাই তেওঁলোকক নিযুক্তিৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ দিয়াৰ ব্যৱস্থা কৰিছে।

*** শ্ৰী পৃথ্বিবী মাঝি ঃ** মন্ত্ৰী মহোদয়ে উত্তৰত কৈছে যে শিক্ষাগত অৰ্হতা, যোগ্যতা চাই তেওঁলোকৰ নিযুক্তিৰ ব্যৱস্থা কৰিব। মোৰ প্ৰশ্ন হল যি সকল ব্যক্তিগত মালিকৰ মাটি অধিগ্ৰহন কৰা হল তাত এক্স-টি গাৰ্ডেনৰ মানুহ আছে, তেওঁলোকৰ আনস্কিলড্ লেবাৰ পৰিয়াল ভিত্তিত এজনকৈ নিযুক্তি দিয়াৰ চিন্তা চৰ্চ্চা কৰিবনে?

*** শ্ৰী গুনীণ হাজৰিকা (মন্ত্ৰী) ঃ** সেই কথা এতিয়াই কব পৰা নাযায়। উদ্যোগ স্থাপনত কিমান মানুহৰ প্ৰয়োজন হব সেইটো নিৰ্দ্ধাৰণ কৰাৰ পাচত নিয়োগৰ ব্যৱস্থা কৰিব পৰা হব। গতিকে কিমান পৰিয়ালৰ এজনকৈ দিব পৰা যাব তাৰ প্ৰতিশ্ৰুতি দিয়াটো টান হব।

*** শ্ৰী পৃথ্বিবী মাঝি ঃ** যি সকলৰ মাটি অধিগ্ৰহণ কৰা হৈছে তেওঁলোকক ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা কৰিছেনে?

*** শ্ৰী গুনীণ হাজৰিকা (মন্ত্ৰী) ঃ** ৰিলায়েন্স ইণ্ডাষ্ট্ৰিয়ে আৱশ্যকীয় ধন জমা দিলে সঠিক উত্তৰ দিব পৰা হব।

* **শ্ৰীমতী প্ৰণতি ফুকন** ঃ গেচ ক্ৰেকাৰৰ কাম হোৱাই নাই। গতিকে এই উদ্যোগটো হব জানো?

* **শ্ৰী গুনীণ হাজৰিকা (মন্ত্ৰী)** ঃ হব নে নহয়, সেই কথা কোৱা টান। নহব বুলি কব নোৱাৰি। হব। ৰিলায়েন্স ইণ্ডাষ্ট্ৰি নহলেও অন্য কাৰোবৰ দ্বাৰা কৰা হব। গেচ ক্ৰেকাৰ সম্পৰ্কত কেন্দ্ৰীয় চৰকাৰে ৩১ তাৰিখ শেষ দিন ঘোষণা কৰিছে। ইতিমধ্যে পাৰ্লিয়ামেন্টেৰী কনচালটেটিভ কমিটিৰ সভা আহ্বান কৰিছে। সেই দিনটোলৈ অপেক্ষা কৰিব লাগিব।

* **শ্ৰী দিলীপ কুমাৰ শইকীয়া** ঃ ৰিলায়েন্স ইণ্ডাষ্ট্ৰি আৰু অসম চৰকাৰৰ মাজত যি চুক্তি হৈছে সি জনসাধাৰণৰ স্বাৰ্থত যাবনে নাযায় সেইটো ঠিৰাং কৰিছেনে নাই? চুক্তি স্বাৰ্থৰ বিপৰীতে হয়। গেচ ক্ৰেকাৰৰ এটা ইউনিট ৰাণীত পাতিবৰ কাৰণে আঁচনি আছে নেকি?

* **শ্ৰী গুনীণ হাজৰিকা (মন্ত্ৰী)** ঃ নিৰ্দ্দেশ দিলে চুক্তিৰ প্ৰতিলিপি সদনত দাখিল কৰিব পৰা যাব। ৰাণীত মূল প্ৰকল্পৰ আনুষঙ্গিক উদ্যোগৰ কথা আছে।

* **শ্ৰী দিলীপ কুমাৰ শইকীয়া** ঃ ১৯৯৪ চনৰ চুক্তি আপুনি নিৰ্দ্দেশ দিলে সদনত দিব বুলি মন্ত্ৰীয়ে কৈছে।

* **Shri Devanand Konwar** : Mr. Speaker, Sir, may I ask the Hon'ble Minister, Industries to reply 'Yes' or 'No'. Whether the agreement which was directed to be completed positively by 31st March by the Government of India, whether the gas supply agreement between the Reliance & other Industries viz., Oil India Limited has been completed or not?

* **Shri Gunin Hazarika (Minister)** : No, it is not completed.

* **শ্ৰী হেমেন দাস** ঃ এইটো গুৰুত্বপূৰ্ণ বিষয়। গেচ ক্ৰেকাৰ অসম চুক্তিৰ লগত সম্পৰ্ক আছে নেকি? আজিলৈকে সমস্যাটো সমাধান হোৱা নাই। এই সম্পৰ্কত সিদ্ধান্তলৈ আহিব পৰা নাই কিয়?

* **শ্ৰী গুনীণ হাজৰিকা (মন্ত্ৰী)** ঃ যেনে ধৰণে গেছ দিব বুলি কৈছে নিদিয়াৰ প্ৰশ্ন অহা নাই। গেছ যোগানকাৰী অইলৰ লগত কাৰিকৰী খুঁত থকাৰ কাৰণে ঐক্য মতত উপনীত হব পৰা নাই। ৩১ তাৰিখ সময়সীমা ধৰি দিছে। ইতিমধ্যে

---

* Speech not corrected

পেট্ৰোলিয়াম কনচনলটেটিভ কমিটিৰ সভা আহ্বান কৰা হৈছে।

* **শ্ৰী হলিৰাম টেৰাং ঃ** অসম চুক্তিৰ লগত সম্পৰ্ক আছে।

**Mr. Speaker : You exceeded the limit. So, I cannot allow innumerable time. Please sit down.**

**Now, Starred Question No. 144.**

## Re. : Staff of DIET.

**Shri Samarjit Haflongbar asked :**

*144. Will the Minister of Education be pleased to state:

(a) Yes, One Incharge Principal and 5 (five) Lecturers have been appointed.

(b) 1. Shri P. Jidung, In-charge Principal, DIET, N.C.Hills.

2. Shri Biraj Kumar Ojha, Lecturer, (Psysical Education).

3. Sri Alakesh Dutta, Lecturer (Science).

4. Miss K.Terangpi, Lecturer (Foundation Education).

5. Miss Urmi Lahkar, Lecturer (Language, Assamese).

6. Mrs. Samhita Malini Baruah, Lecturer (Language, English).

(c) DIET, N.C. Hill will be started as early as possible.

* **শ্ৰী সমৰজিৎ হাফলংবাৰ ঃ** এন,চি পাহাৰত দাইটৰ ক্লাচ হোৱা নাই। টকাবিলাক আৰডিত জমা হৈ আছে। সেই বিলাক টকা ৰিলিজ কৰিবলৈ মন্ত্ৰী মহোদয়ে ব্যৱস্থা লবনে?

* **শ্ৰী থানেশ্বৰ বড়ো (মন্ত্ৰী) ঃ** দাইটটো চলিবৰ কাৰণে প্ৰয়োজনীয় নিযুক্তি দিয়া হৈছে। অকল শিক্ষা বিভাগত নহয় আন আন বিভাগতো আৰডি হৈ আছে। সেই বিলাক উলিয়াবৰ কাৰণে ব্যৱস্থা লৈ আছো। গোটেই পুজি একে সময়ত পোৱা হোৱা নাই। আংশিক কিস্তিত পোৱা যায়। দাইটখন ঠিক মতে চলাবৰ কাৰণে

* Speech not corrected

ব্যৱস্থা লোৱা হব।

* **শ্ৰী হলিৰাম টেৰাং** ঃ ডাইট চেন্টাৰটো সোনকালে কৰা হব বুলি কৈছে। এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে কিমান দিনৰ ভিতৰত কৰাৰ ব্যৱস্থা চৰকাৰৰ আছে জনাব নে?

* **শ্ৰী থানেশ্বৰ বড়ো (মন্ত্ৰী)** ঃ তেনেকুৱা তাৰিখ দিয়া টান হব। চলিত বছৰৰ ভিতৰত কৰা হব।

**माननीয় অধ্যক্ষ** ঃ মই সন্মানিত সদনত এইখিনি সময়ত জনাবলৈ পাই সুখী হৈছো যে দাদা চাহেব ফাল্‌কে এৱাৰ্ড পোৱা, সংগীত নাটক একাডেমীৰ সভাপতি আৰু আমাৰ অসম বিধান সভাৰ প্ৰাক্তন বিধায়ক ডঃ ভূপেন হাজৰীকা ৰাজ্যপালৰ গেলাৰীত আসন গ্ৰহণ কৰি আছে। তেখেতলৈ আন্তৰিক অভিনন্দন জনাইছো।

Now Starred Question No. 145.

## Re.: Monoharan Commission Report

**Shri Sambhusing Mallah asked :**

* 145. Will the Minister of Elementary Education be pleased to state :

(a) What action has been taken by the Government through Monoharan Commission Report in the District of Karimganj? (Give a detail report in this connection related with Monoharan Commission).

(b) Whether few appointed teacher in L.P./M.E./M.V. of Karimganj district were called by the Monoharan Commission for enquiry and since then they are not getting their salary till date?

(c) What is the reason behind it?

(d) How many such teachers of all categories are there Karimganj District? (Please furnish a name list of the teachers who are not getting salary in Karimganj District with mentioning schools, name,

* Speech not corrected

period of not getting salary etc).

**Sri Thaneswar Boro (Minister) replied :**

(a) In persuance of Govt. decision Monoharan Committee's report, three Zonal Screening Committee were constituted on 8/12/98 to examine the appointments made under ad-hoc basis in respect of irregular & illegal appointments during the period from 1991 to March, 1996.

One of the three Zones was Silchar Zone comprising Cachar, Hailakandi & Karimganj Districts.

The Zonal Screening Committee collected particulars of such individual teachers at Silchar w.e.f. 23/1/99 to 27/3/99 are the particulars are at scrutiny stage.

(b) No.

(c) Monoharan Committee did not call any teacher for personal appearance.

(d) It is under scrutiny.

* **Shri Sukhendu Shekhar Dutta :** Sir, may I know from the Hon'ble Minister when the findings of the Screening Committee will be available?

* **Shri Thaneswar Boro (Minister) :** Hon'ble Speaker Sir, all the documents have been collected and now it is at the final stage. I think, this can be completed within a short time i.e. within one or two months time.

* **Shri Sukhendu Shekhar Dutta :** Mr. Speaker Sir, Whether the Government is aware of the fact that not only ad-hoc appointments have been made because

---

* Speech not corrected

here only ad-hoc appointments have also been made illegally, if the Government is aware of the fact what action will be taken against that?

* **Shri Thaneswar Boro (Minister) :** Sir, Government is aware about irregular appointments and illegal appointments and that is why as per the condition of the Monoharan Committee. Screening Committee were constituted to examine the details of these appointments.

* **Shri Sukhendu Shekhar Dutta :** Sir, not only ad-hoc appointments but some regular appointments have been made illegally and that process is still continuing. Here, Hon'ble Minister has said only about ad-hoc appointments but in fact some regular appointments have been made. So, it is a serious matter; Whether Government will look into it?

* **Shri Thaneswar Boro (Minister) :** Sir, Government will definitely look into it, but at the same time I request the Hon'ble Member to submit specific cases.

* **Shri Sukhendu Skekhar Dutta :** I have already submitted the paper to the Hon'ble Minister, Sir.

**Mr. Speaker :** Now Question No. 146.

## বিষয় ঃ অপাৰেচন ব্লেক বর্ড আঁচনি।

### শ্ৰী দিলীপ কুমাৰ শইকীয়াই সুধিছে ঃ

* ১৪৬। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) সম্প্ৰতি কেন্দ্ৰীয় চৰকাৰে অপাৰেচন ব্লেক বৰ্ড আঁচনিৰ অধীনত কিমান শিক্ষকৰ পদ অনুমোদন জনাইছে আৰু এই পদ সমূহ পুৰণৰ বাবে ৰাজ্য চৰকাৰৰ কিমান টকাৰ আৱশ্যক হব জনাবনে?

(খ) পদ সমূহৰ ভিতৰত কিমানটা প্ৰাথমিক, মজলীয়া, মধ্য ইংৰাজী বিদ্যালয়ৰ শিক্ষকৰ পদ আছে আৰু পদ সমূহত কেতিয়া নিযুক্তি দিব জনাবনে?

(গ) ৰাজ্য চৰকাৰে উদ্যোগ বিহীন জিলা সমূহলৈ অধিক পদ আৱন্টন দিবনে?

---

* Speech not corrected

যদি দিয়ে তেন্তে বানাক্রান্ত ধেমাজি জিলাত কিমানটা পদ আৱন্টন দিব জনাবনে?

**শ্ৰী থানেশ্বৰ বড়ো (মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) সম্প্ৰতি কেন্দ্ৰীয় চৰকাৰে অপাৰেচন ব্লেক বৰ্ড আঁচনিৰ অধীনত অনুমোদন জনোৱা পদৰ সংখ্যা হ'ল ৪০৪০ টা। এই পদ সমূহৰ বিপৰীতে শিক্ষক নিয়োগ কৰিলে বছৰি ১৯৮৭.৬৮ লাখ টকাৰ প্ৰয়োজন হ'ব।

(খ) উপৰোক্ত ৪০৪০ টা পদ কেৱল মজলীয়া/মধ্য ইংৰাজী বিদ্যালয়ৰ বাবেহে। উক্ত পদ সমূহৰ ভিতৰত ৩৫ টা পদ প্ৰাথমিক সঞ্চালকে চৰকাৰী মজলীয়া বিদ্যালয়ৰ বাবে আৱন্টন ও নিযুক্তি দিছে। তদুপৰি মাননীয় উচ্চ ন্যায়ালয়ৰ আদেশ মৰ্ম্মে ১১২৩ টা পদ ১৯৯১ চনত বাদ (Dropped) পৰা শিক্ষকৰ বাবে আৱন্টন দিয়া হৈছে। বাকী পদ সমূহ মহকুমা উপদেষ্টা কমিটি সমূহ পুনৰ গঠন হলে পদ পূৰণৰ প্ৰক্ৰিয়া আৰম্ভ হ'ব।

(গ) তেনেকুৱা কোনো আঁচনি সম্প্ৰতি নাই।

* **শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে কেন্দ্ৰীয় চৰকাৰে অনুমোদন জনোৱা ৪০৪০ টা পদ প্লেনত নে নন প্লেনত দিছে? আৰু কিমান চনলৈকে তেওঁলোকে দৰমহা দিব? দ্বিতীয়তে, ইতিমধ্যে অসম চৰকাৰে কিমান নিযুক্তি দিছে? অসম চৰকাৰে কিমান নিযুক্তি দিবৰ বাবে সচিবৰ পৰা ও চাৰ্কোলাৰ দিয়া হৈছিল, তাৰ পাচতো মন্ত্ৰী মহোদয়ে ৩৫ টা পদ নিযুক্তি দিয়া হৈছে বুলি কৈছে। হাইকোৰ্টৰ নিৰ্দ্দেশ অনুসৰি ১১২৩ টা পদত নিযুক্তি দিয়া হৈছে নে হোৱা নাই মন্ত্ৰী মহোদয়ে জনাব নে?

* **শ্ৰী থানেশ্বৰ বড়ো (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৪০৪০ টা পোষ্ট প্লেনৰ পোষ্ট ১১২৩ পোষ্ট হাইকোৰ্টে অৰডাৰ দিয়া কেচ আছে এডজাষ্ট হোৱা নাই। কিছু ৰেগুলাৰাইজ কৰি এডজাষ্ট কৰা হৈছে। ৩৫ টা পোষ্ট গৰ্মেন্ট এম,ভি আৰু এম,ই স্কুলত দিয়া হৈছে। নন গৰ্মেন্টত নিযুক্তি দিব পৰা নাই। কেন্দ্ৰিয় চৰকাৰে যিটো টকা দিব সেইটো ৮ম প্লেনত আছিল কিন্তু এবছৰ গেপ হোৱা কাৰণে এতিয়া নৱম প্লেনত ধৰা হব।

* **শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ** পাচ বছৰ কেন্দ্ৰিয় চৰকাৰে দৰমহা দিব। তাৰ পাচত দৰমহা নাপায়। ৩৫ টা পদ নিযুক্তি দিছে। শিক্ষা বিভাগৰ পৰা চাৰ্কোলাৰ

* Speech not corrected

দিছে নিযুক্তি নিদিবলৈ কিন্তু তাৰ ভিতৰতো নিযুক্তি তলে তলে হৈছে? এইটো কি কথা? এতিয়া কেইখন চৰকাৰ চলিছে সচিবৰ, ডিৰেক্টৰৰ নে কাৰ চৰকাৰ চলিছে? কিমান চৰকাৰ আছে? এতিয়া মন্ত্ৰী মহোদয়ে উত্তৰটো ভাল ধৰণে দিলে ভাল হয়? আৰু এটা কথা সুধিব বিচাৰিছো হাইকোৰ্টে অৰ্ডাৰ দিয়া ৪ মাহ হৈ গ'ল ১১২৩ পোষ্ট নিযুক্তি দিবলৈ নিৰ্দ্দেশ দিয়াৰ পাচতো কিয় নিযুক্তি দিয়া নাই? মন্ত্ৰী মহোদয়ে বিতং কৈ জনাব নে?

* **শ্ৰী থানেশ্বৰ বড়ো (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৩৫ টা পোষ্ট গৰ্মেন্ট এম,ভি, গৰ্মেন্ট এম,ইত ভেকেন্চী থকা কাৰণে লোকেল পেপাৰত এড্ভাৰটাইজ দি নাইবা এমপ্লইমেন্ট এক্সচেঞ্জৰ জৰিয়তে নাম আনি ডিৰেক্টৰে নিযুক্তি দিয়ে। ১১২৩ পদৰ কিছু ৰেগুলাৰাইজ কৰা হৈছে গোটেইখিনি কৰিব পৰা নাই।

* **শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, বাছনিৰ ক্ষেত্ৰত যিটো লোকেলি কথা কৈছে - কিন্তু আমি বাতৰি কাকতত কোনো বিজ্ঞাপন দিয়া দেখা পোৱা নাই। চৰকাৰী স্কুলৰ লকেলি ইন্টাৰভিউ হব বা এম্পলয়মেন্ট এক্সচেঞ্জৰে জৰিয়তে হব, সেইটোও আমি পোৱা নাই। আন এটা কথা হ'ব ১১২৩ পদত আজিৰ তাৰিখলৈকে কিয় নিযুক্তি দিব পৰা নাই? আগৰ সময়ছোৱাত কংগ্ৰেছ দলে পদ নাথাকতেও ২০ টা পদত ৭৩২ জনক নিযুক্তি দিছে। কিন্তু এতিয়া পদ থাকিও কিয় দিব পৰা নাই, শিক্ষামন্ত্ৰী মহোদয়ে জনাব লাগে।

* **শ্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱা ঃ** মাননীয় অধ্যক্ষ মহোদয়, সমগ্ৰ নিযুক্তি প্ৰক্ৰিয়াটোৰে বন্ধ হৈ গৈছে। গোটেই ৰাজ্যখনে আৰ্থিক ভাবে দুৰ্যোগত ভূগিছে। এতিয়া পাঁচ বছৰ হৈ গ'ল - কেন্দ্ৰীয় চৰকাৰে টকা দিব, সেইটো ভাবি থাকিলে নহব। সময় উকলি গৈছে। মে মাহৰ ভিতৰতে ১১২৩ টা পদত নিযুক্তি দিব লাগে। এই সন্দৰ্ভত মন্ত্ৰী মহোদয়ে আশ্বাস দিব লাগে।

* **শ্ৰী শৰৎ বৰকটকী ঃ** শিক্ষামন্ত্ৰীয়ে জনাব নেকি? ৪০৪০ টা পদ কেতিয়া চেংচন হৈছিল?

* **শ্ৰী থানেশ্বৰ বড়ো (মন্ত্ৰী) ঃ** এইটো আগৰ চৰকাৰৰ দিনতে হৈছিল। মাননীয় উচ্চ ন্যায়ালয়ৰ আদেশ মৰ্মে ১১২৩ টা পদ শিক্ষকৰ বাবে আবন্টন পাইছো। বাকী পদসমূহৰ ক্ষেত্ৰত বাছনি কমিটি বিলাক গঠন হোৱা নাই। এই বাছনি কমিটিসমূহ পুনৰ গঠন হলে মে মাহৰ ভিতৰতে দিয়াৰ ব্যৱস্থা কৰা হব।

* **শ্ৰী শৰৎ বৰকটকী ঃ** দ্ৰপ পোষ্ট হাইকোৰ্টৰ নিৰ্দ্দেশ মতে দিয়া হৈছে। কিন্তু মোৰ সমষ্টিত দ্ৰপ পোষ্টত বেলেগ ঠাইৰ পৰা আনি দিয়া হৈছে। স্কুলৰ লগত

---

* Speech not corrected

সম্পৰ্ক নাই। নতুনকৈ নিযুক্তি দিয়া হৈছে। ৪২ টা পদ তাত আছে - এই সম্পৰ্কক কি ব্যৱস্থা লব? মন্ত্ৰী মহোদয়ে জনাব লাগে।

*** শ্ৰী থানেশ্বৰ বড়ো (মন্ত্ৰী) ঃ** এই খালি পদ বিলাক য'ত থাকিব, জিলাৰ ভিতৰতে য'ত শিক্ষকৰ প্ৰয়োজন তাত এডজাষ্ট কৰা হৈছে।

*** মোস্তাফা শ্বহিদুল ইচলাম ঃ** দ্ৰপ পোষ্টত নতুনকৈ নিযুক্তি দিছে।

*** শ্ৰী থানেশ্বৰ বড়ো (মন্ত্ৰী) ঃ** দ্ৰপ পোষ্টৰ কোনো সম্পৰ্ক নাই।

**Mr. Speaker : Now, starred question No. 147. Hon'ble Member, Shri Jyotish Das, Hon'ble Minister Education is to reply.**

## বিষয় ঃ নতুন Scale ৰ দৰ্মহা।

**শ্ৰী জ্যোতিষ দাস আৰু শ্ৰী বিমলাংশু ৰয়ে সুধিছে ঃ**

* ১৪৭। মাননীয় উচ্চ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে?

(ক) কলেজ শিক্ষক সকলক U.G.C.য়ে ঘোষণা কৰা মতে নতুন Scale ৰ দৰ্মহা দিব নে?

(খ) যদি দিয়ে কেতিয়াৰ পৰা কাৰ্য্যকৰী কৰা হব, অনুগ্ৰহ কৰি জনাব নে?

**শ্ৰী থানেশ্বৰ বড়ো (মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) বিষয়টো বৰ্ত্তমান চৰকাৰৰ বিবেচনাধীন হৈ আছে।

(খ) বিবেচনাধীন হৈ আছে।

*** শ্ৰী হলিৰাম টেৰাং ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইউ,জি,চি ঘোষণা অনুসৰি নিৰ্দ্দিষ্ট সময়ত কলেজ শিক্ষকসকলৰ ধনখিনি মোকলাই দিয়াৰ ব্যৱস্থা কৰিব নেকি? মন্ত্ৰী মহোদয়ে জনাব লাগে। কলেজ শিক্ষকসকলৰ কাৰো ১৯৮৬ চনত ইউ,জি,চি ঘোষণা কৰিছিল ১৯৯০ চনত পাইছে। ১৯৬৬ চনত ঘোষণা কৰা হ'ল আজি পৰ্য্যন্ত তেখেতসকলক এই ধনখিনি দিয়াৰ ব্যৱস্থা কৰা নাই। মাননীয় মন্ত্ৰী মহোদয়ে ইউ,জি,চিৰ এই বকেয়া ধনখিনি মোকলাই দিয়াৰ আশ্বাস দিব নেকি?

*** শ্ৰী থানেশ্বৰ বড়ো (মন্ত্ৰী) ঃ** এই বিষয়টো চৰকাৰৰ বিবেচনাধীন হৈ আছে। ভাৰতৰ্বৰ ২৫ খন ৰাজ্যৰ ভিতৰত সকলো ৰাজ্যই সিদ্ধান্ত লোৱা নাই। ৮/১০ খন ৰাজ্যই সিদ্ধান্ত হৈছে। আমি ইউ,জি,চি বেতন ক্ৰমে প্ৰয়োগ নকৰো বুলি সিদ্ধান্ত লোৱা নাই। প্ৰয়োগ কৰিব লাগিব। এই ক্ষেত্ৰত চেয়াৰৰ কথা আছে। শতকৰা ৮০ ভাগ কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰে শতকৰা ২০ ভাগ দিব।

---

* Speech not corrected

আমি শতকৰা ২০ ভাগ দিব পৰা নাই। শতকৰা এক ভাগেই কেন্দ্ৰীয় চৰকাৰে দিব লাগে বুলি আমাৰ ৰাজ্য চৰকাৰে অনুৰোধ জনাইছো। তেওঁলোকেও দিবলৈ ৰাজি হৈছে। ইউ,জি,চি ইউনিভাৰচিটিৰ শিক্ষকসকলৰ নহয়। কলেজ শিক্ষক, নন-টিচিং কৰ্মচাৰী ডেপুটি ৰেজিষ্টাৰ, লাইব্ৰেৰিয়ানক সামৰি লৈছে। ইউ,জি,চি প্ৰয়োগ নকৰাৰা কথা নাই। এইটো সোনকালে সিদ্ধান্ত লোৱা হব।

* **শ্ৰী বিমলাংশু ৰয় ঃ** ইউ,জি,চি দিলে ৰাজ্য চৰকাৰৰ কিমান লায়েবিলিট হব? মন্ত্ৰী মহোদয়ে জনাব লাগে। আজি চাৰি বছৰ হৈ গচল। লায়েবিলিটি কিমান হব জানিব লাগিছিল।

* **শ্ৰী থানেশ্বৰ বড়ো (মন্ত্ৰী) ঃ** এইটোৰ সম্পৰ্কত গোটেই শিক্ষক আৰু ষ্টাফৰ সংখ্যা কিমান হ'ব সংগ্ৰহ কৰি থকা হৈছে। গতিকে এতিয়া বিতং ভাবে কোৱা টান। ইয়াৰ বাবে প্ৰায় এক কোটি মান টকা প্ৰয়োজন লব পাৰে। এই বিষয়ত সিদ্ধান্ত লোৱা হব। বিতংভাৱে পিছত জনাব পৰা যাব।

* **শ্ৰী হলিৰাম টেৰাং ঃ** ইউ,জি,চি স্কেল যিটো কলেজ, গভৰ্ণমেন্ট কলেজত দিছে সেই একেধৰণে গভৰ্ণমেন্ট টেক্‌নিকেল ইনষ্টিটিউচন বিলাকতো দিব পাৰে নেকি?

* **শ্ৰী থানেশ্বৰ বড়ো (মন্ত্ৰী) ঃ** টেক্‌নিকেল ইনষ্টিটিউচনৰ স্কেল বেলেগ। তেওঁলোকৰ বাৱে তাল ইণ্ডিয়া কাউঞ্চিল অৱ টেকনিকেল এডুকেচন আছে। তেওঁলোকৰ প্ৰেছক্ৰাইব কৰা আছে। সেইমতে দিয়া হয়। এইটো আমি গ্ৰহণ কৰিছো।

* **শ্ৰী হলিৰাম টেৰাং ঃ** গভৰ্ণমেন্ট কলেজৰ ক্ষেত্ৰত কি হব?

* **শ্ৰী থানেশ্বৰ বড়ো (মন্ত্ৰী) ঃ** গভৰ্ণমেন্ট কলেজৰ ক্ষেত্ৰত ইউ,জি,চি প্ৰয়োগ হব।

* **ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে ঃ** মন্ত্ৰী মহোদয়ে উত্তৰত কৈছে প্ৰায় একশ কোটি টকা লাগিব। এই সম্পৰ্কত বিত্ত মন্ত্ৰী দায়িত্বত থকা মুখ্যমন্ত্ৰী মহোদয়ে সদনত বিষয়টো অৱগত কৰিছে। বাজেট প্ৰভিজন আছে নেকি? বিভাগীয় মন্ত্ৰীয়ে জনাব লাগে।

* **শ্ৰী থানেশ্বৰ বড়ো (মন্ত্ৰী) ঃ** বাজেট প্ৰভিজন কৰা হোৱা নাই। Mr. Speaker Sir, how the Hon'ble Chief Minister could tell in the House that the U.G.C. scale will be given? (interruption)

---

* Speech not corrected

* **শ্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱা ঃ** মাননীয় সভাপতি মহোদয়, এইটো অন প্ৰিঞ্চিপুল বুলি কৈছে।

(সদনত হুলস্থুল)

**Mr. Speaker :** Now Question No. 148. Questioner Shri Dileswar Tanti, Hon'ble Minister Education is to reply.

## Re.: Teacher appointment under the Operation Black Board Scheme.

**Shri Dileswar Tanti asked :**

* 148. Will the Minister, Education be pleased to state:

(a) Whether the Government is aware of the fact that the teachers appointed under the operation black board scheme are not getting their salaries for more than last one year in Tinsukia District?

(b) What are the reason behind this and when these teachers will be getting their salaries.

**Sri Thaneswar Boro (Minister) replied :**

(a) Yes.

(b) The posts were originally created undeer Centrally Sponsored Scheme during 8th Plan period. As per policy of the Govt. of India the posts are to be brought under State Plan during 9th Plan period. The matter is under process. Hence, they could not be paid their salary on expiry of 8th Plan period.

**Mr. Speaker :** Starred Question No. 148. Questioner is absent. Now Question No. 149. Questioner Shri Padma Hazarika.

## বিষয় ঃ- বৰ ডিকৰাই জলসিঞ্চন প্ৰকল্প।

**শ্ৰী পদ্ম হাজৰিকাই সুধিছে ঃ**

* ১৪৯। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

* Speech not corrected

(ক) শোণিপুৰ জিলাৰ চতিয়া বিধান সভা সমষ্টিৰ অন্তৰ্গত বৰ ডিকৰাই জলসিঞ্চন প্ৰকল্প কেতিয়া সম্পূৰ্ণ হ'ব।

(খ) উক্ত প্ৰকল্পৰ আঁচনি কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত চৰকাৰে চলিত বিত্ত বছৰত কিমান টকা ধাৰ্য্য কৰা হৈছে?

**শ্ৰী আব্দুল মুহিব মজুমদাৰ (জলসিঞ্চন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) আৱশ্যকীয় পুঁজিৰ আৱন্টন সাপেক্ষে ২০০১ চনত হ'ব বুলি আশা কৰা হৈছে।

(খ) মুঠ ৪০০ লাখ টকা।

* **শ্ৰী পদ্ম হাজৰিকা ঃ** অধ্যক্ষ মহোদয়, চতিয়া বিধান সভা সমষ্টিৰ বৰ ডিকৰাই জলসিঞ্চন প্ৰকল্পটো কেতিয়া সম্পূৰ্ণ হ'ব? ৰাইজে আজিৰ বতৰত পানী নাই বাবে ভেকুলীৰ বিয়া পাতিছে। আমাৰ ইৰিগেচনৰ পানী নাই বাবে আমিও ভেকুলীৰ বিয়া পাতিব লাগিব নেকি? এই প্ৰকল্পটোৰ কাম সোনকালে সম্পূৰ্ণ কৰাৰ বাবে জৰুৰী ব্যৱস্থা গ্ৰহন কৰিবনে?

* **শ্ৰী আব্দুল মুহিব মজুমদাৰ (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, আমি সোনকালে প্ৰকল্পৰ কাম কৰাৰ বাবে চেষ্টা কৰিম। আমি প্ৰত্যেক বছৰে এচটিমেট কৰো আৰু চলিত বিত্তীয় বছৰত ৪০০ টকা ধৰা হৈছে। আগতেই ১ কোটী টকা দিয়া হৈছে। মই অনুৰোধ কৰো মাননীয় সদস্যই কামখিনি চাই আহি আমাক জনাব।

* **শ্ৰী হীৰেণ কুমাৰ দাস ঃ** অধ্যক্ষ মহোদয়, মঙ্গলদৈ, কলাইগাওঁ।

**Mr Speaker :** You can not raise this Question today as it has already been disposed of.

## বিষয়ঃ শিক্ষক কৰ্মচাৰী দৰ্মহা।

**শ্ৰী শ্বেখ আব্দুল হামিদে সুধিছে ঃ**

*১৫০। মাননীয় শিক্ষা মন্ত্ৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) অসমৰ ছিনিয়ৰ টাইটেল মাদ্ৰাছা আৰু আৰবী কলেজ সমূহৰ (পৰিকল্পিত) শিক্ষক কৰ্মচাৰীৰ যোৱা চেপ্তেম্বৰ '৯৮ পৰা দৰমহা বাকী পৰি আছেনে?

(খ) যদি হয়, তেন্তে দৰমহা দিয়াৰ ক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে আৰু কেতিয়া দিয়া হ'ব?

**শ্ৰী থানেশ্বৰ বড়ো (মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) হয়

(খ) ১৯৯৯-২০০০ চনৰ বাজেটৰ পুঁজি অনুমোদন হোৱাৰ পিচত দিব পৰা যাব।

---

* Speech not corrected

* **শ্ৰী শেখ আব্দুল হামিদ ঃ** অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে, এইবাৰ বাজেটত পুঁজি অনুমোদন হোৱাৰ পিচত পইচা মুকলি কৰি দিব। মন্ত্ৰী মহোদয়ে জনাবনে যে, অসমৰ সকলো বিলাক হাইস্কুল, এম, ই, স্কুল আৰু প্ৰাইমেৰী স্কুলৰ শিক্ষকে এই বাজেটত পুঁজি অনুমোদন হোৱাৰ পিচত দৰমহা পাবনে?

* **শ্ৰী থানেশ্বৰ বড়ো (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, এই বাজেট পাছ হোৱাৰ পিচতে দৰমহা দিব পৰা যাব বুলি কৈছো। তেখেতে মূল প্ৰশ্নৰ পৰা আঁতৰি গৈছে। মাদ্ৰাছা আৰু আৰবীক কলেজ সমূহৰ প্লেনৰ শিক্ষক সকলক ১৯৯৮ চনৰ আগষ্ট মাহলৈকে দৰমহা দিবৰ বাবে অতিৰিক্ত পুঁজিৰ বাবে প্ৰস্তাৱ দিয়া হৈছে। এই শিক্ষক সকলে ১৯৯৮ চনৰ চেপ্তেম্বৰ মাহৰ পৰা দৰমদা পোৱা নাই। ১৯৯৯-২০০০ চনৰ বাবে পুঁজি অনুমোদন হলে দৰমহা দিব পৰা হব।

## Re.: Appointment of L.P. School Teacher.

**Shri Bhimananda Tanti asked:**

*151 Will the Minister of Elementary Education be pleased to state:

(a) Whether the Government has published the list of the selected candidates for appoinement of L.P. School teachers as interviewed?

(b) If so, when the appointment will be made?

(c) If not, why?

**Sri Thaneswar Boro (Minister) replied:**

(a) Government do not published the list of selected candidates for appointment of L.P.School teachers. The selection list as approved by Sub-Divisional Advisory Board is to published through the concerning D.I. of Schools as member secretary of the Board.

(b) After re-constitution of such Board.

(c) Does not Arise

* **শ্ৰী ভীমানন্দ তাঁতী ঃ** অধ্যক্ষ মহোদয়, অলপতে শিক্ষক নিযুক্তিৰ বাবে ১৯৯৭ চনতে সাক্ষাৎকাৰ লোৱা হৈছিল। তাৰ চিলেকটেদ কেন্দিদেটৰ লিষ্ট

* Speech not corrected

কেতিয়া পাৱলিচ কৰিব?

* **শ্ৰী থানেশ্বৰ বড়ো (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, চিলেকটেদ কেন্দিদেটৰ লিষ্ট দুটা ধৰণে পাৱলিচ হব পাৰে. যদি ভেকেন্সি কম থাকে আৰু বেছিকৈ মানুহ লোৱা হয় তেনেহলে অপেনলি পাৱলিচ কৰিব পাৰে। যদিহে ভেকেন্সি ১০ টা আৰু মানুহো ১০ জন থাকে তেনেহলে নটিচ বৰ্দত হেং কৰে।

* **শ্ৰী ভীমানন্দ তাঁতী ঃ** অধ্যক্ষ মহোদয়, বৰ্ড ৰিকনষ্টিটিউ কৰা কাৰণে কিবা নিৰ্দ্দেশ জাৰি কৰা হৈছে নেকি?

* **শ্ৰী থানেশ্বৰ বড়ো (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, আমি বৰ্ডসমূহ গঠন কৰাৰ বাবে প্ৰচেষ্টা আৰম্ভ কৰিছো।

* **শ্ৰী শৰৎ বৰকটকী ঃ** সাক্ষাৎকাৰ লোৱাৰ পিচত ১০ টা পদৰ বিপৰীতে যদি ৩০ টা চিলেক্ট কৰা হয় তেনেহলে লিষ্ট হেং কৰিব লাগে। আৰু ১০ টা হলে লিষ্ট হেং কৰিব লাগে।

* **শ্ৰী থানেশ্বৰ বড়ো (মন্ত্ৰী) ঃ** চিলেক্ট কৰাৰ পাচত নটিচ বৰ্ডত হেং কৰা হয়।

* **শ্ৰী ভীমানন্দ তাঁতী ঃ** অধ্যক্ষ মহোদয়, নিযুক্তিৰ ক্ষেত্ৰত ৰোষ্টাৰ মেইনটেইন কৰা হয়নে নহয়।

* **শ্ৰী থানেশ্বৰ বড়ো (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, হয়।

Starred Question No. 152 was not raised as the questioner of the said question was not present in the House when called upon.

## বিষয় ঃ হাইস্কুল শিক্ষান্ত পৰীক্ষাত ত্ৰুটিপূৰ্ণ ৰিজাল্ট।

**ডাঃ কল্যাণ কুমাৰ গগৈয়ে সুধিছে ঃ**

* ১৫২। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১৯৯৭-৯৮ বছৰৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত অসমৰ কিমানখন স্কুলত এজনো ছাত্ৰ-ছাত্ৰী উত্তীৰ্ণ হব পৰা নাই?

(খ) ত্ৰুটিপূৰ্ণ ৰিজাল্টৰ বাবেই এনে হব পাৰিছে নেকি?

**শ্ৰী থানেশ্বৰ বড়ো (মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ১৯৯৭ আৰু ১৯৯৮ চনত এগৰাকীও ছাত্ৰ-ছাত্ৰী উত্তীৰ্ণ নোহোৱা বিদ্যালয়ৰ সংখ্যা এনে ধৰণৰ ঃ

১৯৯৭ - ১০৪ খন।

১৯৯৮ - ১৭৭ খন।

* Speech not corrected

**Mr. Speaker :** Now Starred Question No. 153.

## বিষয় ঃ পাঠ্য পুথি যোগান।

**শ্ৰী ৰামেশ্বৰ ধানোৱাৰে সুধিছে ঃ**

* ১৫৩। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চৰকাৰে স্কুল সমূহত পাঠ্য পুথি যোগান ধৰিব নোৱাৰাৰ কাৰণ কি?

(খ) পাঠ্য পুথি অবিহনে শিক্ষাদান সম্পূৰ্ণ হৈছে বুলি চৰকাৰে বিবেচনা কৰে নেকি?

(গ) শিক্ষাৰ মানদণ্ড অৱনমিত হোৱাৰ এইটো এটা কাৰণ বুলি চৰকাৰে ভাবে নেকি? যদি ভাবে, তেন্তে চৰকাৰে পাঠ্য পুথি যোগান ধৰাৰ বাবে কি কি ব্যৱস্থা হাতত লৈছে জনাবনে?

* **শ্ৰী ৰামেশ্বৰ ধানোৱাৰ ঃ** অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে যে, চাহ বাগিছাৰ স্কুল বিলাকত যোৱা বছৰত আৰু এই বছৰত কিতাপ দিয়া হোৱা নাই এইটো মন্ত্ৰী মহোদয়ে জানেনে?

* **শ্ৰী থানেশ্বৰ বড়ো (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, এই কথাটো জনা হোৱা নাই। মাননীয় সদস্যই বিষয়টো দৃষ্টিগোচৰ কৰিছে গতিকে নিশ্চয় ব্যৱস্থা লম।

* **শ্ৰী ৰামেশ্বৰ ধানোৱাৰ ঃ** অধ্যক্ষ মহোদয়, (খ) প্ৰশ্নৰ উত্তৰত মন্ত্ৰী মহোদয়ে কৈছে -

**মাননীয় অধ্যক্ষ ঃ** কোৰেশ্যন আৱাৰ অভাৱ।

**(Starred questions Nos. 154 to 160 could not be taken up for disposal as the Question Hour was over.)**

## বিষয় ঃ ক্ষুদ্ৰ চাহ বাগিচা।

**শ্ৰী ভূপেন্দ্ৰ নাথ ভূঞাৱে সুধিছে ঃ**

* ১৫৪। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যোৱা ১৯৯৮ চনলৈকে ক্ষুদ্ৰ চাহ বাগিচা কিমান সংখ্যক খোলা হ'ল জনাবনে?

(খ) এই ক্ষুদ্ৰ ক্ষুদ্ৰ চাহ বাগিচা সমূহৰ পৰা মুঠ কিমান কেচা পাত উৎপাতন হৈছে পৰিসংখ্যা জনাবনে? সৰ্ব্বমুছ কিমান মাটি কালি ক্ষুদ্ৰ চাহ বাগিচাৰ অধীনত আছে জনাবনে?

(গ) এই চাহ বাগিচা সমূহত চৰকাৰৰ ফালৰ পৰা আৰ্থিক সাহাৰ্য্য বা ঋন

* Speech not corrected

দিয়াৰ আঁচনি লৈছে নে?

(ঘ) যদি লোৱা হৈছে, কিমান সংখ্যক চাহ বাগিছাই হ্ৰস্ব বা দীৰ্ঘম্যাদী ঋন পাইছে জনাবনে?

(ঙ) এই ক্ষুদ্ৰ চাহ বাগিচা সমূহৰ উৎপাদন বৃদ্ধিৰ বাবে সংশ্লিষ্ট বিভাগৰ নিজাববীয়া আঁচনি আছেনে?

**শ্ৰী গুনীণ হাজৰিকা (উদ্যোগ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ২৪,৮৬৭ খন।

(খ) এই ক্ষুদ্ৰ চাহ বাগিচা সমূহৰ পৰা উৎপাদিত কেচাপাতৰ পৰিমাণ ১৭১ মিলিয়ন কিঃ গ্ৰাঃ (১৭১০ লাখ কিঃ গ্ৰাঃ) আৰু এই চাহ বাগিচাসমূহৰ সৰ্ব্বমুঠ মাটি কালি ৩,৮৭,৮১৩ বিঘা।

(গ) এতিয়ালৈকে আৰ্থিক সাহায্য দিয়া হোৱা নাই।

(ঘ) প্ৰশ্ন নুঠে।

(ঙ) বৰ্ত্তমানলৈকে ৰাজ্য চৰকাৰৰ কোনো আঁচনি নাই। কিন্তু চাহ বোৰ্ডৰ পৰা ক্ষুদ্ৰ চাহ খেতিয়ক Capital Subsidy দিয়াৰ ব্যৱস্থাৰ লগতে অধ্যয়ন ভ্ৰমন, প্ৰশিক্ষন আৰু Advisory Service ৰ কাৰণে আৰ্থিক সাহাৰ্য্য দিয়া হয়।

## Re.: Agricultural Modernisation needs.

**Shri Girindra Mallik asked :**

* 155. Will the Minister of Irrigation be pleased to state :

(a) It is a fact that Agricultural Modernisation needs extensive irrigation facilities?

(b) If so, what steps have been taken for the improvement of irrigation for multiplication of agricultural yield?

(c) Is any programme of irrigation taken in Dhalai Constituency in Cachar District?

**Shri Abdul Muhib Mazumdar (Irrigation Minister) replied :**

(a) Yes.

* Speech not corrected

(b) Steps taken, so far, for Improvement of irrigation through implementation of Major/Medium Irrigation Project, Minor Irrigation Schemes and through installation of S.T. Walls under Institutional Finance.

To augment the utilisation of created Irrigation Potential Command Area Development Programme have also been taken up in the selected and completed Major/Medium Projects. Steps have also been taken up for completion of On-going Major/Medium Project and Minor Irrigation Schemes through A.I.B.P. and through ARIASP and non lapsable pool of fund (Corns fund) & NABARD respectively. Proposal have also been initiated to take up 1000 Nos. new D.T. Wells through loan assistance from NABARD.

## বিষয় ঃ নিম্ন বুনিয়াদী স্কুলৰ সংখ্যা।

**শ্ৰী নিজামুদ্দিন খানে সুধিছে ঃ**

* ১৫৬। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চৰকাৰী নিম্ন বুনিয়াদী স্কুলৰ সংখ্যা কিমান?

(খ) ১৯৯৯ চনৰ ২৮ ফেব্ৰুৱাৰীলৈ (১৯৯৬ চনৰ পৰা) কিমানজন শিক্ষক নিয়োগ কৰা হৈছে?

(গ) কি পদ্ধতিত শিক্ষক নিয়োগ কৰা হৈছে?

(ঘ) শিক্ষক নিয়োগৰ বেলিকাত ৰোষ্টাৰ মানিব লাগেনে?

(ঙ) বৰপেটা জিলাত বি,এ,চি এলেকাত মজলীয়া স্কুলৰ শিক্ষক নিয়োগৰ ক্ষেত্ৰত ৰোষ্টাৰমতে নিয়োগ কৰা হৈছেনে?

(চ) যদি হোৱা নাই, তাৰ বাবে দোষী কোন আৰু দোষী ব্যক্তিৰ বিৰুদ্ধে চৰকাৰে কি ব্যৱস্থা লব?

**শ্ৰী থানেশ্বৰ বড়ো (মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) চৰকাৰী নিম্ন বুনিয়াদী স্কুলৰ সংখ্যা মুঠ - ৩২৫।

(খ) চৰকাৰী নিম্ন বুনিয়াদী বিদ্যালয়ত মুঠ - ৭৭ জন।

(গ) চৰকাৰে বান্ধি দিয়া নীতি নির্দ্দেশনাৰ মতে আৰু কিছুমান ব্যক্তিগত আবেদনৰ ওপৰত সঞ্চালকৰ আদেশৰ ভিত্তি নিযুক্তি দিয়া হৈছে।

(ঘ) নিযুক্তিৰ ক্ষেত্ৰত ৰোষ্টাৰ মানি চলিব লাগে। আৰু ৰোষ্টাৰ মানি চলিবলৈ জিলা আৰু মহকুমা শিক্ষা বিষয়া সকলক নির্দ্দেশ দি অহা হৈছে।

(ঙ) বিতং ভাবে জানিবৰ বাবে তথ্য বিচৰা হৈছে।

(চ) এই ক্ষেত্ৰত তথ্য পোৱাৰ পিচত বিধিমতে ব্যৱস্থা গ্ৰহন কৰা হব।

## বিষয় ঃ প্ৰাথমিক বিদ্যালয়ত ইংৰাজী শিক্ষা প্ৰৱৰ্ত্তন।

**শ্ৰী শুকুৰ আলীয়ে সুধিছে ঃ**

* ১৫৭। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চলিত বছৰত সকলো প্ৰাথমিক বিদ্যালয় ইংৰাজী শিক্ষা প্ৰৱৰ্ত্তন কৰা হবনে?

(খ) যদি হয়, তেন্তে অতিৰিক্ত শিক্ষক নিযুক্তিৰ ব্যৱস্থা কৰা হৈছেনে?

(গ) প্ৰাথমিক বিদ্যালয়ত ইংৰাজী শিক্ষাৰ বাবে তিনিখন পাঠ্যপুথি নিৰ্বাচন কৰা সঁচানে? যদি সঁচা, তেন্তে কোনে এই পাঠ্যপুথি বাছনি কৰিলে?

(ঘ) এইটো অভিযোগ সঁচানে যে নিৰ্বাচন কৰা পাঠ্যপুথি তিনিখন নিম্ন মানদণ্ডৰ?

**শ্ৰী থানেশ্বৰ বড়ো (মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) চলিত বছৰত প্ৰাথমিক বিদ্যালয় সমূহত ইংৰাজী আক্ষৰিক আৰু সাংখ্যিক শিক্ষা প্ৰৱৰ্ত্তনৰ ব্যৱস্থা কৰা হৈছে।

(খ) অতিৰিক্ত শিক্ষক নিযুক্তিৰ বিষয়ে বৰ্ত্তমানে কোনো ব্যৱস্থা লোৱা নাই।

(গ) হয় সঁচা। অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ দ্বাৰা প্ৰস্তুত কৰা হৈছে আৰু অসম চৰকাৰৰ প্ৰাথমিক শিক্ষা সঞ্চালকালয়ৰ দ্বাৰা অনুমোদন কৰা হৈছে।

(ঘ) পাঠ্যপুথি তিনিখন নিম্ন মানদণ্ডৰ নহয়। মাত্ৰ ইংৰাজী আক্ষৰিক পাঠ্যপুথি খনৰ (ইংলিছ প্ৰাইমাৰৰ) ক্ষেত্ৰত উচ্চাৰণৰ সুবিধাৰ্থে বৰ্ণৰ (আখৰৰ) কাষত দিয়া অসমীয়া উচ্চাৰণৰ শব্দ কেইটামানত আসোঁৱাহ থকা বুলি বুদ্ধিজীৱি সকলৰ পৰা আপত্তি উঠিছে।

## Re.: Arrear dues of the College teachers.

**Shri Sukhendu Shekhar Dutta asked :**

* 158. Will the Minister of Education be pleased to state :

(a) Whether the Government has cleared arrear dues of the College teachers of Assam, who have been placed in Selection Grade in 1986?

(b) If not, what is the reason of not clearing the dues?

(c) When it will be cleared?

**Sri Thaneswar Boro (Minister) replied :**

(a) Partially cleared.

(b) Due to in-sufficiency of fund.

(c) On availability of fund.

## Re.: Appoints the lecturers in Junior College.

**Shri Binod Gayary asked :**

* 159. Will the Minister of Education be pleased to state :

(a) What measures the Government has taken to appoint the lecturers in Junior College as 38 Nos. of Colleges have already been taken under deficit system by passing "The Assam Junior College (Provincialisation) Act Replealing Act, 1998" in the Assam Assembly?

(b) How many posts will be alloted against each subjects?

**Sri Thaneswar Boro (Minister) replied**

(a)(b)The matter relating to appointment of lecturer and allotment of posts against each subject is under consideration.

## বিষয় ঃ উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়।

**শ্ৰী আলাউদ্দিন সৰকাৰে সুধিছে ঃ**

* ১৬০। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্যৰ উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয় সমূহৰ ক্ৰমে আবৰি সংস্কৃত, হিন্দী আৰু বিষয় শিক্ষক আদিৰ নিয়মীয়া পদ সমূহ বহুদিনৰ পৰা খালি হৈ থকাৰ কথা চৰকাৰে অৱগতনে?

(খ) যদি অৱগত, উক্ত পদসমূহৰ পূৰণৰ বাবে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে।

**শ্ৰী থানেশ্বৰ বড়ো (মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) হয়, অৱগত।

(খ) পদ সমূহৰ পূৰণৰ বাবে ব্যৱস্থা লৈ থকা হৈছে।

## Unstarred Questions and Answers.

## বিষয় ঃ অধ্যক্ষৰ বিৰুদ্ধে ৰাজহুৱা অভিযোগ।

**শ্ৰী আলী আকবৰ মিঞাই সুধিছে ঃ**

১৯৬। মানীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ধুবুৰী জিলাৰ বৰকান্দা হায়াৰ চেকেন্দাৰীৰ অধ্যক্ষ আনোৱাৰ হুছেইনৰ বিৰুদ্ধে ৰাজহুৱা অভিযোগ দাখিল কৰা বিষয়ে চৰকাৰ অৱগতনে? যদি সঁচা বিভাগীয় কোনো ব্যৱস্থা গ্ৰহণ কৰিছেনে? (অভিযোগ আদিৰ প্ৰতিলিপি সদনৰ মজিয়াত দাখিল কৰিব লাগে)।

(খ) অধ্যক্ষ জনৰ বিৰুদ্ধে বিলাসীপাৰা থানাত নং ২৭০/৯৮ ধাৰা ৪২০/৪২৭/৩ আই,পি,চিৰ কেচ পঞ্জীয়ন হৈছে আৰু তেওঁ বৰ্ত্তমান কোৰ্টৰ পৰা 'এন্টিছিপেটৰী জামিনত' আছে সঁচা নে? উক্ত কেচৰ বিষয়টো বিভাগীয় তদন্তটো সঁচা বুলি প্ৰমাণিত হৈছে সঁচা নে?

**শ্ৰী থানেশ্বৰ বড়ো (মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) হয় অৱগত। বিভাগীয় ব্যৱস্থা গ্ৰহণ কৰি থকা হৈছে। (অভিযোগৰ প্ৰতিলিপি সদনৰ মজিয়াত দাখিল কৰা হ'ল)

(খ) সঁচা। বিষয়টো ধুবুৰী জিলাৰ স্কুল সমূহৰ পৰিদৰ্শকৰ দ্বাৰা তদন্ত কৰোৱা হৈছে আৰু তদন্তৰ প্ৰতিবেদন পৰীক্ষা কৰি থকা হৈছে।

## বিষয় ঃ ৰুগ্ন উদ্যোগৰ সংখ্যা।

**শ্ৰীমতী প্ৰনতি ফুকনে সুধিছে ঃ**

১৯৭। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

(ক) বৰ্ত্তমানলৈকে অসমত কিমানটা ৰুগ্ন উদ্যোগ আছে, চৰকাৰ অৱগতনে?

(খ) সেইবিলাক পুনৰ কাৰ্য্যক্ষম কৰিবলৈ কি ব্যৱস্থা কৰিছে?

**শ্ৰী গুনীণ হাজৰীকা (উদ্যোগ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) হয়, অৱগত. ৭৮৫১ টা ক্ষুদ্ৰ আৰু ১০ টা বৃহৎ আৰু মজলীয়া খণ্ডৰ উদ্যোগ আছে।

(খ) ৰুগ্ন উদ্যোগ সমূহৰ ভিতৰত ৫ টা ৰাজহুৱা খণ্ডৰ উদ্যোগক পুনৰ জীৱিত কৰণৰ উদ্দেশ্যে যুটীয়া খণ্ডত চলোৱাৰ বাবে ১৯৯৬ চনতে সিদ্ধান্ত গ্ৰহন কৰিছে আৰু তাৰ বাবে যাবতীয় ব্যৱস্থা কৰি থকা হৈছে। অন্যান্য ৰুগ্ন ক্ষুদ্ৰ উদ্যোগ সমূহৰ ক্ষেত্ৰত চৰকাৰে "Assam Industrial Relief Undertaking (Special provision) Act, 1984,"ৰ অধীনত উপযুক্ত ব্যৱস্থা লয়। ইয়াৰোপৰি ৰুগ্ন উদ্যোগ সমূহৰ পুনৰ জীৱিত কৰণৰ বাবে এখন State Level Inter Institutional Committee গঠন কৰা হৈছে। এই কমিটিয়ে সময়ে সময়ে ৰুগ্ন উদ্যোগ সমূহৰ সমস্যাৱলীৰ ওপৰত পৰ্য্যালোচনা কৰি উপযুক্ত পৰামৰ্শ আগবঢ়ায়। ইয়াৰ ভিত্তিত চৰকাৰে বিহিত ব্যৱস্থা গ্ৰহন কৰে।

## Re.: Lift Irrigation Schemes.

**Shri Dinesh Prasad Gowala asked :**

198. Will the Minister of Irrigation be pleased to state:

(a) The Lift Irrigation Schemes completed under Silchar Irrigation Division? (Please furnish name of schemes).

(b) The total schemes that are functioning? (Please furnish by name).

(c) What is the total area of land covered by Irrigation by these schemes?

(d) What is the total No. of schemes not functioning and why? (Please furnish by name)

(e) Whether the Government has taken any step to make these schemes functional?

**Shri Abdul Muhib Mazumdar (Irrigation Minister) replied :**

(a) 15 (fifteen) No.2. (List as per Annexure-I enclosed).

(b) 6 (six) Nos. completed schemes and one No partially completed schemes. (List as per Annexure-II enclosed. (See Annexure-III).

(c) 1411 Hectares.

(d) 9 (none) nos. Reasons for not functioning of the schemes are mentioned against each of the schemes as per Annexure-III enclosed. (See Annexure-IV).

(e) Yes, subject to availability of adequate fund.

## Re.: Post in Cotton College.

**Shri Pradyut Bordoloi asked :**

199. Will the Minister of Higher Education pleased to state :

(a) Is it true that there was Govt. decision to creat an academic post of Rector in Cotton College?

(b) Is it also true that the Education Deptt. has given necessary sanction for filling up the post of Rector in Cotton College?

(c) If so, why has not anybody been appointed as Rector in Cotton College?

**Sri Thaneswar Boro (Minister) replied :**

(a) Yes.

(b) Yes.

(c) Rector in Cotton College will be appointed as soon as the recommendation is received from Selection Committee.

## বিষয় ঃ প্ৰাদেশীকৃত হাইস্কুলৰ পৰিসংখ্যা।

**শ্ৰী হীৰেণ কুমাৰ দাসে সুধিছে ঃ**

২০০। মাননীয় মাধ্যমিক আৰু প্ৰাথমিক শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) দৰং জিলাত কিমানখন প্ৰাদেশীকৃত হাইস্কুল আছে এই স্কুলসমূহত মুঠ

শিক্ষকৰ সংখ্যা কিমান জন? (বিদ্যালয় অনুসৰি শিক্ষকৰ মুঠ পৰিমান দিব)

(খ) দৰং জিলাত মুঠ কিমানখন হাইস্কুলত প্ৰধান শিক্ষক অৱসৰৰ পাচত ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষকে কাম কৰি আছে? স্থায়ী ভিত্তিত কেতিয়াকৈ প্ৰধান শিক্ষক নিযুক্তি দিব জনাবনে?

(গ) দৰং জিলাৰ মঙলদৈত অৱস্থিত পৰিদৰ্শকৰ কাৰ্য্যালয়ৰ গাড়ী এখন আছে নেকি? যদি আছে সেইখন এতিয়া কত আছে?

**শ্ৰী থানেশ্বৰ বড়ো (মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ৮৩ **খন হাইস্কুল। মুঠ শিক্ষকৰ সংখ্যা** - ১০১৮ জন।
(তালিকা গাঁঠি দিয়া হ'ল) (See the Annexure-IV)

(খ) ২ খন হাইস্কুলত। চৰকাৰৰ বিবেচনাধীন।

(গ) হয়। গাড়ীখন বৰ্ত্তমান অচলাৱস্থাত মঙলদৈ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষৰ চৰকাৰী আৱাসগৃহৰ চৌহত আছে।

## Re. : Director of Elementary Education.

**Dr. Ardhendu Kumar Dey asked :**

201. Will the Minister of Education be pleased to State:

(a) Whether any appointment was given recently under Black Board Operation?

(b) If so, how many appointments were given by the Director of Elementary Education?

(c) Whether the present Director of Elementary Education is under extension after his retirement?

(d) If so, under that circumstances extension was given to him?

**Shri Thaneswar Boro (Minister) replied :**

(a) Yes.

(b) 35 in Govt. Middle Schools.

(c) Yes. For one month only

(d) Extension of service for a period of one month with effect from 1/3/99 was granted due to the

ongoing Budget Session.

## বিষয় ঃ মহকুমা ভিত্তিত শিক্ষক বাছনি।

**শ্ৰী আব্দুৰ ৰৌফে সুধিছে ঃ**

২০২। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১৯৯৭ ইং চনত বৰপেটা মহকুমা ভিত্তিত শিক্ষক বাছনি কৰা কাৰণে গঠিত বোৰ্ডৰ দ্বাৰা প্ৰাৰ্থী সকলক বৰপেটা জিলাৰ প্ৰত্যেকটো সমষ্টিতেই বাছনি অনুযায়ী চাকৰি নিদিয়া কথাটো সঁচানে?

(খ) সৰভোগ আৰু জনীয়া সমষ্টি ভিত্তিত একেখন বোৰ্ডে বাছনি কৰা প্ৰাৰ্থী সকলৰ ভিতৰত জনীয়া সমষ্টিৰ নিযুক্তি নিদিয়াৰ কাৰণ কি?

(গ) জনীয়া সমষ্টিত, সমষ্টি ভিত্তিত বোৰ্ডে বাছনি কৰা ধৰণে প্ৰাৰ্থীক নিযুক্তি দিব হবনে? যদি হয়, কেতিয়া হব?

**শ্ৰী থানেশ্বৰ বড়ো (মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) হয়।

(খ) জনীয়া সমষ্টিত শিক্ষক বাছনি প্ৰক্ৰিয়া নোহোৱা কাৰণে বোৰ্ডৰ কাৰ্য্যকালৰ সময়ছোৱাত নিযুক্তি দিব পৰা নহল।

(গ) যদি প্ৰস্তুত কৰা বাছনি তালিকা উপদেষ্টা বোৰ্ডে অনুমোদন কৰিছে তেনেহলে নিযুক্তি দিব পৰা যাব।

মহকুমা ভিত্তিত উপদেষ্টা সমিতি পুনৰ গঠণ হলে নিযুক্তি প্ৰক্ৰিয়া আৰম্ভ কৰিব পৰা যাব।

## বিষয় ঃ জলসিঞ্চন নতুন আঁচনি।

**শ্ৰী অতুল বৰাই সুধিছে ঃ**

২০৪। মাননীয় জলসিঞ্চনৰ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চলিত বছৰত জলসিঞ্চন কিমানখন পুৰণি আঁচনি কাৰ্য্যকৰী কৰিবলৈ ব্যৱস্থা লোৱা হৈছে। প্ৰতিখন জিলাৰ আঁচনি সমূহৰ নাম সমূহ জনাবনে?

(খ) বৰ্ত্তমান চৰকাৰে কিমানখন জলসিঞ্চনৰ নতুন আঁচনি গ্ৰহণ কৰিছে? এই আঁচনিৰ ক'ত ক'ত লোৱা হৈছে আৰু কিমান ধন ধাৰ্য্য কৰা হৈছে?

**শ্ৰী আব্দুল মুহিম মজুমদাৰ (জলসিঞ্চন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) মেৰামতিৰ বাবে বছৰেকীয়া বিত্তীয় আৱন্টনৰ সাপেক্ষেহে পুৰণি আঁচনি সমূহৰ কাৰ্য্যকৰী কৰাৰ ব্যৱস্থা লোৱা হয়। গতিকে জিলা ভিত্তিত আঁচনিৰ নাম উল্লেখৰ প্ৰশ্ন নুঠে।

(খ) ১৯৯৮-৯৯ চনত জলসিঞ্চনৰ বিভাগত কোনো নতুন আঁচনি লোৱা নাই। গতিকে বিতং তথ্যৰ প্ৰশ্ন নুঠে।

## Re. : Died in Accident.

**Shri Bimolangshu Roy asked :**

205. Will the Minister of Irrigation be pleased to state:

(a) Is it a fact that one Nazrul Haque Mazumdar died in accident on 13/2/96 while he was plying tractor of the Irrigation Department at village Niargram near Sonai in Cachar though not an employee of the Department?

(b) Is it a fact that Silchar P.S. Case NO. 15 of 1996 was registered regarding the incident and the matter was also investigated by S.E., Irrigation and detailed report was submitted by him to the higher authority?

(c) What action has been taken on the basis of report of S.E., Irrigation?

(d) Will the Government take any action against the officer responsible for the incident?

(e) If so, when? If not, why?

**Shri Abdul Muhib Mazumdar (Irrigation Minister) replied :**

(a) Yes, it is reported by S.E., Cachar Circle after 3 years of the incident occured.

(b) Yes, as reported by S.E., Cachar Circle. As per report of the S.E. he had enquired into the matter and submitted the report to the Government.

(c) The report of the S.E., Irrigation, Cachar Circle was found to be conflicting with some documents received by this Deptt. directly and not being a

comprehensive, Govt. contemplated to conduct an enquiry by the concerned Addl. C.E., Zone-V, Cachar.

(d) Yes, if found guilty.

(e) After completion of enquiry.

## Re. : Appointment on Ad-hoc basis.

**Shri Hemen Das asked :**

206. Will the Minister of Education be pleased to state:

(a) Whether a candidate selected by Selection Board is appointed on adhoc basis?

(b) Whether Govt. is aware that the Nagaon District H.E. School Teachers Selection Board (1986-90) selected Shri Budhan Chetry, Smti Rekha Mahanta, Renu Saikia etc. were selected for appointment in Koliabor Assembly Constituency?

(c) It is a fact that they were appointed by I.S. Nagaon on adhoc basis?

**Sri Thaneswar Boro (Minister of Education) replied :**

(a) Yes, after expiry of validity of select list the appointment were made on Adhoc basis.

(b) Yes.

(c) Yes, Mrs. Rekhar Mahanta and Renu Saikia were appointed on Adhoc basis on 3/3/90 and 5/8/95 respectively.

## বিষয় ঃ আমগুৰি মজলীয়া বিদ্যালয়।

**শ্ৰী ভূপেন ৰায়ে সুধিছে ঃ**

২০৭। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বঙ্গাইগাওঁ জিলাৰ প্ৰাথমিক শিক্ষা বিভাগৰ অন্তৰ্গত আমগুৰি মজলীয়া বিদ্যালয়ৰ হিন্দি শিক্ষক জনৰ বিৰুদ্ধে ৰাইজৰ কোনো ধৰণৰ অভিযোগ আছিলনে?

(খ) যদি আছিল, তেনেহলে কি কি অভিযোগ আছিল? (সেই অভিযোগৰ কপি সদনৰ মেজত দাখিল কৰিব)

(গ) সেই শিক্ষক জনৰ বিৰুদ্ধে শিক্ষা বিভাগে কেনে ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিছে?

**শ্ৰী থানেশ্বৰ বড়ো (শিক্ষা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) হয়। আমগুৰী মজলীয়া বিদ্যালয়ৰ হিন্দি শিক্ষকজনৰ বিৰুদ্ধে ৰাইজৰ লগতে তেওঁৰ শহুৰেকৰো কিছু অভিযোগ আছিল।

(খ) অধিকাংশ অভিযোগ তেওঁৰ অসামৰিক কাৰ্য্যকলাপ আৰু চৰিত্ৰহীনতা সম্পৰ্কীয়। ৩ (তিনি) খন অভিযোগৰ ফটোকপি সদনৰ ক্ষেত্ৰত দাখিল কৰা হৈছে)।

(See Annexure -V)

(গ) উত্থাপিত অভিযোগ আৰু উত্তৰ শালমৰা মহকুমাধিপতিৰ চিঠিৰ মৰ্ম্মে উক্ত হিন্দি শিক্ষক শ্ৰী আব্দুল জলিল চৰকাৰক উত্তৰ শালমাৰা মহকুমাত উপ পৰিদৰ্শকে তেওঁৰ ১৯/৮/৯৭ তাৰিখৰ আদেশ যোগে ৰাজিত পাৰা ছোৱালী মজলীয়া বিদ্যালয়লৈ বদলি কৰে। কিন্তু তেখেতে আদালতৰ আদেশ লৈ উক্ত বিদ্যালয়তে কাম কৰি আছে। বিষয়টো তদন্ত কৰিবলৈ নিৰ্দ্দেশ দিয়া হৈছে।

## বিষয় ঃ Founder Teacher নিয়মীয়াকৰণ।

**মোস্তাফা শ্বহীদুল ইছলামে সুধিছে ঃ**

২০৮। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্ত্তমান শিক্ষা বিভাগত কামৰূপ জিলাত কিমান খন প্ৰাইমাৰী এল,পি, স্কুলত তৃতীয় Founder Teacher য়ে কিমান চনৰ পৰা কাম কৰি আছে?

(বিদ্যালয়ৰ বিপৰীতে শিক্ষকৰ নাম ঠিকনা সদনৰ ক্ষেত্ৰত দিব)

(খ) এই Founder Teacher বোৰৰ পদ নিয়মীয়া নকৰাৰ কাৰণ কি জনাবনে?

(গ) যদি নিয়মীয়া কৰে, কেতিয়ালৈ কৰিব?

**শ্ৰী থানেশ্বৰ বড়ো (মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) কামৰূ জিলাত ৫২ খন প্ৰাথমিক বিদ্যালয়ত তৃতীয় Founder Teacher য়ে কাম কৰি আছে। ইয়াৰে এজন ১৯৮০ চনৰ পৰা, ২ জন

১৯৮৭ চনৰ পৰা, ৩ জন ১৯৮৮ চনৰ পৰা, ২ জন ১৯৮৯ চনৰ পৰা আৰু বাকীসকল ১৯৯০ চনৰ পৰা ১৯৯৫ চনৰ ভিতৰত নিযুক্তি পোৱা। (তালিকা সংলগ্ন কৰি দিয়া হল)
(See the Annexure - VI)

## বিষয় ঃ অসমত উদ্যোগৰ সংখ্যা।

**শ্ৰী দিলীপ কুমাৰ শইকীয়াই সুধিছে ঃ**

২০৯। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত বৰ্ত্তমান কিমানটা উদ্যোগ আছে জনাবনে? এই উদ্যোগ সমূহৰ ভিতৰত কিমানটা ক্ষুদ্ৰ উদ্যোগ আছে জনাবনে?

(খ) সম্প্ৰতি ৰাজ্যখনত থকা উদ্যোগ সমূহৰ ভিতৰত কিমানটা ৰুগ্ন অৱস্থাত আছে জনাবনে? এইবোৰ উদ্যোগক কাৰ্য্যক্ষম কৰি তোলাৰ কিবা ফলপ্ৰসু আঁচনি হাতত লৈছে নেকি?

(গ) বৰ্ত্তমান অসমৰ উৎপাদনক্ষম উদ্যোগৰ ভিতৰত কোন কোন উদ্যোগে কিমান পৰিমাণৰ সামগ্ৰী উৎপাদন কৰে জনবানে? উদ্যোগ সমূহৰ পৰা কিমান টকা ৰাজ্য চৰকাৰলৈ আহে জনাবনে?

**শ্ৰী গুনীণ হাজৰিকা (জলসিঞ্চন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) অসমৰ বৰ্ত্তমান ৩৪৩৭৫ টা উদ্যোগ আছে। ইয়াৰ ভিতৰত ৩৪২৪৫ টা ক্ষুদ্ৰ উদ্যোগ (৩১/৩/৯৮ লৈ)।

(খ) ভাৰতীয় ৰিজাৰ্ভ বেংকৰ মতে অসমত ৩১/৩/৯৮ লৈকে ৭৮৫১ টা ক্ষুদ্ৰ উদ্যোগ 'ৰুগ্ন' অৱস্থাত আছে। ইয়াৰ উপৰিও মজলীয়া আৰু বৃহৎ খণ্ডৰ ১০ টা উদ্যোগ ৰুগ্ন অৱস্থাত আছে।

ৰাজ্যখনত ৰুগ্ন উদ্যোগ থকাটো চৰকাৰৰ জ্ঞাত। এই ক্ষেত্ৰত চৰকাৰে Assam State Industrial Relief Undertakings (Special Provision) Act, 1984 নামৰ এখন আইন যোগে ৰুগ্ন উদ্যোগ সমূহ পুনৰ জীৱিত কৰিবলৈ অনুমোদন জনাইছে। ইয়াৰ উপৰিও এখন ৰাজ্যিক ভিত্তিত বেংক চৰকাৰ আৰু উদ্যোগ সমূহক লৈ State Level Inter Institutional Committee গঠন কৰা হৈছে। উক্ত কমিটিয়ে ৰুগ্ন নামবোৰ চালি জাৰি চায় আৰু ইয়াক পুনৰ জীৱিত কৰিবলৈ পৰামৰ্শ দিয়ে।

মজলীয়া আৰু বৃহৎ উদ্যোগৰ পুনৰজীৱিত ক্ষেত্ৰত ভাৰত চৰকাৰৰ

Board for Industrial and Financial Reconstruction নামৰ এটা সংস্থাই যাবতীয় পৰামৰ্শ আগবঢ়ায়।

(গ) প্ৰত্যেক উদ্যোগ নিজৰ নিজৰ ক্ষমতা মতে সামগ্ৰী উৎপাদন কৰে। সেই সামগ্ৰী উৎপাদনৰ পৰা বিক্ৰী মূল্যত বা কেঁচা মাল কিনা মূল্যত ৰাজ্য চৰকাৰৰ দ্বাৰা নিৰ্দ্ধাৰিত বিক্ৰী কৰ ইত্যাদি জমা দিয়ে। এনে কৰৰ পৰিমান বিত্ত বিভাগৰ পৰা জানিব পৰা যাব।

## বিষয় ঃ অগভীৰ নলীনাদ।

**শ্ৰী আবু বক্কৰ ছিদ্দিক জোতদাৰে সুধিছে ঃ**

২১০। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) নতুনকৈ অগভীৰ নলীনাদ বহুৱাৰ আঁচনি বৰ্ত্তমান চৰকাৰে হাতত লৈছেনে?

(খ) যদি লৈছে, তেন্তে গোৱালপাৰা জিলাত আঁচনি বৰ্ত্তমান চৰকাৰে হাতত লৈছেন?

**শ্ৰী আব্দুল মুহিব মজুমদাৰ (জলসিঞ্চন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) লোৱা নাই।

(খ) প্ৰশ্ন নুঠে।

## বিষয় ঃ গেছ ক্ৰেকাৰ প্ৰকল্প।

**শ্ৰী পৃথ্বিবী মাঝিয়ে সুধিছে ঃ**

২১১। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ডিব্ৰুগড় জিলাৰ টেঙাখাটত স্থাপন কৰিবলগীয়া 'গেছ ক্ৰেকাৰ প্ৰকল্প'ৰ নিৰ্মাণৰ কাম আৰম্ভ কৰা হৈছেনে?

(খ) যদি হোৱা নাই কি পৰ্য্যালয়ত আছে জনাবনে?

(গ) এই প্ৰকল্প নিৰ্মাণৰ কাম কেতিয়া আৰম্ভ কৰা হব আৰু কেতিয়া সম্পূৰ্ণ কৰা হব?

**শ্ৰী গুনীণ হাজৰিকা (উদ্যোগ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) হোৱা নাই।

(খ) প্ৰকল্পৰ বাবে প্ৰয়োজনীয় কেচাঁমাল যোগানৰ চুক্তি অইল ইণ্ডিয়া লিমিটেড আৰু ৰিলায়েঞ্চ আসাম পেট্ৰকেমিকেলচ্ লিমিটেডৰ মাজত এতিয়ালৈ সম্পন্ন নোহোৱাৰ বাবে প্ৰকল্প নিৰ্মানৰ কাম আৰম্ভ হোৱা নাই।

(গ) গেছ যোগানৰ চুক্তি ৪৪ মাহৰ ভিতৰত প্ৰকল্পৰ কাম সম্পূৰ্ণ কৰিব বুলি

ৰিলায়েঞ্চ ইণ্ডাষ্ট্ৰিজ লিমিটেডে সময়সূচী নিৰ্দ্ধাৰিত কৰিছে।

## Re. : Autonomous Council.

**Shri Samarjit Haflongbar asked :**

212. Will the Minister of Higher Education be pleased to state :

(a) Whether the Higher Education has been entrusted or delegated to the Autonomous Council as per MOU.

(b) If not, why?

(c) When it will be entrusted?

**Sri Thaneswar Boro (Minister) replied :**

(a) Yes, college Education (General) is entrusted to Autonomous District Councils.

(b) Does not arise.

(c) Does not arise.

## Re. : Appointment of Assistant Teachers (Stipendary).

**Shri Sambhusing Mallah asked :**

213. Will the Minister of Elementary Education be pleased to state :

(a) It is a fact that large number of appointments in Primary Schools have been made as assistant Teacher (stipendary) in Karimganj District by the D.I. of Schools during the tenure of the present Government?

(b) Whether D.I. has been given the direction to issue such appointment letters in back date and if so, who has given the order.

(c) What is the total numbers of Teachers appointed as such in Karimganj district? (Name and address

of the appointee and school may kindly be furnished in the Table of the House)

(d) What action has been taken against these officials who were involved in these appointments?

**Sri Thaneswar Boro (Minister) replied :**

(a) Only 4(four) Asstt. teachers were appointed during the tenure of the present Govt.

(b) D.I. of Schools, Karimganj was given instruction to issue appointment letter in persuance of the order of the Hon'ble High Court in time but not on back date.

(c) Only 4(four) numbers L.P. School teachers were appointed as Asstt. teacher in Karimganj District.

The name of the appointee address and shools are iven below :-

1. Smti Archana Dey - 511 Masli L.P. School, Badarpur.

2. Shri Chandra Babu Singh - 47 Baskeltilla L.P. School (R.K. Nagar Block)

3. Shri Hiranmoy Roy - 469 Vivekananda L.P. Schools (R.K. Nagar Block)

4. Smti Sikha Dey - 71 Sarisha L.P. School (Karimganj Town).

(b) Does not arise.

## Re. : Venture L.P. Schools.

**Shri Dileswar Tanti asked :**

214. Will the Minister of Education be pleased to state:

(a) Whether the Government has any proposal for provincialising the Venture L.P. Schools of Assam in the current financial year?

(b) If yes, upto which year of established of the schools will be taken up?

**Sri Thaneswar Boro (Minister) replied :**

(a) Under consideration.

(b) Subject to availability of fund.

## বিষয় ঃ স্থায়ী অধ্যক্ষ আৰু উপাধ্যক্ষ নিযুক্তি।

**ডাঃ কল্যাণ কুমাৰ গগৈয়ে সুধিছে ঃ**

২১৫। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ডিব্ৰুগড় চৰকাৰী উচ্চতৰ মাধ্যমিক বালক বিদ্যালয়ৰ অধ্যক্ষ আৰু উপাধ্যক্ষৰ পদ দুটিত আজি প্ৰায় তিনিবছৰে কিয় স্থায়ী অধ্যক্ষ আৰু উপাধ্যক্ষ নিযুক্তি হোৱা নাই?

(খ) যিজন সহকাৰী শিক্ষকৰ অধ্যক্ষৰ কাৰ্য্যভাৰ চলাবলৈ দায়িত্ব দিছে সেইজনৰ নাম জ্যেষ্ঠতাৰ তালিকাত শেষৰ ফাললৈহে আছে সঁচানে আৰু একেখন তালিকাতে একেখন বিদ্যালয়ৰ শিক্ষকৰ নাম ক্ৰমিক নং ১ৰ পৰা ১০ ভিতৰত থকা স্বত্বেও জ্যেষ্ঠ জনক দিয়া নহল কিয়?

(গ) বৰ্ত্তমান অধ্যক্ষৰ দায়িত্বত থকা শিক্ষকজনক দায়িত্ব দিবৰ বাবে সেই সময়ৰ জিলা বিদ্যালয় সমূহৰ পৰিদৰ্শকৰ অনুমোদন লৈছিল নে?

(ঘ) যদি লৈছিল জ্যেষ্ঠতাৰ তালিকা বা বিদ্যালয়ৰ নথী পৰীক্ষা নকৰাকৈ জিলা পৰিদৰ্শকে কি ভিত্তিত অনুমোদন দিছিল জনাবনে?

(ঙ) বৰ্ত্তমান অধ্যক্ষৰ দায়িত্বত থকা শিক্ষকজনে বিদ্যালয়খনৰ ১৫০ বছৰীয়া জয়ন্তীৰ নামত প্ৰতিজন ছাত্ৰৰ পৰা যোৱা বছৰ ৫০ (পঞ্চাশ) টকাকৈ সংগ্ৰহ কৰিছিল সঁচানে আৰু বিদ্যালয়ৰ ১৫০ বছৰীয়া নামত বনোৱা বেজ সমূহ চলিত বছৰত পুনৰ একেখিনি ছাত্ৰকে ১০ (দহ) টকাকৈ বিক্ৰী কৰাটো সঁচানে?

(চ) তাৰোপৰি ১৫০ বছৰীয়া জয়ন্তী হৈ যোৱাৰ পাচতো চলিত বছৰত নতুনকৈ ভৰ্ত্তি হোৱা ছাত্ৰৰ পৰা ৫০ (পঞ্চাশ) টকাকৈ লোৱা হৈছে সঁচানে?

**শ্ৰী থানেশ্বৰ বড়ো (মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) স্থায়ী অধ্যক্ষ নিয়োগৰ বাবে চৰকাৰে যাবতীয় তথ্য সমূহ সংগ্ৰহ কৰি আছে।

ৰাজ্যিক ভিত্তিত প্ৰস্তুত কৰা জ্যেষ্ঠতাৰ তালিকাৰ পৰা উপাধ্যক্ষ নিৰ্ব্বাচন কৰা হয়। নগাওঁ চৰকাৰী বালিকা বিদ্যালয়ৰ নিৰ্ব্বাচিত উপাধ্যক্ষা শ্ৰীমতী পঙ্কজা শইকীয়াক উক্ত বিদ্যালয়ত নিযুক্তি দিয়া হৈছিল। কিন্তু তেখেতে যোগদান নকৰাত পদটো খালি হৈ আছে। তালিকাৰ নিৰ্ব্বাচিত অন্য প্ৰাৰ্থীক উক্ত বিদ্যালয়ত উপাধ্যক্ষ হিচাবে নিযুক্তি দিয়াৰ ব্যৱস্থা লৈ থকা হৈছে।

(খ) বৰ্ত্তমানে কাৰ্য্যভাৰ চলাই থকা শিক্ষক জনৰ নাম নিৰ্ব্বচিত উপাধ্যক্ষৰ তালিকাৰ ৪৬ নম্বৰত আছে, উক্ত বিদ্যালয়ত তেখেততকৈ জ্যেষ্ঠ শিক্ষক/শিক্ষয়িত্ৰী নাই সেয়ে তেখেতক নিয়মীয়া অধ্যক্ষ নিযুক্তি নোহোৱালৈকে কাৰ্য্যভাৰ চলাবলৈ দিয়া হৈছে।

(গ) অধ্যক্ষ/উপাধ্যক্ষ নাথাকিলে জ্যেষ্ঠতম শিক্ষক/শিক্ষয়িত্ৰী গৰাকীক অধ্যক্ষৰ দায়িত্বভাৰ লবলৈ দিয়া নহয়। এইক্ষেত্ৰত বিদ্যালয় পৰিদৰ্শকৰ অনুমোদন নাথাকিলেও দৈনন্দিন কাম চলাবৰ বাবে বিদ্যালয়খনৰ জ্যেষ্ঠতম শিক্ষক/শিক্ষয়িত্ৰী গৰাকীক অধ্যক্ষৰ দায়িত্ব সাময়িক ভাবে দিয়া হয়।

(ঘ) প্ৰশ্ন নুঠে।

(ঙ)(চ) এই বিষয়ে কোনো অভিযোগ বৰ্ত্তমান নাই যদিও বিষয়টোৰ ওপৰত তদন্ত কৰি মতামত দিব পৰা হব।

## বিষয় ঃ চাহ বাগিছাত প্ৰাথমিক বিদ্যালয়ৰ সংখ্যা।

**শ্ৰী ভূপেন্দ্ৰ নাথ ভূঞাই সুধিছে ঃ**

২১৬। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ চাহ বাগিছাত প্ৰাথমিক বিদ্যালয় কিমান সংখ্যক আছে?

(খ) কিমান সংখ্যক চাহ বাগিছাৰ প্ৰাথমিক বিদ্যালয় বাগিছা কৰ্ত্তৃপক্ষৰ দ্বাৰা পোনপটীয়াভাবে পৰিচালিত হৈছে?

(গ) কিমান সংখ্যক চাহ বাগিছাৰ প্ৰাথমিক বিদ্যালয় পোনপটীয়া ভাবে অসম চৰকাৰৰ শিক্ষা বিভাগৰ অধীনত আছে?

(ঘ) অসমৰ চাহ শিল্পৰ চাহ মজদূৰৰ লৰা-ছোৱালীৰ প্ৰাথমিক শিক্ষা দানৰ ক্ষেত্ৰত এই দুতৰপীয়া নীতি শিক্ষা বিভাগে কি কাৰণত প্ৰবৰ্ত্তন কৰিব লগা হ'ল জনাবনে?

(ঙ) এই দুই তৰপীয়া নীতিৱ পৰিৱৰ্তে অসমৰ চাহ উদ্যোগৰ প্ৰাথমিক বিদ্যালয় সমুহ চৰকাৰৰ হাতলৈ হস্তান্তৰিত কৰি চৰকাৰৰ দ্বাৰা নিয়ন্ত্ৰণৰ

ব্যৱস্থা কৰাৰ বিষয়ে কিবা আঁচনি গ্রহণ কৰিবনে?

**শ্রী থানেশ্বৰ বড়ো (মন্ত্রী)য়ে উত্তৰ দিছে ঃ**

(ক) অসমৰ চাহ বাগিছাত প্রাথমিক বিদ্যালয়ৰ সংখ্যা ১১৫৪ খন।

(খ) ৫১১ খন প্রাথমিক বিদ্যালয় চাহ বাগিছা কৰ্তৃপক্ষৰ দ্বাৰা পোনপটীয়া ভাবে পৰিচালিত হৈছে।

(গ) ৫৮১ খন চাহ বাগিছাত প্রাথমিক বিদ্যালয় প্রাদেশীকৃত অর্থাৎ পোনপটীয়া ভাবে অসম চৰকাৰৰ শিক্ষা বিভাগৰ অধীনত আছে।

(ঘ) নীতিমতে বাগিছা কৰ্তৃপক্ষই চাহ মজদূৰৰ লৰা ছোৱালীৰ শিক্ষা দানৰ ব্যৱস্থা কৰিব লাগে। কিন্তু তেওঁলোকে কৰাখিনি পর্য্যাপ্ত নোহোৱাত ৰাজ্যিক চৰকাৰেও এওঁলোকক শিক্ষা দানৰ ব্যৱস্থা কৰিছে। সেইমতে ৰাজ্যিক ভিত্তিত চাহ বাগিছা আৰু প্রাক্তন চাহ মজদুৰ সকলৰ লৰা-ছোৱালীৰ শিক্ষাৰ উন্নতিকল্পে এখন ৰাজ্যিক ভিত্তিত শিক্ষা উন্নয়ন পৰিষদ আছে। এই পৰিষদৰ পৰামর্শ অনুযায়ী চৰকাৰে বাগিছা এলেকাত প্রাথমিক বিদ্যালয় প্রাদেশীকৰণ কৰাৰ ব্যৱস্থা কৰিছে। ফলত সামগ্রিকভাৱে চাহ মজদুৰ পৰিলায়ৰ লোকেই উপকৃত হৈছে।

(ঙ) চৰকাৰৰ আঁচনি অনুযায়ী যথাসম্ভৱ বিদ্যালয় প্রাদেশীকৰণৰ ব্যৱস্থা কৰিব পৰা যাব। কিন্তু বাগিছা কৰ্তৃপক্ষকো তেওঁলোকৰ দায়বদ্ধতাৰ পৰা ৰেহাই দিব পৰা নাযায়। উল্লেখ কৰিব পাৰি যে বিদ্যালয় প্রাদেশীকৰণৰ ক্ষেত্রত বাগিছা কৰ্তৃপক্ষ আগ্রহী নহয়।

## Re. : Bodo Medium Schools.

**Shri Binod Gayary asked :**

217. Will the Minister of Education be pleased to state:

(a) Whether the students of Bodo Medium Schools (Elementary Section) are suffering hard due to non-distribution of Text Books in this current year?

(b) If so, what measures the Government has taken for free distribution of Text Books in these Bodo Medium Schools?

(c) Is it a fact that the Assam Text Book Production

Corporation is not printing Bodo Text Books?

(d) If so, what are the grounds?

**Sri Thaneswar Boro (Minister) replied :**

(a) No. Books for Bodo Medium students have been under issued alongwith books of other mediums.

(b) Does not airse.

(c) It is not a fact.

(d) Does not arise.

## বিষয় ঃ মহানগৰীত প্ৰদূষণ বৃদ্ধি।

**শ্ৰী হীৰেণ কুমাৰ দাসে সুধিছে ঃ -**

২১৮। মাননীয় প্ৰযুক্তিবিদ্যা আৰু পৰিবেশ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৃহত্তৰ গুৱাহাটী মহানগৰীৰ যানবাহনৰ প্ৰচণ্ড শব্দ (লগতে Horn) আৰু ধোঁৱাই মহানগৰীৰ বায়ুমণ্ডল দূষিত কৰি জনসাধাৰণক অতিষ্ঠ কৰাৰ সম্পৰ্কে জানেনে?

(খ) যদি জানে, তেন্তে ধোঁৱা আৰু শব্দ নিয়ন্ত্ৰণ কৰাৰ কিবা বৈজ্ঞানিক পদ্ধতি আৰু বিভাগীয় ব্যৱস্থা আছেনে? পদ্ধতি আৰু ব্যৱস্থাবোৰ কি কি জনাবনে?

(গ) গুৱাহাটী উজান বজাৰত ব্ৰহ্মপুত্ৰ পাৰত 'সতী ৰাধিকা' শান্তি পাৰ্কৰ আধাৰ শিলা স্থাপন (সম্ভৱত ১৯৮৬ চনত) পৰিবেশ বিভাগৰ পৰা কৰা হৈছিল নেকি? যদি হৈছিল কাৰ্য্যকৰী ব্যৱস্থা কেতিয়া ল'ব?

**শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত (বিজ্ঞান, প্ৰযুক্তিবিদ্যা আৰু পৰিবেশ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) হয়, জ্ঞাত।

(খ) যান বাহনৰ পৰা নিৰ্গত হব পৰা ধোঁৱাৰ প্ৰদূষণৰ মাত্ৰা নিয়ন্ত্ৰণৰ বাবে ১৯৮৯ চনৰ কেন্দ্ৰীয় যানবাহনৰ নিয়মাৱলীৰ ব্যৱস্থা আছে। এই ব্যৱস্থা অনুসৰি স্থানীয় পৰিবহন কৰ্তৃপক্ষই প্ৰতিখন গাড়ীতে প্ৰদূষণ নিয়ন্ত্ৰণৰ মানপত্ৰ দিয়াৰ ব্যৱস্থা আছে। সেই ধৰণেই ১৯৮৯ চনৰ কেন্দ্ৰীয় যানবাহনৰ নিয়মাৱলীৰ অধিনত গাড়ীত ব্যৱহাৰ কৰিব পৰা হৰ্ণৰ গুণা গুণ সম্পৰ্কে উল্লেখ আছে। কেন্দ্ৰীয় পৰিবহন কৰ্তৃপক্ষই এই নিয়মাৱলীৰ

কাৰ্য্যকৰী কৰণৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

(গ) হৈছিল। এই পাৰ্কৰ কাৰ্য্যকৰী ব্যৱস্থাৰ বাবে বিজ্ঞান, প্ৰযুক্তি বিদ্যা আৰু পৰিবেশ বিভাগে ১৯৮৬-৮৭ চনত, ২,৮০ লাখ টকা আৰু ১৯৮৭-৮৮ চনত ২,০০ লাখ টকা 'সতী ৰাধিকা শান্তি পৰিবেশ উদ্যান পৰিচালনা সমিতিৰ' সভাপতি কামৰূপ জিলাৰ সাহাৰ্য্য মঞ্জুৰী দিয়া হৈছিল।

## বিষয় ঃ বে-চৰকাৰী বিদ্যালয় সংখ্যা।

**শ্ৰী আব্দুৰ ৰৌফে সুধিছে ঃ**

২১৯। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্ত্তমান চৰকাৰৰ হাতত প্ৰাইমাৰী-মজলীয়া, উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক বে-চৰকাৰী বিদ্যালয় সমূহৰ সংখ্যা কিমান?

(খ) উক্ত বিদ্যালয় সমূহৰ প্ৰাদেশীকৰণ কৰাৰ কি আঁচনি চৰকাৰে হাতত লৈছে?

**শ্ৰী থানেশ্বৰ বড়ো (মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) বে-চৰকাৰী প্ৰাইমাৰী বিদ্যালয়ৰ সংখ্যা - ৮৩৫৭ খন, মধ্য ইংৰাজী বিদ্যালয়ৰ সংখ্যা - ১৫৬৩ খন। বে-চৰকাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ সংখ্যা - ৩২৫৫ খন আৰু বে-চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সংখ্যা - ৫৭১ খন।

(খ) বিষয়টো চৰকাৰৰ বিবেচনাধীন হৈ আছে।

## Re. : Non-Formal Education Programme.

**Sheikh Abdul Hamid asked :**

220. Will the Minister of Education be pleased to state:

(a) Whether Non-Formal Education Programme in the State is in running?

(b) If so, whether any survey have made for No. 45 Baghbar L.A.C.?

(c) What is the basis of N.F. Centre & No. of centres within No. 45 Baghbar L.A.C.? (Please state in details showing number students, teachers of each L.P. Schools & Justification of centres sanction).

**Sri Thaneswar Boro (Minister) replied :**

(a) Yes, the Non-Formal Education Programme has

been launched in Assam for the session 1998-2000 since 16/6/98 except in Cachar.

(b) The establishedof Non-Formal Education Centres in done through a process of survey. This survey is carried on at Educational Block level. The survey for Mandia Educational Block where the 45 No. Baghbar L.A.C. falls has been been carried out.

(c) A survey is made about the drop-out children of formal Educational institutions and other non-starter at Block level covering children of age group (8-11) years. The consolidated statement of survey done by supervisors is placed before the D.S.G. (State Steering Group) and Member of S.S.G. (State Steering Group). After threatbare discussion the Non-Formal Centres are selected for each educational block. Which is duly approved lateron by the Director, Non-Formal and Adult Education, Assam.

As for 45 Baghbar L.A.C. which falls under Mandia Educatonal Block the same procedure has been followed.

For each Educational Block a project of Non-Formal Education has been established and the total number of centres for each project as per central Govt.'s rule are 90 (ninety).

Other details such a number of student, teachers and justification of centres are detailed as under.

(i) Number of students @25 per centre are 25 x 90 =2250 for Mandia Educational Block (Project).

(ii) Number of teachers are 1 (one) for each centre are 90 x 1 = 90 for Mandia Educational Block.

(The relevant documents enclosed).

(See the Annexure - VII)

(iii) Justification : The Non-Formal Education Centres are sanctioned as per norms laid down by the Central Govt. since it is a Centrally Sponsored Scheme the number of centre for each educational block or project cannot be move than 90 (ninety). Accordingly the Mandia Non-Formal Education Project where the 45 Baghbar L.A.C. falls has been established.

## Re. : Memorandum of Understanding.

**Shri Prithibi Majhi asked:**

221. Will the Minister of Industries be pleased to state:

(a) Whether a memorandum of Understanding (MOU) has been accorded by the Government for leasing out the ferticem Ltd. of the Government in order to constitute joint sector company?

(b) With whom the joint sector participation has been constituted.

(c) What are there reasons for giving lease of Ferticemm Ltd?

(d) Please lay the MOU on the table of the House?

**Sri Gunin Hazarika (Industries Minister) replied:**

(a) Yes.

(b) M/s. Beas Foundries Pvt. Ltd., Delhi.

(c) For Revival of the Unit.

(d) A copy of the MOU for lease is placed in the House.

(See the Annexure - VIII)

## Re. : Sanskrit Tools.

**Shri Sambhusing Mallah asked:**

222. Will the Minister of Elementary & Secondary Education be pleased to state:

(a) Whether the government has adopted any clearcut policy to provincialised the Sanskrit Tools of the State within this year?

(b) That Departmental proceeding has been taken by the Government to provincialise the Sanskrit Tools of Karimganj District name GORAKHNATH SANSKRIT CHATUSPATHI?

(c) How many Sanskrit Pallitool/ Chauspathi are running in the State? (Please state District wise in the table of the house)

**Sri Thaneswar Boro (Minister) replied:**

(a) No.

(b) Gorakhnath Sanskrit Chatuspathi has not yet been upgraded for provincialisation and the matter will be considered when the proposal for provincialisation of Sanskrit Tools/Chatuspathi of the State is taken up.

(c) 81 Sanskrit Pali Tools/Chatuspathi are running in the State. (District wise list is placed in the table of the House). See the Annexure-IX)

## বিষয় ঃ অসম্পূৰ্ণ জিলা পুথিভঁৰাল।

**ডাঃ কল্যাণ কুমাৰ গগৈয়ে সুধিছে ঃ**

২২৩। মাননীয় উচ্চ শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ডিব্ৰুগড় জিলা পুথিভঁৰাল আজি পৰ্য্যন্ত পূৰ্ণ পৰ্য্যায়ৰ হৈ নুঠাৰ কাৰণ কি?

(খ) জিলা পুথিভঁৰাল সমূহক বছৰি কিতাপ-পত্ৰ ক্ৰয় কৰিবৰ বাবে চৰকাৰে

অনুদান আগবঢ়ায় নেকি?

(গ) ডিব্রুগড় জিলা পুথিভঁৰালখন বহুদিন মেৰামতিৰ অভাৱত জহি-খহি যোৱাৰ বিষয়ে চৰকাৰ অৱগতনে?

**শ্ৰী থানেশ্বৰ বড়ো (মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) ডিব্রুগড় জিলা পুথিভঁৰালখন বৰ্ত্তমান পূৰ্ণ পৰ্য্যায়ৰ পুথিভঁৰাল।

(খ) হয়, এই উদ্দেশ্যে চৰকাৰে পুথিভঁৰাল সঞ্চালকালয়লৈ অনুদান আগবঢ়ায়।

(গ) ৰাজহ শিতানত জমা হৈ থকা টকা মুকলি নোহোৱা বাবে মেৰামতিৰ কাম বন্ধ হৈ আছে।

## বিষয় ঃ চাহ শ্ৰমিকৰ পকা ঘৰ নিৰ্ম্মান।

**শ্ৰী ভূপেন্দ্ৰ নাথ ভুঞাই সুধিছে ঃ**

২২৪। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম চাহ নিগমৰ অধীনত কিমান সংখ্যক চাহ বাগিছা আছে জনাবনে?

(খ) উক্ত বাগিছাবোৰে যোৱা ১৯৯৭-৯৮ চনৰ বছৰত কিমান সংখ্যক শ্ৰমিকৰ পকা ঘৰ নিৰ্ম্মাণ কৰা হ'ল জনাবনে?

(গ) ৰঙা মাটি চাহ বাগিছা আৰু মিছামৰা চাহ বাগিছাত ফেক্টৰী নিৰ্ম্মানৰ বাবে কিবা আঁচনি প্ৰস্তুত কৰিছেনে?

(ঘ) যদি কৰিছে তেন্তে নিৰ্ম্মানৰ কাম কেতিয়াৰ পৰা হাতত লব জনাবনে?

**শ্ৰী গুনীণ হাজৰীকা (উদ্যোগ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) ১৫ (পোন্ধৰ) খন।

(খ) অসম চাহ নিগমৰ অধীনস্থ বাগিছা সমূহত ১৯৯৭-৯৮ চনত শ্ৰমিকৰ বাবে নতুনকৈ ঘৰ নিৰ্ম্মান কৰা হোৱা নাই। ১৯৯৮-৯৯ চনত নিগমে ২০০ (দুশ) টা পকাঘৰ নিৰ্ম্মানৰ কাম আৰম্ভ কৰিছে।

(গ) ৰঙা মাটি চাহ বাগিছাত ফেক্টৰী নিৰ্ম্মানৰ বাবে ইতিমধ্যে আঁচনি প্ৰস্তুত কৰা হৈছে। কিন্তু মিছামৰা চাহ বাগিছাত ফেক্টৰী নিৰ্ম্মানৰ বাবে নিগমে বৰ্ত্তমান কোনো আঁচনি প্ৰস্তুত কৰা নাই।

(ঘ) ৰঙা মাটি চাহ বাগিছাই বৰ্ত্তমান উৎপাদন কৰা কেঁচা পাত লাভজনক ভাবে ফেক্টৰী চলাবৰ বাবে যথেষ্ট নহয়। এই উৎপাদন ১৫ লাখ কিঃ গ্ৰাঃ কেচাপাত পৰিমানৰ পৰা বৃদ্ধি হৈ লাখ কিঃ গ্ৰাঃৰ লক্ষ্যত উপনীত হলে ফেক্টৰী নিৰ্ম্মানৰ কাম হাতত লোৱা হব।

বিষয় ঃ কলেজ প্ৰাদেশীকৰণ।

**শ্ৰী হীৰেণ কুমাৰ দাসে সুধিছে ঃ**

২২৫। মাননীয় উচ্চ শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) দৰং জিলাৰ একমাত্ৰ মঙ্গলদৈ কন্যা মহাবিদ্যালয় আৰু জিলাখনৰ একমাত্ৰ মঙ্গলদৈ বাণিজ্য মহাবিদ্যালয়খন প্ৰাদেশীকৰণ কৰাৰ ব্যৱস্থা কৰিছে নেকি?

(খ) যদি অৱগত, উক্ত মহাবিদ্যালয়খনৰ শিক্ষাৰ মান দণ্ডৰ লগতে উৰ্ত্তীণ হাৰ অতি সন্তোষজনক, গতিকে জিলাখনৰ ছাত্ৰ-ছাত্ৰীৰ বিশেষ ভাৱে দুখীয়া ছাত্ৰ-ছাত্ৰীৰ সুবিধালৈ চাই কলা আৰু বিজ্ঞান শাখাৰ পাঠ্যক্ৰম খোলাৰ ব্যৱস্থা কৰিব নেকি?

**শ্ৰী থানেশ্বৰ বড়ো (মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) বৰ্ত্তমানে কলেজ প্ৰাদেশীকৰণৰ কোনো আঁচনি নাই।

(খ) অৱগত।

(গ) কলা আৰু বিজ্ঞান শাখাৰ পাঠ্যক্ৰম চলি আছে।

**Re. : Deplorable Condition of the Irrigation Project.**

**Shri Dileswar Tanti asked :**

226. Will the Minister of Irrigation be pleased to state:

(a) Whether the Government is aware about the deplorable condition of the irrigation project at Phillobari under the Tinsukia District?

(b) What step the Government has proposed to improve the same in near future?

**Sri Abdul Muhib Mazumdar (Irrigation Minister) replied :**

(a) Yes.

(b) Necessary Estimate for restoration and improvement of the Scheme have been prepared and subject to the availability of adequate fund improvement of the same can be taken up.

## Re. : New Industrial Policy.

**Shri Prithibi Majhi asked :**

227. Will the Minister of Industries be pleased to state:

(a) Whether Government is proposing to take necessary steps for implementation of New Industrial Policy in the State?

(b) If so, when?

(c) If not, what are the reasons?

**Sri Gunin Hazarika (Industries Minister) replied :**

(a) Government has already taken necessary steps for implementation of the New Industrial Policy of Assam, 1997 since 1/4/97.

(b) Do.

(c) Does not arise.

## Re. : Bench & Desks.

**Shri Sambhusing Mallah asked :**

228. Will the Minister of Elementary Education be pleased be state :

(a) Whether Government has any scheme to provide furniture etc. to the L.P. Schools M.E. Schools? (give details).

(b) It is a fact that so many L.P. School are running without Bench & Desk in Karimganj District?

(c) How many such L.P. Schools are running under Ramkrishna Nagar Block Elementary Education Officer in Karimganj District?

(d) What decision will the Government take of provide atleast Benches in these Primary Schools?

**Shri Thaneswar Boro (Minister) replied :**

(a) Government has scheme to provide furniture etc.

to schools under Elementary Education but due to want to fund the scheme could not be implemented.

(b) Partially true.

(c) Around 300 L.P. schools under Ram Krishna Nagar Block in Karimganj District have not Desk but a good number of schools have benches.

(d) It will be possible subject to availability of fund.

## বিষয় ঃ জলসিঞ্চন বান্ধ নির্মাণ।

**শ্ৰী হীৰেন কুমাৰ দাসে সুধিছে ঃ**

২২৯। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) মঙ্গলদৈ কলাইগাওঁ আৰু ছিপাঝাৰ সমষ্টিৰ অন্তৰ্গত কূলশী বান্ধাটোৰ কাম কিমানখিনি বাকী আছে? কেতিয়াকৈ এই বান্ধটোৰ পৰা কৃষক ৰাইজে পানী পাব?

(খ) কূলশীক বান্ধটোৰ বাবে এতিয়ালৈকে চৰকাৰে মুঠ কিমান টকা মুকলি কৰি দিছে আৰু কিমান (হিচাপটো সদনৰ মেজত দাখিল কৰিব) টকা এতিয়ালৈকে খৰছ কৰা হৈছে জনাবনে?

(গ) মঙ্গলদৈ সমষ্টিৰ অন্তৰ্গত ভোলানাথ বান্ধটোৰ বাবে কিমান পূঁটি মোকলাই দিছে? বান্ধটোৰ কাম কেতিয়াকৈ সম্পূৰ্ণ কৰিব জনাবনে?

**শ্ৰী আব্দুল মুহিম মজুমদাৰ (জলসিঞ্চন মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) বান্ধ নিৰ্ম্মাণৰ কাম ইতিমধ্যে সম্পূৰ্ণ হৈছে। বৰ্ত্তমানে বান্ধটোৰ পশ্চিম অঞ্চলত খেতি পথাৰত কৃষক ৰাইজক আংশিক ভাবে খেতিত পানী যোগান ধৰিব পৰা হৈছে।

(খ) কূলশীক বান্ধাটোৰ বাবে এতিয়ালৈকে চৰকাৰে মুঠ ২৫০,৬৬ লাখ টকা মুকলি কৰি দিছে বৰ্ত্তমানলৈকে ২৫০,৬৬ লাখ টকা খৰছ কৰা হৈছে।

(গ) মঙ্গলদৈ সমষ্টিৰ অন্তৰ্গত ভোলানাথ বান্ধটোৰ বাবে বৰ্ত্তমানলৈকে মুঠ ২৫৯,৫২ লাখ টকা মোকলাই দিছে। বান্ধটোৰ কাম ১৯৯৯-২০০০ চনৰ ভিতৰত সম্পূৰ্ণ কৰিব পৰা যাব বুলি আশা কৰা হৈছে।

## বিষয় ঃ দৰং জিলাৰ উদ্যোগ উন্নয়ন।

**শ্ৰী হীৰেন কুমাৰ দাসে সুধিছে ঃ**

২৩০। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয় অনুগ্ৰহ কৰি জনাবনে?

(ক) দৰং জিলাৰ ছিপাঝাৰত থকা প্ৰাগ-বহুমি চিনথেটিক লিমিটেডৰ বৰ্ত্তমানৰ অবস্থাটো কেনেকুৰা জনাবনে?

(খ) দৰং জিলাত কিমানটা উদ্যোগ বিভাগৰ সাহাৰ্য্যত ক্ষুদ্ৰ উদ্যোগ আছে? ইয়াৰে কিমানটা জীৱিত আৰু মৃত অৱস্থাত আছে?

(গ) দৰং জিলাত মুঠ কিমানটা ম'ম উদ্যোগ আছে? ইয়াৰে কেইটা কাৰ্য্যক্ষম হৈ আছে জনাবনে?

**শ্ৰী গুনীণ হাজৰীকা (উদ্যোগ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

(ক) উক্ত প্ৰতিষ্ঠানটোৰ প্ৰথম পৰ্য্যায় আৰু দ্বিতীয় পৰ্য্যায়ৰ নিৰ্ম্মাণ কাৰ্য্য সম্পূৰ্ণ কৰি উৎপাদনৰ কাম আৰম্ভ কৰা হৈছিল। দ্বিতীয় পৰ্য্যালয়ৰ দ্বিতীয় ভাগৰ নিৰ্ম্মান কাৰ্য্য প্ৰায় শেষ হৈছে আৰু উৎপাদন কাৰ্য্য আৰম্ভ কৰিবলৈ বাকী আছে।

(খ) দৰং জিলাত, জিলা উদ্যোগ আৰু বানিজ্য কেন্দ্ৰৰ সাহাৰ্য্যত ৯৯৮ টা ক্ষুদ্ৰ উদ্যোগ স্থাপিত হৈছে। ইয়াৰে ৭৯৪ টা জীৱিত আৰু ২০৪ টা মৃত অৱস্থাত আছে।

(গ) দৰং জিলাৰ মুঠ ৯ টা ম'ম উদ্যোগ আছে।

কেন্দ্ৰীয় চৰকাৰে কেচামাল যোগানৰ নীতি সংশোধন কৰাত বৰ্ত্তমান কেচা মাল চৰকাৰী ভাবে যোগান ধৰা হোৱা নাই।

## ZERO HOUR MATTER

**Mr. Speaker :** Question Hour is over. Now Zero Hour Matter. I have received as many as 6 Notices of Zero Hour Motion for 6/4/99 in the name of the following Hon'ble Members.

1. Shri Keshoram Bora.
2. Shri Sukhendu Shekhar Dutta.

3. Shri Sukur Ali.
   Dr. Nazrul Islam.
4. Shri Sukur Ali.
   Dr. Nazrul islam.
5. Dr. Hemo Prava Saikia.
6. Shri Dilip Kumar Saikia.

As per Rules I have selected only 3 Zero Hours Notices for raising before the House to-day.

I now, call upon the Hon'ble Member Shri Keshoram Bora to raise his Zero Hour Motion on the subject.

"Speedy implementation of old age pension scheme" Shri Keshoram Bora is absent.

I now, call upon Hon'ble Member Shri Dilip Kumar Saikia to raise his Zero Hour Motion which was published in the 'Pratidin' dt. 6/4/99 under the Caption "নিৰ্লিপ্ত পৌৰ নিগম - পানী বিচাৰি নাগৰিকৰ হাহাকাৰ"।

*** শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, আপুনি হাউচত সোমোৱাৰ আগতে আমি পানী আৰু বিজুলী বাতিৰ কথা উল্লেখ কৰিছিলো আৰু আজি বিশেষকৈ এখন বাতৰি কাকততে নহয় অসমৰ প্ৰায় সকলো বিলাক বাতৰি কাকতত পানী আৰু বিজুলী বাতিৰ কথা প্ৰকাশ পাইছে আৰু এই বিষয় দুটা ইমান স্পৰ্শকাতৰ হৈ পৰিছে যে মানুহে খোৱা পানীৰ কাৰণে হাহাকাৰ কৰিব লগা হৈছে আৰু বিজুলি বাতিৰ অভাৱত অন্ধকাৰত দুব যাব লগা হৈছে। আজি গুৱাহাটী মহানগৰীত প্ৰতি দিনে পানী লাগে ৫০ মিলিয়ন গেলন। তাৰ বিপৰীতে আজি গুৱাহাটী মহানগৰীৰ ৰাইজে পাইছে মাত্ৰ ৩০ মিলিয়ন গেলন। আমাৰ ভাৰতবৰ্ষৰ ভিতৰতে ডাঙৰ নৈ হৈছে ব্ৰহ্মপুত্ৰ নৈ আৰু সেইখন আমাৰ ৰাজ্যতে আছে। এনে এখন ডাঙৰ নদী আমাৰ ৰাজ্যখনত থকা স্বত্ত্বেও আমাৰ ৰাইজে খোৱা পানীখিনিৰ কাৰণে কিয় হাহাকাৰ কৰিব লগা হৈছে। সেইটো ভাবিলে সচাকৈয়ে আঁচৰিত লাগে।

অধ্যক্ষ মহোদয়, এতিয়া আমাৰ কিছুমান বিশেষজ্ঞই এটা কথা কৈছে যে প্ৰকৃতিৰ দোষৰ কাৰণেই আমাৰ ইয়াত বিজুলী শক্তি যোগান ধৰিব পৰা হোৱা

* Speech not corrected

নাই। এইটো বৰ আঁচৰিত কথা। আমাৰ অসমত ইমান বিলাক এক্সপাৰ্ট, ইঞ্জিনিয়াৰ থাকোতে এতিয়া দোষটো দিলে প্ৰকৃতিক। এই কথাটো শুনি হাহি উঠিছে। তেওঁলোকে অসমৰ বাহিৰলৈ গৈ বহুতো হায়াৰ এডুকেচন, টেকনলজি পঢ়ি আহি এতিয়া প্ৰকৃতিৰ দোষৰ কাৰণে অসমত বিজুলি শক্তি নোহোৱা হৈছে বুলি কোৱা কথাষাৰ জানো আঁচৰিত কথা নহয়। এই ক্ষেত্ৰত ইটোৱে সিটোৰ ওপৰত ভেজা দি চলিব খুজিছে। সেই কাৰণে অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত আমি বহুতো টকা খৰচ কৰিছো যদিও আমাৰ কাম বিলাক হৈ উঠা নাই। এইবাৰ কামাখ্যা মন্দিৰৰ লোক সকলেও পানী নাপায় হাহাঁকাৰ অৱস্থাৰ সৃষ্টি হৈছিল। আজি কামাখ্যা মন্দিৰৰ পূজা থলীত পানীৰ অভাৱত শুদ্ধ কৰিব নোৱাৰা অবস্থা হৈছে তাত যিটো ১ মিলিয়ন গেলন পানীৰ প্ৰজেক্ট আৰম্ভ কৰা হৈছিল সেইটোও আধৰুৱা হৈ থাকিল। ইয়াৰ কাৰণে মুখ্য মন্ত্ৰী ডাঙৰীয়াইও বিভিন্ন বিষয়া, কৰ্মচাৰী, কাউন্সিলৰ, মেয়ৰক মাতি আনি কেনেকৈ এই সমস্যা সমাধান কৰিব পৰা যায় তাৰ কাৰণে সভা পাতিলে। ৫০ লাখ টকা খৰচ কৰিও তাত পানী উলিয়াব নোৱাৰিলে। তাৰ পিচত মাননীয় ৰাজ্যপালৰ হস্তক্ষেপত সৈন্য বাহিনীৰ মানুহ আনি কাম কৰাতহে কামাখ্যাৰ ৰাইজে পানী খাবলৈ পালে। ইয়াৰ কাৰণে তেওঁলোকে হেনো বৰ বেছি কাম কৰিব লগা নহ'ল - মাত্ৰ এটা সৰু ফুটা মাৰি দিয়াৰ পিচতে তাৰ ৰাইজে পানী পালে। গতিকে এইটোৱেই হৈছে আমাৰ অসমৰ প্ৰশাসন ব্যৱস্থা। যদি কাম কৰিবলৈ মন নাই তেনেহলে এই ক্ষেত্ৰত জড়িত বিষয়া সকলে ৰিজাইন দিয়া উচিত। আজি গুৱাহাটী মহানগৰীৰ প্ৰত্যেকখন ঠাইতে পানীৰ কাৰণে হাহাঁকাৰ অৱস্থাৰ সৃষ্টি হৈছে। মানুহে প্ৰত্যেক টেংক পানী ৪০০ টকাত কিনিব লগা হৈছে। যোৱা কালি মোৰ ড্ৰাইভাৰ জনেও মোৰ কোৱাৰ্টাৰৰ পৰা পানী লৈ গৈছে। তেওঁৰ পৰিয়াল আহি মোৰ ঘৰত গা ধুব লগা হৈছে। গতিকে এই বিষয়ত নিশ্চয় কৰবাত কিবা কেৰোণ লাগিছে। গতিকে এই বিষয়টো মই আজি বিধান সভাত উত্থাপন কৰিম বুলি এজন পি,এচ,ঐল ফোন কৰাত তেওঁ কলে যে এই বিষয়টো আমাৰ বিষয় নহয়। কিন্তু মই কলো যে যাৰ বিষয়ে নহওক এই বিষয়ে মোক অলপ ইনফৰমেচন লাগে সেইখিনি দিয়ক। আমাৰ কথা হৈছে ৰাইজে পানী পাব লাগে। এইটো বাগি মাৰি চলি থকা কথা নহয়। আজি মানুহে পানীৰ কাৰণে হাহাঁকাৰ কৰিব লগা হৈছে। সেই কাৰণে পানী আৰু বিজুলী শক্তিৰ বিষয়টো গুৰুত্বপূৰ্ণ। আজি আমাৰ ৰাজ্যখনত বিজুলী শক্তিৰ ক্ষেত্ৰত এখন বোৰ্ড আছে। এই ব'ৰ্ডখনৰ বিষয়ে

## Zero Hour Matter

বাতৰি কাকতত বিভিন্ন বাতৰি প্ৰকাশ পাইছে। 'ডি চেন্টিনেল' বাতৰি কাকতত এটা বাতৰি প্ৰকাশ পাইছে যে 'ওৱাটাৰ স্কাৰচিটি ... পাৱাৰ ফেইলৰ, লিভ গুৱাহাটী..। আকৌ 'আসাম ট্ৰিবিউনত' এনে ধৰণে ওলাইছে - ওৱাটাৰ ফেমিন ইন চিটি' - গতিকে এই বিষয় দুটা গুৰুত্ব সহকাৰে লব লাগে। এই ক্ষেত্ৰত মই আৰু এটা কথা কওঁ ১৯৪৮ চনত পাৰ্লিয়ামেন্টত এখন এক্ট পাছ কৰা হৈছিল আৰু সেই এক্ট মতে তাত বিধায়ক সকল মেম্বাৰ বা চেয়াৰমেন হব নোৱাৰে। তাত আজি আই,এ,এচ, বিধায়ক চেয়াৰমেন কৰি ৰখা হৈছে। তেওঁ এনেকুৱা এজন বিষয়া মন্ত্ৰীৰ লগত কথা নাপাতে। ব'ৰ্ড অৱ ডিৰেক্টৰচ্ৰ মিটিং পাতে বাহিৰৰ মানুহেৰে। তেওঁ আকৌ কানাডালৈ যোৱাৰ কাৰণে মনে মনে ফাইল পাছ কৰাৰ কাৰণে দিয়ে। যদি বিদ্যুৎ শক্তিৰ কাৰণে কিবা কামত যাব লগা থাকে তেনেহলে কোনোবা এক্সপাৰ্টক পঠাব লাগে। ইয়াৰ কাৰণে চেয়াৰমেন কিয় যাব লগা হৈছে? এইবিলাক হৈছে আমাৰ 'চ' কল্ড চেয়াৰমেন। গতিকে আমি এটা প্ৰস্তাৱ লৈ নতুন এখন আইন কৰি এই ব'ৰ্ডখন ভাঙি দিব লাগে। আজি আমাৰ অসম আৰু মেঘালয়তহে ষ্টেট ইলেকট্ৰিচিটি ব'ড আছে কিন্তু উত্তৰ পূৰ্বাঞ্চলৰ অন্য ৰাজ্য কেইখনত সেই ব'ৰ্ড নাই।

অধ্যক্ষ মহোদয়, এই বিষয়টো অতি স্পৰ্শকাতৰ বিষয়। খোৱা পানী আৰু ইলেক্ট্ৰিছিটি। প্ৰাকৃতিক দুৰ্যোগ বুলি কৈছে - বৰষুণ নাই। সিদিনা শ্ৰী থানেশ্বৰ বড়ো ডাঙৰীয়াই কৈছিল - এজনী ছোৱালীয়ে লংপেন্ট পিন্ধি ট্ৰেন্সফৰমাৰৰ টাৰ লগাই দিলে। তেতিয়া লাইট জ্বলিল। কিন্তু ইঞ্জিনিয়াৰে কৈছে যে ট্ৰেন্সফৰমাৰ বেয়া। চেইনজ্ কৰিব লাগিব। ইঞ্জিনিয়াৰে তেনেকুৱা কথা কৈছে। গতিকে এই বিষয়টো চিৰিয়াচলি লব লাগে। যদিও আজি আমি হাউচত হাঁহিছো এইটো সাংঘাতিক চিৰিয়াচ বিষয়। মই এম,এল,এ, বুলি কবলৈ লাজ পাইছো। মোৰ ৰঙা লাইট জ্বলোৱা গাড়ী নাই, মই যেনে তেনে ঘুৰি ফুৰো, মোক সকলোৱে চিনি নেপায়, মোক ট্ৰাইবেল, নেপালী বা মেঘালয়ৰ মানুহ বুলি ভাবে। মোক চিনিবলৈ মানুহৰ অসুবিধা হয়। মেঘালয় নে কাৰ্ব্বি আংলঙৰ ধৰাটো টান।

অধ্যক্ষ মহোদয়, মই এটা কথা কবলৈ বিচাৰিছো, সেইটো হ'ল গুৱাহাটীত বানপানী হৈছে। বৰষুণৰ পিচত বৰষুণৰ পানীৰে বানপানী হৈছে। কাৰণ গুৱাহাটীত ড্ৰেইনেজ নাই। মই এবাৰ বানপানী চাই আহিলো। ভালকৈ চালো - জু-ৰোড পানীত বুৰ গৈছে, মই গৈ দেখিলো ৰাতি কেবাজনো মানুহ গাড়ী লৈ ৰাস্তাত চিঞৰি আছে। কৈছে - 'বিৰাজ-দাই ঘটিয়ে ঘটিয়ে পানী খোৱাইছে। মই

কলো - আপোনালোকে সচা কথা কৈছে। মই দিলীপ শইকীয়া বুলি নহয়, হাউচত মাননীয় সদস্য সকল আছে, চিনিঅৰ সদস্য শ্ৰী হেমেন দাস ডাঙৰীয়া আছে।

**মাননীয় অধ্যক্ষ ঃ** ইয়াত ৰাজহুৱা বিষয়হে উত্থাপন কৰিব লাগে, ব্যক্তিগত বিষয় উত্থাপন কৰিবলৈ দিয়া নহয়।

*** শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ** অধ্যক্ষ মহোদয়, মই ৰাজহুৱা বিষয়েই উত্থাপন কৰিম। সেই কথাবিলাক বাতৰি কাকতত ওলাব "ফুটুকাৰ ফেন"। মাননীয় শক্তি মন্ত্ৰী মহোদয়ে চেয়াৰম্যানক মাতি আনক, অফিচাৰ সকল মাতক আৰু এই বিষয়ে কওঁক। ডিষ্ট্ৰিবিউচন যিটো আছে তাত একো নাই। আমাৰ মাননীয় পৌৰ প্ৰশাসন মন্ত্ৰী আছে, শক্তি মন্ত্ৰী আছে, দুয়োজন বিধান সভাৰ পিচত মাতি আনি আলোচনা কৰক। এইখিনি কৈ মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

*** শ্ৰী বিমলাংশু ৰয় ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আগতে এই কথাটো কৈছিলো যে সকলোকে আধা ঘন্টা সময় কব দিব লাগে। খোৱা পানী নোপোৱা বিষয়টো অকল গুৱাহাটীৰে নহয়, গোটেই অসমতে এইটো অৱস্থা হৈছে। আমাৰ ঘৰত পানী নাই নাই বুলি কৈছে, বাতৰি কাকততো লিখি আছে। সেই কাৰণে এই বিষয়টোৰ ওপৰত চিন্তা চৰ্চা কৰি আলোচনা কৰিবলৈ সময় দিব লাগে। আৰু গুৰুতৰ সহকাৰে আলোচনা কৰিব লাগে।

*** শ্ৰী বৃন্দাবন গোস্বামী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এই বিষয়ৰ ওপৰত দুষাৰ কবলৈ ওলাইছো। যদি পানী যোগান নধৰে অসুবিধা হব। এই ক্ষেত্ৰত বহুতো অসুবিধা আছে। চুৱেৰেজ বোৰ্ড আৰু মিউনিচিপালিটি বোৰ্ড আছে। এই বিভাগ থকা স্বত্বেও খোৱা পানীৰ এক ডাঙৰ সমস্যা হৈছে। মই এই বিষয়টো আলোচনা কৰিছিলো, এই সমস্যা তেজপুৰতো হৈছে। তেনেকৈ আন আন ঠাইতো হৈছে। চুৱেৰেজ বোৰ্ড থকাৰ পিচতো পানী যোগান আঁচনি ঠিক হোৱা নাই, এইটো দুৰ্ভাগ্যজনক কথা। চৰকাৰে এই ক্ষেত্ৰত এগ্ৰিমেন্ট নকৰে। ঠিকাদাৰে কৰে আৰু চহী কৰে। যাৰ ফলত তেজপুৰৰ পানী যোগান আঁচনিখন বিফল হৈছে। তাত বিধান সভাৰ এচিঅৰেন্স কমিটিয়ে তদন্ত কৰি আহিছে। ইয়াত কৈছিল - ৪৫০ মিঃ পকা কৰিছে। তিনিশ মিটাৰত ১২শ টকা খৰচ কৰিছে।

---

* Speech not corrected

এচকালেশ্বন হৈছে। ১২ লাখ খৰচ হৈছে। আজি পানী যোগান আঁচনি তেজপুৰ, বিশ্বনাথ চাৰি আলিত হোৱা নাই। 'সুভাষ ট্ৰেডিং' নামৰ এটা ব্যৱসায়ী প্ৰতিষ্ঠান সোমাইছে। যাৰ ফলত পানী যোগানত বিপৰ্য্যয় হৈছে। বোৰ্ড বিলাক সম্পূৰ্ণ জহান্নামে গৈছে। পাচ লাখ টকাৰ মেচিন আনিব লাগে, সেই মতে অনা হৈছে, কিন্তু সেই মেচিন মামৰে খাইছে। সেই কাৰণেই মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিছো যে আজি গুৱাহাটী যি সমস্যা হৈছে, দুই তিনি দিন গা-ধুব পৰা নাই। তেজপুৰতো তেনে হৈছে। বিহুৰ দিনা, পূজাপাৰ্ব্বন যেতিয়া আহে সেই সময়তে পানী নোহোৱা হয়। ট্ৰিটমেন্ট প্লেনত আঠ কোঠি টকা, প্লেন হোৱা নাই, পানী যোগান হোৱা নাই। কিন্তু তাত ২৩ জনক নিযুক্তি দিয়া হৈছে। এই বিষয়ে মই মন্ত্ৰী ডাঙৰীয়াৰ লগত আলোচনা কৰিছো। যোগাযোগ কৰি আছে। এই ক্ষেত্ৰত অসমত যিবিলাক সমস্যা আছে মন্ত্ৰী ডাঙৰীয়াই সেই সকলোবোৰ সমস্যাৰ সন্মুখীন হৈছে। নেশ্বনেক প'লিচি কৰিবলৈ যাওঁতে নিগম,পি,এই,ই, চলাইছে মন্ত্ৰী এৰি দিবলৈ ওলাইছে। এই বিষয়ত ভাল ধৰণে পলিচি লোৱা দৰকাৰ যত কেনা আছে সেইটো চাই লৈ কৰক। এইখিনি কৈ মোৰ ব্যক্তব্যৰ সামৰণি মাৰিলো।

* **শ্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱা ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি যি বিদ্যুৎ পৰিষদৰ কথা হৈছে এই বিষয়ে মই দুষাৰ কবলৈ ওলাইছো। বিধান সভা আৰম্ভ হ'ল - কাৰেণ্ট নাই। আজি স্কুল কলেজৰ ছাত্ৰ-ছাত্ৰী সকলৰ পঢ়াৰ কথা আছে, কিন্তু তেওঁলোকৰ পঢ়া নহয়। ডেনক্ৰেচী হাইয়েষ্ট প্লেটফৰ্ম আছে, এইটো অকল মিনিষ্টাৰৰ কথা নহয়। সেই কাৰণে আপোনালোকক জনাব খুজিছো যদি এ,এচ,ই,বি,ৰ চেয়াৰম্যান নাহে, তেতিয়া হলে ৰিপোৰ্টৰ ব্যৱস্থা কৰক। এ,এচ,ই,বি,য়ে দাদাগিৰি কৰি আছে। ইয়াত পাৱাৰ চাপ্লাই দিব পৰা নাই। এই বিভাগৰ পৰা একো আশা কৰিব নোৱাৰি। কামাখ্যা মন্দিৰৰ পানী যোগানৰ কথা কব বিচাৰিছো। জি,এম,চি,য়ে ৫০ লাখ টকা টকা দিছিল, কিন্তু পানী যোগান ধৰিব পৰা নাই।

মাননীয় অধ্যক্ষ মহোদয়, কামাখ্যা মন্দিৰৰ পানী যোগানৰ কথাটো কৈছো। জি,এম,চিয়ে ৫০ লাখ টকা দিছিল। কিন্তু তাত পানী যোগান দিব নোৱাৰিলে। মাননীয় ৰাজ্যপালে আৰ্মিক কোৱাত আৰ্মিয়ে যিটো কাম এক দিনত কৰিলে আমাৰ ইঞ্জিনিয়াৰ সেইটো কামকে কৰোতে ১৫ দিন লগালেহেঁতেন। এইটো অতি দুৰ্ভাগ্যৰ কথা। যদি এইক্ষেত্ৰত আমাৰ বিষয়া সকলক ৰেচপনচিবিলিটি

* Speech not corrected

ফিক্স নকৰে তেতিয়াহলে একো নহব। গতিকে মই কৈছো মন্ত্ৰী সকলে এইবিলাক চাব লাগে। আৰ্মিয়ে যদি এদিনতে পাৰে আমাৰ ইঞ্জিনিয়াৰে কিয় নোৱাৰিব। অধ্যক্ষ মহোদয়, আপোনাৰ যোগেদি চৰকাৰক দাবী জনাইছো যিসকল ইঞ্জিনিয়াৰ ইয়াৰ লগত জড়িত তেওঁলোকৰ ওপৰত ৰেচপনচিবিলিটি ফিক্স কৰিব লাগে। ৩য় কথাটো হৈছে অসমখনক কিছুমানে চৰনীয়া পথাৰ কৰিছে। সুভাষ ট্ৰেডিং নামৰ কোম্পানীটোৱে গোটেই অসমখন শেষ কৰিলে। যোৰহাটৰ পানীৰ স্কীম এটাও নষ্ট কৰিলে। সিদিনা গুৱাহাটী আৰু পলাশবাৰীৰ কথাও ওলাইছে। সুভাষ ট্ৰেডিং কোম্পানীয়ে অসমখন চৰনীয়া পথাৰ বনাইছে। জনসাধাৰণে পানী পোৱা নাই তেওঁলোকে কনষ্ট্ৰাকচনৰ কাম নকৰা কাৰণে। এই সম্পৰ্কত চৰকাৰে ব্যৱস্থা লব লাগিব। মই চৰকাৰক এই ৩টা দাবী জনাইছো এ,এচ,ই,বি,ৰ মন্ত্ৰীৰ লগত যদি সহযোগ কৰা নাই তেনেহলে আমি মন্ত্ৰীক সহায় কাৰণে সকলো প্ৰস্তুত। দ্বিতীয়তে কামাখ্যা মন্দিৰত যিসকল ইঞ্জিনিয়াৰে পানী যোগান দিব নোৱাৰিলে তেওঁলোকৰ ওপৰত ৰেচপনচিবিলিটি ফিক্স কৰিব লাগে।

* **শ্ৰী হেমেন দাস** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰী দিলীপ শইকীয়া ডাঙৰীয়াই আজি এটা অত্যন্ত প্ৰয়োজনীয় বিষয় উত্থাপন কৰিছে যিটোত মোৰ পূৰ্ণ সমৰ্থন আছে। ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যত শুনিছো ৭০০-৮০০ ফুট তলৰ পৰা পানী তোলে। শ শ কিলোমিটাৰ দূৰৰ পৰা পানী যোগান ধৰে। অসমত তেজপুৰ আৰু গুৱাহাটী ব্ৰহ্মপুত্ৰৰ কাষতে, পানী তোলাত খৰচো নহয়। বছৰি বছৰি গুৱাহাটীত নতুন নতুন অঞ্চল গঢ়ি উঠিছে। নতুনকৈ হোৱা হেঙাৰাবাৰী আদিৰ কথা নকওৱেই, ৰিহাবাৰী পুৰনি ঠাই তাতো মানুহে পানী পোৱা নাই। জি,এম,চিৰ টেঙ্কাৰেৰে পানী যোগান ধৰে। তেজপুৰ, গুৱাহাটী ব্ৰহ্মপুত্ৰৰ পাৰত হৈয়ো পানী নাপায়। বোম্বেত বহুত দূৰৰ পৰা পানী আনে। আমাৰ ইয়াত মৰ্জিৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হৈছে। যিসকলে এই কামত গাফিলতি কৰিছে তেওঁলোকৰ বিৰুদ্ধে চৰকাৰে কিয় ব্যৱস্থা লোৱা নাই। এইটো এটা গুৰুত্ব পূৰ্ণ বিষয়। সেই কাৰণে ইয়াৰ কাৰণে এটা কমিটি গঠন কৰি দিয়ক। আৰু এই কমিটিয়ে ১ মাহৰ ভিতৰত ইয়াৰ কাৰণ বিলাক অনুসন্ধান কৰি প্ৰয়োজনীয় ব্যৱস্থা লোৱাৰ কাৰণে চৰকাৰক ৰিপোৰ্ট দিয়ক যাতে চৰকাৰে আগবাঢ়িব পাৰে। অধ্যক্ষ মহোদয়, শুনিলে আঁচৰিত হব ব্ৰহ্মপুত্ৰৰ পাৰত যিবিলাক ঠাই আছে, হেদায়তপুৰ, উজানবজাৰ আদি সেইবিলাক ঠাইতো পানী

* Speech not corrected

নাই। পৰহি এজন ল'ৰা মোৰ ওচৰলৈ আহিছিল। তাত বোলে গা ধোৱা পাইখানা কৰিবলৈ পানী নাই। সেইবিলাক অঞ্চলতে পানী নহলে হেঙেৰাবাৰীত কেনেকৈ পাব। গতিকে এই বিষয়টো সহজে এৰি দিব নোৱাৰি। যিসকল এই সম্পৰ্কত সচেতন, গতিকে কমিটি পাতি সোনকালে অনুসন্ধান কৰি দোষী বিষয়া সকলৰ বিৰুদ্ধে তৎকালে শাস্তিমূলক ব্যৱস্থা লোৱাৰ ব্যৱস্থা কৰক। মই কেইদিনমান আগতে কাৰ্বি আংলং পাহাৰলৈ গৈছিলো। তাত বোলে পাইপৰ ঠিকা লৈছে এজন মানুহে। তেওঁ ৰাজস্থানত থাকে হেনো। শুনিছো পাইপ হেনো যোগান ধৰিব নালাগে এনেয়ে পইচা পায়। সুভাষ ট্ৰেডিং কি এটা বস্তু। অকল কাৰ্বি আংলঙতে নহয় অসমৰ চাৰিওফালে কেৱল সুভাষ ট্ৰেডিং - সেই সুভাষ ট্ৰেডিংএ অসম চৰকাৰক কিনিছে নেকি। এজন মানুহে অসমৰ জনসাধাৰণক শাস্তি দিব পাৰিছে। ইয়াৰ মাজত দালাল কোন আছে বিচাৰি উলিয়াব লাগে। জলসিঞ্চন বিভাগৰ কিছুমান আঁচনি আছে। বছৰি বছৰি আঁচনি লয় আৰু পৰি থাকে। ১ বছৰ গৈছে। তেওঁলোকৰ জনসাধাৰণক পানী দিয়াৰ দায়িত্ব নাই নেকি। কন্টাকটৰে কেৱল টকাহে উপাৰ্জন কৰে। আমি এই বিধান সভাত বহু দিনৰ পৰা আছো এইবাৰৰ দৰে দেখা নাই। বিধান সভাৰ মজিয়াত বিজুলী বাটি নাই। বিধায়ক মন্ত্ৰীৰ হোষ্টেলতো বিজুলী নাই। এইটো আজিকালি নিত্য নৈমিত্যিক ঘটনা হৈছে। আমাৰ পাৱাৰ নাই নেকি। আজি যি শুনিলো মন্ত্ৰীয়ে বিষয়াক মাতিলে নাহে। মন্ত্ৰীৰ ওপৰত বিষয়া, ভাৰতীয় গনতন্ত্ৰত মন্ত্ৰী মুৰ্খ বা পণ্ডিতেই হওক মন্ত্ৰী বিষয়াৰ ওপৰত। গণতান্ত্ৰিক দেশত মন্ত্ৰীয়ে নিৰ্দ্দেশ দিব বিষয়াই কাৰ্য্যকৰী কৰিব। গণতান্ত্ৰিক প্ৰক্ৰিয়া এইদৰে চলিছে।

* **মোস্তাফা শ্বহিদুল ইচলাম** ঃ মাননীয় অধ্যক্ষ মহোদয়, ইঞ্জিনিয়াৰিং (পি,এই,চি) মন্ত্ৰী সুভাষ ট্ৰেডিং এই তিনিটা মিলি এটা প্ৰাইভেট কোম্পানী নেকি।

* **শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, জিৰো আৱাৰৰ বিষয়টো গুৱাহাটী পৌৰ নিগমৰ বিষয়। The matter relates to Guwahati city water supply scheme. If does not relates to Power. If anything want to say about Power then it is welcome and I can very well give a reply. গতিকে মই ৰিপ্লাই দিব নোৱাৰো। জি,এম,চিয়ে দিব। বিদ্যুতৰ কথা উল্লেখ হলেও মই দিব নোৱাৰো।

---

* Speech not corrected

## Zero Hour Matter

*** মোস্তাফা শ্বহিদুল ইচলাম ঃ** অধ্যক্ষ মহোদয়, হাউচত যিটো কথা কৈছো বাজেটত প্ৰভিজন ৰাখিব লাগে। এইটো এটা প্ৰাইভেট কোঃ সুভাষ ট্ৰেডিং, মন্ত্ৰী আৰু ইঞ্জিনিয়াৰে চলাই আছে। গতিকে সদন কমিটিৰ গঠন কৰি তদন্ত কৰাৰ ব্যৱস্থা কৰিব লাগে। জনস্বাস্থ্য আৰু কাৰিকৰী বিভাগৰ টকা অভাব হব নোৱাৰে। বিশ্ব বেংক আৰু কেন্দ্ৰীয় চৰকাৰেও টকা দিয়ে। টকাৰ দোহাই দি আঁচনি বাতিল কৰিব নোৱাৰে। সেইবিলাক কোঃৰ দ্বাৰা কাম নহয়।

*** শ্ৰী বিৰাজ কুমাৰ শৰ্মা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰতিদিন কাকতত ৬/৪/৯৯ তাৰিখে 'নিৰ্লিপ্ত পৌৰ নিগম - পানী বিচাৰি নাগৰিকৰ হাহাকাৰ' শীৰ্ষক বাতৰিৰ সন্দৰ্ভত অসম বিধান সভাৰ মাননীয় বিধায়ক শ্ৰী দিলীপ কুমাৰ শইকীয়াদেৱে 'শূন্যকালীন ঘন্টা'ৰ জাননীৰ উত্তৰ দিছো।

যি কোনো পানী যোগান প্ৰকল্প থকাৰ দৰে গুৱাহাটী পৌৰ নিগমৰ পানী যোগান প্ৰকল্প সমুহতো সীমিত পৰিমানৰ পানী পৰিশোধন আৰু বিতৰণ কৰাৰ বাবে সামৰ্থ আছে। বাতৰিটোত উল্লেখিত অঞ্চল সমূহত পৌৰ নিগমৰ পানবজাৰ আৰু সাত পুখুৰী পানী যোগান প্ৰকল্পৰ পৰা খোৱা পানী যোগান ধৰা হয়। এই দুটা প্ৰকল্পৰ সামঞ্জস্য এই অঞ্চল সমূহৰ জনসাধাণৰ পানীৰ চাহিদা ইতিমধ্যে জনসংখ্যা বৃদ্ধিৰ ফলস্বৰূপে যথেষ্ট বৃদ্ধি পাইছে। গতিকে জনসাধাৰণে পাব লগা পানীৰ পৰিমানতকৈ নিগমে যোগান ধৰা পানীৰ পৰিমান কিছু কম। যোৱা কেইদিনমানৰ পৰা বিদ্যুৎ যোগানৰ অনিয়মতা আৰু কম ভল্টেজৰ বিদ্যুৎ যোগানৰ ফলত খোৱা পানীৰ সমস্যাই মহানগৰখনত কিছু গুৰুতৰ ৰূপ ধাৰণ কৰিছে। পানীৰ পাম্পচেটৰ মটৰ বিলাক চলাবলৈ যি ক্ষেত্ৰত ৪১৫ ভল্ট বিদ্যুৎৰ প্ৰয়োজন সেই ক্ষেত্ৰত তাতকৈ যথেষ্ট নিম্ন ভল্টেজৰ বিদ্যুৎ যোৱা কেইদিনমানত পোৱা গৈছে। ইয়াৰোপৰি হঠাতে কমি যোৱা ভল্টেজৰ ফলত চলি থকা মটৰ সমূহ জ্বলি যোৱাৰ সম্ভাৱনা থাকে। উদাহৰণ স্বৰূপে যোৱা ৫/৪/৯৯ তাৰিখে নিম্ন ভল্টেজৰ ফলত পানবজাৰ পানী যোগান কেন্দ্ৰৰ এডাল মুখ্য বিদ্যুৎ পৰিবাহক জ্বলি যোৱাৰ উপৰিও এটা চলমান অৱস্থাত থকা প্ৰায় তিনি লক্ষ টকাৰ মটৰ নষ্ট হয়।

দীৰ্ঘদিন বৰষুণৰ অভাৱত গুৱাহাটীৰ বিভিন্ন অঞ্চলত থকা খোৱা পানী বিকল্প উৎসবিলাক শুকাই যোৱাৰ ফলতো পানীৰ চাহিদা স্বাভাৱিকতকৈ বৃদ্ধি পাইছে। যাৰ ফলত যোগান ধৰা পানীৰ পৰিমান কম বুলি ৰাইজৰ ধাৰণা হৈছে।

---

* Speech not corrected

বাতৰিটো উল্লেখ কৰাৰ দৰে পৌৰ নিগমে এই ক্ষেত্ৰত নিৰ্লিপ্ত ভূমিকা গ্ৰহণ কৰা নাই আৰু পানীৰ সংকট দূৰ কৰিবলৈ যৎপৰোনাস্তি চেষ্টা চলাই আছে। বৰ্ত্তমান নিগমৰ দুখন নিজা টেংকাৰৰ উপৰিও ভাৰাত লোৱা দুখন টেংকাৰৰ দ্বাৰা পানী বিভিন্ন অঞ্চলত বিতৰণ কৰি অহা হৈছে। তাৰোপৰি, ট্ৰেক্টৰে টনা প্ৰায় পঞ্চাশখন সৰু টেংকাৰ এই ক্ষেত্ৰত ব্যৱহাৰ কৰা হৈছে।

পৌৰ নিগমৰ উপৰিও অসম চৰকাৰৰ জনস্বাস্থ্য কাৰিকৰী বিভাগে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় চৌহদ, ৰাজধানী চৌহদ আৰু খানাপাৰাৰ কিছু অঞ্চললৈ পানী যোগান ধৰি আহিছে। তদুপৰি, অসম পানী যোগান আৰু পয়প্ৰণালী পৰিষদৰ পৰাও গুৱাহাটীৰ পূবৰ কিছু অঞ্চলত খোৱা পানী যোগান ধৰি আহিছে।

মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰী বৃন্দাবন ডাঙৰীয়া আচি এই বিষয়ত প্ৰশ্ন উত্থাপন কৰিছিল লগতে মাননীয় কেইবাজনো সদস্যই এই বিষয়টো বহুতো কথা উত্থাপন কৰিছে। সুভাষ ট্ৰেডিং প্ৰকল্পৰ কথাও কৈছে। এই সুভাষ ট্ৰেডিং প্ৰকল্পই যি কাম হাতত লৈছিল সেই কাম বিলাক বৰ্ত্তমান আমি দিয়া নাই। আগৰ চৰকাৰৰ দিনত সেই কাম বিলাক দিছিল। এতিয়ালৈকে তেওঁলোক কিছুমান কাম কৰিছে যদিও তেওঁলোকৰ কিছু কাম এতিয়াও কৰিবলৈ বাকী আছে। বৰ্ত্তমান কিছু কাম বিশেষ ভাবে আৰম্ভ কৰা হব। ধিঙত হবলগীয়া এটা প্ৰকল্প বহুদিনৰ পৰা বহি আছে কিবা কাৰণত ইয়াৰ কাম বন্ধ হৈ আছে। সেইবিলাক কাম আৰম্ভ কৰাৰ বাবে আমি প্ৰচেষ্টা হাতত লৈ আছো। এতিয়া আমি সুভাষ ট্ৰেডিঙক কাম দিয়া নাই। চুয়েৰেজ বৰ্ডক কিছু কাম দিয়া হৈছে যদিও কিছু কাম এতিয়াও সম্পূৰ্ণ হোৱা নাই। তাৰ কাৰণে সকলো ধৰণৰ ব্যৱস্থা লোৱা হৈছে এতিয়া আমি কামত আগবাঢ়িব পৰা হব।

*** শ্ৰী হেমেন দাস ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে আজি যি উত্তৰ দিলে তাৰ বাবে আমি তেখেতক ধন্যবাদ দিছো। কিন্তু কথা হল গুৱহাটী মহাগনৰত পানী পোৱা নাই তেখেত গুৱহাটীৰে। তেখেতে কৈছে যে ভল্টেজ কম পোৱাৰ বাবে পানী দিব পৰা নাই। কিন্তু বছৰৰ পিচত বছৰ ধৰি গুৱাহাটীত পানী পোৱা নাই। গুৱহাটীৰ পুৰণি বাসিন্দা সকলে পানী পোৱা নাই। গুৱাহাটীৰ বিহাবাৰী হেদায়ত পুৰ এইবিলাক পুৰণী ঠাইত পানী পোৱা নাই। এইবিলাক ঠাইত পানী যোগান পাব লাগিছিল। আঁচলতে বিদ্যুতৰ অসুবিধাৰ

* Speech not corrected

অন্যান্য অসুবিধা বিলাক আঁচল কথা নহয়। প্ৰকৃততে এইটো এটা ইনফ্ৰাকচাৰৰ কথা, সেইবিলাক ঠিক মতে হোৱা নাই বাবে এই অসুবিধা বিলাক হৈছে। গতিকে এই বিষয়টো গুৰুত্ব সহকাৰে লব লাগে। ওৱাৰ ফুটিঙত কাম কৰাৰ প্ৰয়োজন আমাৰ সকলো বিষয়াই ইয়াৰ প্ৰতি গুৰুত্ব দিয়াৰ প্ৰয়োজন। আজি আমি যিটো দেখা পাইছো এইটোৰ পৰিকল্পনাৰ অভাৱ। আমাৰ জনসাধাৰণে যাতে পানী পাই তাৰ এটা বিহিত ব্যৱস্থা লব লাগে।

* **শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে যি কথা আজি কৈছে এইটো অন্যৰ ঘপৰত তেজা দি কথাটো কৈছে। গুৱহাটীত ৫০ মিলিয়ন পানীৰ প্ৰয়োজন। বৰ্ত্তমান ২০ মিলিয়ন পানীহে পায়। মাননীয় মন্ত্ৰী মহোদয়ে আৰু ৩০ মিলিয়ন পানীৰ ব্যৱস্থা কৰিবনে? মাননীয় সদস্য শ্ৰী হেমেন দাস ডাঙৰীয়াই এই কথাখিনিকে কৈছে।

* **শ্ৰী বিৰাজ কুমাৰ শৰ্মা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিবিলাক অঞ্চলত পানীৰ ব্যৱস্থা আছে সেই বিলাকত কিছু বিজুতি ঘটাৰ কাৰণে পানী দিব পৰা নাই। কৰপৰেচনক এই বিষয়ে কোৱা হৈছে যাতে পানী সদায় যোগান ধৰা হয়। গুৱাহাটীত জনসংখ্যা বৃদ্ধি হৈছে যি কেইটা আঁচনি আছে তাৰ দ্বাৰা নহয়। আমাৰ চৰকাৰে নতুন আঁচনি লৈছো এই বিলাক আমি জি,এম,চিৰ জৰিয়তে কাম কৰিবলৈ আৰম্ভ কৰিছো।

মাননীয় অধ্যক্ষ মহোদয়, হাডকো এটা অৰগেনাইজেচন আছে। সেই অৰগেনাইজেচনটোৰ কাৰণে ২৭৩ কোটি টকা লোন দিয়াৰ কাৰণে প্ৰতিশ্ৰুতি দিছে। চৰকাৰে সকলো প্ৰচেষ্টাৰে কাম আৰম্ভ কৰাৰ কাৰণে চেষ্টা লৈছে। হাডকোৰ টকা আহিলে কাম আৰম্ভ কৰা নহব। আঁচলতে জনসংখ্যা বৃদ্ধিৰ কাৰণে পানী যোগান দিব পৰা হোৱা নাই। এইবিলাক সমস্যা সমাধানৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

**শ্ৰী শুকুৰ আলী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি ১৯৯৯ চনৰ ৬ এপ্ৰিল তাৰিখৰ "আমাৰ অসম" কাকতত প্ৰকাশিত "বজাৰত প্ৰশ্ন কাকত বিক্ৰী ঃ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ অঙ্ক, ইংৰাজীৰ প্ৰশ্ন কাকত ফাদিল" মাননীয় অধ্যক্ষ মহোদয়, যোৱা দুদিন ধৰি গুৱাহাটীৰ বিভিন্ন ঠাইত ২০০ টকাৰ পৰা ৪০০ টকাৰ বিনিময়ত বিক্ৰী হৈছে। হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ইংৰাজীৰ প্ৰশ্ন কাকত গুৱাহাটীৰ 'চেবা কাৰ্য্যালয়ৰ পাৰ্শ্ববৰ্তী অনুৰাধা চিনেমা হল, বামুনীমৈদাম আৰু

---

* Speech not corrected

নুনমাটিৰ উপৰি চান্দমাৰি, গণেশগুৰি আদি অঞ্চলৰ কেতবোৰ ঠাইত আগতিয়াকৈ প্ৰশ্ন কাকতবোৰ কিনিবৰ বাবে যোৱা দুদিন ধৰি বহু সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে ভিৰ কৰেহি। প্ৰশ্ন কাকতবোৰ হাতেৰে লিখা আৰু ইয়াত ইংৰাজীৰ প্ৰথম পত্ৰৰ ৫৫ নম্বৰ দ্বিতীয় পত্ৰৰ ৬০ নম্বৰৰ প্ৰশ্ন সন্নিবিষ্ট কৰা আছে। ছাত্ৰ-ছাত্ৰীৰ ডিমাণ্ড মতে প্ৰশ্ন কাকত ঘৰতো দি অহা পূৰ্ণভাবে একাংশ অভিভাৱকও নিজৰ সন্তানৰ বাবে আগতিয়াকৈ প্ৰশ্ন কাকত সংগ্ৰহৰ বাবে উঠি পৰি লাগিছে। টকাৰ বিনিময়ত প্ৰশ্ন কাকত সংগ্ৰহ কৰা একাংশ ছাত্ৰ-ছাত্ৰীৰ দাবী তেওঁলোকে আগতিয়াকৈ সংগ্ৰহ কৰা প্ৰশ্নকাকত নকল নহয়। কিয়নো ৩ এপ্ৰিলত অনুষ্ঠিত অংক পৰীক্ষা প্ৰশ্নকাকতো তেওঁলোকে আগতিয়াকৈ সংগ্ৰহ কৰিছিল আৰু সেইক্ষেত্ৰত তেওঁলোকে ঠগ খোৱা নাই। উল্লেখ্য যে ৭০০ টকা পৰ্য্যন্ত দামত বিক্ৰী হৈছিল। আশ্চৰ্য্যজনক ভাবে, দিছপুৰ থানাৰ নিচেই কাষৰ এখন পান দোকানতে আৰক্ষীৰ চকুৰ আগতেই ২৫/৩০ খন প্ৰশ্ন কাকত বিক্ৰী হয়।

প্ৰাপ্ত অভিযোগমতে, গুৱাহাটীত কেইবাবছৰো ধৰি সক্ৰিয় হৈ আছে। হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক শেষান্ত পৰীক্ষাৰ প্ৰশ্ন কাকত আগতিয়াকৈ বিক্ৰী কৰা এক অসাধু ব্যৱসায়ী চক্ৰ। "ছেবাৰ' দুজন কৰ্ম্মচাৰী আৰু এগৰাকী তৃতীয় শ্ৰেণীৰ কৰ্ম্মচাৰীৰ পৰাই হেনো এই চক্ৰটোয়ে পৰীক্ষাৰ প্ৰশ্ন কাকত আগতিয়াকৈ সংগ্ৰহ কৰে। জানিব পৰা মতে, বিগত বছৰত এনেদৰে বিজ্ঞান আৰু সমাজ বিদ্যাৰ প্ৰশ্ন কাতত আগতিয়াকৈ বিক্ৰী হৈছিল। আনকি তেজপুৰ আৰু ধেমাজীতো বিক্ৰী হৈছিল এই প্ৰশ্ন কাকত।

মাননীয় অধ্যক্ষ মহোদয়, ৬/৪/৯৯ তাৰিখৰ "আমাৰ অসম" কাকতত প্ৰকাশিত হোৱা "দ্বিতীয় কাকতৰ পৰীক্ষা তৃতীয় কাকতেৰে সম্পন্ন" বহৰি হাইস্কুল শিক্ষান্ত পৰীক্ষাত গুৰুতৰ খেলি-মেলি হোৱাৰ বাতৰি এটিয়ে সমগ্ৰ পূব বৰপেটা অঞ্চলত চাঞ্চল্যকৰ সৃষ্টি কৰিছে।

প্ৰাপ্ত বাতৰি মতে হাইস্কুল শিক্ষান্ত পৰীক্ষা বছৰি কেন্দ্ৰ বহৰি হাইস্কুলত যোৱা ২৬ মাৰ্চৰ আবেলি এম,আই,এল চেকেণ্ড পেপাৰৰ পৰীক্ষা আছিল। বহৰি কেন্দ্ৰটোত অন্যান্য বছৰৰ দৰে এইবাৰো পৰীক্ষা চলি আছে। ২৬ মাৰ্চৰ প্ৰশ্ন কাকত তাৰাবাৰী থানাৰ পৰানি বিভাগীয় দায়িত্বত থকা বিষয়াই ভুল ক্ৰমে ২৭ মাৰ্চৰ আবেলি হব লগা এম,এই,এল থাৰ্ড পেপাৰ (বি,চি,গ্ৰুপ)ৰ প্ৰশ্ন কাকত ছাত্ৰ-ছাত্ৰী সকলৰ মাজত বিতৰণ কৰে। এনেকৈ প্ৰায় আধা ঘন্টা পৰীক্ষা হৈ

* Speech not corrected

যোৱাৰ পিচত ছাত্ৰ-ছাত্ৰী সকলে এই প্ৰশ্ন কাকত খেলি মেলি হোৱাৰ কথা গম পাই নিৰিক্ষকক জনোৱাত ততালিকে তেওঁলোকে ছাত্ৰ-ছাত্ৰীৰ পৰা প্ৰশ্ন কাকতবোৰ সংগ্ৰহ কৰে যদিও কিছুমান প্ৰশ্ন কাকত সংগ্ৰহ কৰিব নোৱাৰিলে। দেখা গল পিচদিনা যথাযথভাবে সেই প্ৰশ্ন কাকতবোৰ থানাৰ পৰা আনি এম,আই,এল চেকেণ্ড পেপাৰ (এ গ্ৰুপ)ৰ প্ৰশ্ন কাকত নি পুনৰ পৰীক্ষা লোৱা হল। আগদিনা সেই প্ৰশ্ন কাকত বিতৰণ কৰা হ'ল, সেই একে প্ৰশ্ন কাকতৰে পৰীক্ষা অনুষ্ঠিত কৰা হ'ল। বিভাগীয় দায়িত্বত থকা শিক্ষক সকলে তথা বিষয়াই কথাটো উচ্চ পৰ্য্যায়ৰ বিষয়াক নজনোৱাকৈ অতি গোপনে ৰাখি পৰীক্ষা অনুষ্ঠিত কৰা বাবে সেই চঞ্চল চাঞ্চল্য সৃষ্টি হয়। পূব বৰপেটা অঞ্চলৰ ৰাইজ, অভিভাৱক, বুদ্ধিজীৱি সকলৰ মাজত প্ৰতিক্ৰিয়া সৃষ্টি হৈছে আৰু চুকে কোণে সমালোচনা হৈছে। এই বিষয়ে তদন্ত কৰি বিশেষ ভাৱে ব্যৱস্থা লব লাগে।

মাননীয় অধ্যক্ষ মহোদয়, শিক্ষা বিভাগটো এটা গুৰুত্বপূৰ্ণ বিভাগ। এই বিভাগটোৰ বিষয়ে পৱিত্ৰ সদনত আলোচনাও হৈছে। এই বিভাগটোত বহুতো দুৰ্নীতি, খেলি-মেলি, অভিযোগ আদি আছে। গতিকে আজি এই সদনত মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাব খুজিছো যে শিক্ষা বিভাগটোত যিমানবোৰ দুৰ্নীতি আছে কঠোৰ হাতেৰে দমন নকৰিলে ভৱিষ্যতে বিভাগটো অন্ধকাৰে দেখা দিয়া সম্ভাৱনা আছে। গতিকে সময় থাকোতে এই বিভাগটোক গুৰুত্ব সহকাৰে চিন্তা কৰি ভৱিষ্যত অন্ধাকাৰৰ পৰা আঁতৰাই আনি আসম আৰু অসমীয়া জাতিটোক যেন ৰক্ষা কৰে। তাৰ বাবে বিশেষ ব্যৱস্থা লবৰ কাৰণে আৰু শিক্ষা বিভাগটোক দুৰ্নীতিবোৰৰ তদন্ত কৰি বিশেষ ব্যৱস্থা লয় যেন। এইখিনিতে কৈ মই সদনৰ ওচৰত দাবী ৰাখিছো। এই দাবীবোৰ সোনকালে পুৰণ হব বুলি আশা ৰাখি ইমানতে মই মোৰ বক্তব্য শেষ কৰিছো।

**Mr. Speaker :** Shri Thaneswar Boro, Minister, Education to speak.

* **শ্ৰী থানেশ্বৰ বড়ো (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, আজি ১৯৯৯ চনৰ ৬ এপ্ৰিল তাৰিখৰ "আমাৰ অসম" কাকতত প্ৰকাশিত "বজাৰত প্ৰশ্ন কাকত বিক্ৰী ঃ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ অংক, ইংৰাজীৰ প্ৰশ্ন কাকত ফাদিল" শীৰ্ষক বাতৰিটো অসম মাধ্যমিক শিক্ষা পৰিষদৰ দৃষ্টিগোচৰ হৈছে।

---

* Speech not corrected

## Zero Hour Matter

দ্বিতীয়তে 'জিৰো আৱাৰত' এই বিভাগটোৰ প্ৰতি অনা অভিযোগবোৰ আমাৰ দৃষ্টিগোচৰ হৈছে। ১৯৯৯ চনৰ ৬ এপ্ৰিল তাৰিখৰ "আমাৰ অসম" কাকতত প্ৰকাশিত "দ্বিতীয় কাকতৰ পৰীক্ষা তৃতীয় কাকতেৰে সম্পন্ন ঃ বহৰিত শিক্ষান্ত পৰীক্ষাত গুৰুত্ব খেলিমেলি" শীৰ্ষক বাতৰিটো আমাৰ দৃষ্টিগোচৰ হৈছে।

এতিয়া বাতৰিত প্ৰকাশ হোৱাৰ দৰে ৩ এপ্ৰিলত হৈ যোৱা উচ্চ গণিত আৰু আজি ৬ এপ্ৰিল তাৰিখে হব লগা ইংৰাজীৰ প্ৰশ্ন কাকত গুৱাহাটীৰ কেইবা ঠাইতো আৰু ধেমাজী আৰু তেজপুৰত বিক্ৰী হোৱা ঘটনা আমাৰ জ্ঞাত নহয়। বাতৰিটোত ফাদিল হোৱা ইংৰাজী দ্বিতীয় কাকতৰ ৬০ নম্বৰৰ প্ৰশ্ন সন্নিবিষ্ট আছে বুলি কোৱা হৈছে। প্ৰকৃততে ইংৰাজী দ্বিতীয় কাকতৰ মুঠ নম্বৰ ৫০, তাৰ বিপৰীতে ৬০ নম্বৰৰ প্ৰশ্ন সন্নিবিষ্ট হোৱাটোৱে সুচায় যে এনে বাতৰিৰ সত্যতা স্বীকাৰ্য্য নহয়। আনহাতে প্ৰথম কাকতৰ মুঠ নম্বৰ ১০০ যদিও, বাহিৰত প্ৰশ্ন কাকতৰ ৫৫ নম্বৰহে ওলাল। বাকী ৪৫ নম্বৰ ক'ত গ'ল? এই কথাটো অবিশ্বাসৰ থল আছে। সেবাৰ কৰ্ম্মচাৰীৰ পৰা প্ৰশ্ন কাকত বাহিৰ হোৱা ঘটনা আমি দৃঢ়ভাৱে অস্বীকাৰ কৰোঁ।

বাতৰিত প্ৰকাশিত "দিছপুৰ থানাৰ নিচেই কাষৰ এখন পান দোকানত আৰক্ষীৰ চকুৰ আগতেই আজি ২৫/৩০ খন প্ৰশ্ন বিক্ৰী হয়" বোলা বাতৰিৰ পম খেদি পৰিষদৰ সচিবে দিছপুৰ থানাত নিজে উপস্থিত হৈ থানাৰ কৰ্ত্তব্যৰত বিষয়াৰ লগত যোগাযোগ কৰে। থানাৰ কৰ্ত্তব্যৰত বিষয়াই এই ক্ষেত্ৰত কিবা ঘটিছে বুলি নাজানে। থানাৰ ওচৰত থকা চাহ দোকানী শ্ৰী দিলীপ ডেকা, পাণ দোকানী শ্ৰী দেবেন বৰুৱা আৰু শ্ৰী নগেন ডেকাক থানালৈ মতাই আনি প্ৰশ্ন কাকত বিক্ৰী সম্পৰ্কত সোধপোচ কৰা হয়। উক্ত তিনিগৰাকী বিক্ৰীয়ে তেওঁলোকৰ ওচৰত প্ৰশ্ন কাকত বিক্ৰী হোৱা নাই বুলি জনায়।

পৰিষদৰ সচিবে থানাৰ আন দুখন পাণ দোকান আৰু চাহ দোকানত প্ৰশ্ন কাকত বিক্ৰী সম্পৰ্কত খা-খবৰ কৰে। পাণ দোকানী শ্ৰীমতী দুৰ্বা নাথ আৰু চাহ দোকানী শ্ৰী ৰাজেন্দ্ৰ দেৱ চৌধুৰীয়ে প্ৰশ্ন কাকত বিক্ৰী সম্পৰ্কত তেওঁলোকৰ অজ্ঞতা প্ৰকাশ কৰে।

হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ কেন্দ্ৰ দিছপুৰ 'ক' (গোপাল বড়ো চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়) আৰু গুৱাহাটী 'ক' (নিউ গুৱাহাটী আদৰ্শ হাইস্কুললৈও বিষয়টো সন্দৰ্ভত গম গতি লয়। কিন্তু ক'তো এই বিষয়ত কিবা

ঘটা বুলি তিল মাত্ৰও আভাষ পোৱা নগ'ল।

যদি পৰিষদৰ অজ্ঞাতে, বাহিৰত ভুৱা প্ৰশ্ন কাকতৰ ব্যৱসায় চলিছে তেন্তে সেয়া অসাধু চক্ৰৰ 'কাৰচাজী বুলি আমি নিশ্চিত'। বিষয়টো তদন্ত কৰিবৰ কাৰণে 'সেবা'ক দায়িত্ব দিয়া হৈছে।

মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীক অনুৰোধ কৰিব বিছাৰিছো যে অসমৰ ৰাইজে জানে আমাৰ চৰকাৰৰ অতি কমেও ৫২ টা প্ৰধান বিভাগ আছে। তেনেস্থলত শিক্ষা বিভাগটোকে ৰাজ্য চৰকাৰৰ একমাত্ৰ বিভাগ বুলি ধৰি লৈছে। এতিয়া এই বিভাগটোৰ ওপৰত যথেষ্ট আলোচনা হৈ গ'ল তাৰ পাচতো এনেধৰণৰ প্ৰশ্ন আহি আছে আৰু হেচা আহি আছে। এনে ধৰণে হেচা পৰি থাকিলে দুৰ্নীতি কমি যাব। এনেধৰণে হেচা দিলে কাম কৰিব পাৰিব বুলি অনুৰোধ কৰিলো।

## Announcement from the Chair

**Mr. Speaker :** I am happy to inform the August House that the Foundation Annivesary of the Assam Legislative Assembly will be celebrated on 7th April, 1999 in a befitting manner. This has been decided in the meeting of the General Purposes Committee, Business Advisory Committee, Leaders of various Legislature Parties/ Group etc.

Since there is no place in the Assembly House, the venue of holding the celebration programme has been fixed in the permanent stage in the Dispur Bihutali.

The Foundation Anniversary celebration on 7th April, 1999 will be observed with a day long programme and a cultural function will be held from 6 P.M. to 8-30 P.M. same day in the same venue.

The major events of the celebration will be to felicitate Lokopriya Gopinath Bordoloi, Ex-Premier of Assam, a receipent of higher Civil Award, 'Bharat Ratna' posthumouly. Similarly, 'Dada Saheb Phalke Award'

winner and President of the Sangeet Natak Academy, Dr. Bhupen Hazarika who we call popularly as 'Bhupenda', an Ex-MLA of this House will also be felicitated. Smti. Puspalata Das, receipient of Padmabhusan, an Ex-MLA, Shri Gouri Shankar Bhattacharyya, an eminent Parliamentarian, an Ex-MLA will also be feliciatated. Kalaguru Bishnu Prasad Rabha, an Ex-MLA will also be felicitated posthumously.

His Excellency, the Governor of Assam will also grace the occasion besides the Hon'ble Chief Minister. In order to make the Foundation Anniversary Celebration function a unique one, I request all the Hon'ble Ministers, Ministers of State, Hon'ble Members, Gentlemen of the Press and Electronics Media, Government Officials, Officials Reporters to join the solemn occasion.

Individual invitation has already been despatched for the purpose.

**Reports of the Business Advisory Committee**

Under Rule 230 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly, I called a meeting of the Business Advisory Committee to decide the priority on demands for Grants for discussion in the House.

The Committee considered the matter. After a good deal of discussion, the Committee finds that the days allotted for Voting on Demands for Grants appears to be not adequate.

The Committee has decided to fix 10th May, 1999 for transacting the business on Voting on Demands for Grants and introduction and passing of the Assam Appropriation Bill 1999.

Accordingly on 7th May, 1999, there would be

question and Voting on Demands for Grants.

It now appears that the House would get 5 days i.e., 4th, 5th, 6th, 7th and 10th May, 1999 for discussion on Voting on Demands for Grants.

The Committee has also decided to fix 11th May, 1999 for transaction of Government Business, the day was orginally scheduled for transaction of Private Members Business. The business orginally scheduled for 10th May will now be taken up on 11th May, 1999.

Therefore, the Committee also decided the priority for discussion on Demands for Grants as follows :

1) Gants No. 38 : Welfare of Schedule Caste, Schedule Tribes and Other Backward Classes.

2) Grant No. 57 : Rural Development.

3) Grant No. 30 : Water Supply & Sanitation.

4) Grant No. 64 : Roads & Bridges.

5) Grant No. 37 : Food Storage, Ware Housing & Civil Supplies.

6) Grant No. 14 : Police.

7) Grant No. 39 : Social Security, Welfare & Nutrition.

8) Grant No 48 : Agriculture.

9) Grant No. 29 : Medical & Public Health.

The Committee also decided that on all these days allotted for discussion on demands for grants minimum, two Grants would be taken up for discussion and disposed of.

It has also been decided that one Member from each Group will take part in the discussion for Demands for Grants.

The tentative time for each Legislature Parties/ Groups has been fixed as follows :

## Call Attention Notice

APG : 25 Minutes (Excluding the reply of the ministers).

| | | |
|---|---|---|
| Congress(I) | : | 20 Minutes. |
| BJP | : | 7 Minutes. |
| ASDC | : | 8 Minutes. |
| PDF | : | 10 Minutes. |
| CPI | : | 2 Minutes. |
| CPI(M) | : | 2 Minutes. |
| UMF | : | 2 Minutes. |
| Two Independents | : | 2 Minutes. |

(Hon'ble Member Smti Pramila Rani Brahma's Group).

However, this time will be adjusted if need be.

I hope this has the approval of the House.

(Voces : 'Yes', 'Yes'.)

## Call Attention Notice

Now, item No. 2 Hon'ble Member, Shri Hamen Das to call attention.

* **শ্ৰী হেমেন দাস ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৫৪ নং নিয়মৰ অধীনত ১৯৯৯ চনৰ ১৮ ফেব্ৰুৱাৰী তাৰিখৰ "অসমীয়া প্ৰতিদিন" কাকতত প্ৰকাশিত 'কোষাগাৰত ভুৱা বিল দি সৰকালে শিক্ষকৰ দৰমহাৰ ধন" শীৰ্ষক বাতৰিটোৰ প্ৰতি শিক্ষা মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিলো। অধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যত বিভিন্ন ধৰণৰ অপৰাধ সংঘটিত হোৱাৰ কথা আমি গম পাইছো কিন্তু এইবাৰ দেখিছো এটা নতুন কৌশল লৈছে। বাতৰি কাকতৰ পৰাই সাধাৰণতে খবৰ বিলাক পোৱা যায় কিন্তু মোৰ নিজা চোৰ্চৰ পৰা পোৱা খবৰ, আমাৰ সেইসময়ৰ যি সকল শিক্ষকে দৰ্মহাৰ পৰা বঞ্চিত হৈছিল তেওঁলোকৰ পৰা পোৱা খবৰ। এজন শিক্ষা কেন্দ্ৰৰ সম্পাদকে ট্ৰেজাৰীৰ পৰা পাচ কৰি বেংকৰ পৰা শিক্ষকৰ দৰ্মহাৰ টকা লৈ গ'ল। তাৰ পিছত প্ৰকৃত সম্পাদক জন আহিছিল আৰু তেওঁ যেতিয়া ট্ৰেজাৰীত বিলখন দিছিল তেতিয়াহে বিষয়টো ধৰাত পৰিছিল। কিন্তু ইতিমধ্যে টকাই উঠাই

---

* Speech not corrected

লৈ গ'ল। কিন্তু আঁচৰিত কথা যে এই বিলখনতো খণ্ড প্ৰাথমিক শিক্ষা বিষয়াই কৰিছিল। দুয়োখন বিলতেই একেজন বিষয়াই চহী দিছে। কিন্তু প্ৰশ্ন হৈছে দুয়োখন বিলতেই যে একেখন খণ্ড প্ৰাথমিক শিক্ষা বিষয়াৰ চহী আছে সেই চহী দুটা একে হয় নে নহয় এতিয়াও ভালদৰে পৰীক্ষা কৰা হোৱা নাই। প্ৰথম বিলখন যিজন মানুহে নিজে সেই নামৰ মানুহ বোলে সেই কেন্দ্ৰতেই নাই। তাৰোপৰি সেই খণ্ড প্ৰাথমিক শিক্ষা বিষয়া গৰাকীয়ে সেই কেন্দ্ৰৰ শিক্ষকৰ ঘৰত গৈছিল আৰু কৈছিল যে এইটো বিষয়ত আৰু বেচি লাগি থাকিব নেলাগে। গোটেই দুৰ্নীতিৰ উৎস সেই খণ্ড প্ৰাথমিক শিক্ষা বিষয়াজন বুলি সেই অঞ্চলৰ মানুহে আৰু শিক্ষক সকলে সন্দেহ কৰিছে। সেই কেন্দ্ৰৰ শিক্ষক সকলে এতিয়াও দৰ্মহা পোৱা নাই। বিষয়টোৰ তদন্ত চলি আছে। এতিয়া মাননীয় মন্ত্ৰী মহোদয়ে জনাব লাগে যে আঁচলতে সেই দুয়োখন বিলৰে চহী দুটা খণ্ড প্ৰাথমিক শিক্ষা বিষয়া জনৰ নে নহয়? যদি হয় তেওঁৰ বিৰুদ্ধে শাস্তি মূলক ব্যৱস্থা লব লাগে আৰু তেওঁৰ সমুদায় ধন উদ্ধাৰ কৰি আনি যি সকল শিক্ষকে দৰ্মহা পোৱাৰ পৰা বঞ্চিত হৈ আছে সেই সকল শিক্ষকক দিয়াৰ ব্যৱস্থা কৰিব লাগে। মই আশা ৰাখিছো শিক্ষক সকলৰ স্বাৰ্থতেই শিক্ষা বিভাগে এই বিষয়টোৰ ওপৰত এটা সঠিক পদক্ষেপ লব। ইয়াৰ কাৰণে তেওঁ দায়ী আৰু তেওঁ দুয়োখন বিলতেই চহী দিছে। চহী দুটা তেওঁৰ হয় নে নহয় সেইটো পৰীক্ষা কৰি চাব লাগে। এইটো বাঘবৰৰ অঞ্চলৰ ভিতৰুৱা এটা কেচ। এই গোটেই বিষয়টো মোক সেই অঞ্চলৰ কেইজনমান ছাত্ৰ আৰু শিক্ষকে জনাইছিল।

(Hon'ble Chairman Pulakesh Barua occupied the Chair)

**শ্ৰী থানেশ্বৰ বড়ো (মন্ত্ৰী) ঃ** মাননীয় বিধায়ক শ্ৰী হেমেন দাস ডাঙৰীয়াই উত্থাপন কৰা বিষয়টো চৰকাৰৰ দৃষ্টিগোচৰ হৈছে। এই সম্পৰ্কত মন্দিয়া খণ্ড প্ৰাথমিক শিক্ষা বিষয়া, বৰপেটা বিদ্যালয় সমূহৰ উপ-পৰিদৰ্শক আৰু জিলাৰ উপায়ুক্তৰ পৰা প্ৰতিবেদন লৈ জনা গ'ল যে মন্দিয়া খণ্ড এলেকাৰ অন্তৰ্গত পাহাৰপুৰ প্ৰাথমিক শিক্ষক কেন্দ্ৰৰ নামত ১৯৯৯ চনৰ জানুৱাৰী মাহৰ বাবে ১৬ জন শিক্ষকৰ দৰমহাৰ বাবদ, ৯১,৬৬৮ টকা ৯/২/৯৯ ইং তাৰিখৰ ৪৩ নম্বৰৰ এখন 'ভুৱা বিল' বৰপেটা কোষাগাৰত জমা দি ১১/২/৯৯ ইং তাৰিখে জনৈক আমজাদ হুছেইন নামৰ এজন লোকে উঠাই নিয়ে।

১১/২/৯৯ ইং তাৰিখে পাহাৰপুৰ কেন্দ্ৰৰ ২০ জন শিক্ষকৰ দৰমহাৰ

বাবদ ১,১০,৭১০ টকাৰ ২০/২/৯৯ ইং তাৰিখৰ ৪৪১ নম্বৰৰ প্ৰকৃত বিলখন কেন্দ্ৰ সম্পাদক আব্দুল আলী আহমেদে কোষাগাৰত জমা দিয়াৰ পিচত বিষয়টো পোহৰলৈ আহে আৰু কেন্দ্ৰ সম্পাদক জনে উক্ত বিলখন কোষাগাৰ প্ৰাধিকাৰীয়ে মোকলাই নিদিয়াত বৰপেটা আৰক্ষী নিৰ্দেশত ১৫/২/৯৯ ইং তাৰিখে এজাহাৰ দাখিল কৰে।

পাহাৰপুৰ কেন্দ্ৰৰ সম্পাদক আব্দুল আলী আহমেদে দাখিল কৰা এজাহাৰ মৰ্মে আৰক্ষীয়ে ভাৰতীয় দণ্ডবিধিৰ ৪৬৮/৪০৯/৪২০ ধাৰা মতে ৯৬/৯৯ নম্বৰত এটি গোচৰ পঞ্জীয়ণ কৰি তদন্ত আৰম্ভ কৰে। তদন্ত সংক্ৰান্তত তদন্তকাৰী বিষয়া শ্ৰী প্ৰভাত চন্দ্ৰ চৌধুৰীয়ে কোষাগাৰৰ পৰা এই সম্পৰ্কীয় যাবতীয় নথি-পত্ৰ জব্দ কৰে আৰু কোষাগাৰৰ ৩জন কৰ্মচাৰী ক্ৰমে শ্ৰী ৰবীন্দ্ৰ নাথ পাঠক, কনিষ্ঠ গাননিক শ্ৰী কেশৱ চন্দ্ৰ নাথ, গাননিক, আৰু নুৰুল ইচলাম কনিষ্ঠ গাননিকৰ তদন্তকাৰী বিষয়াৰ সন্মখত ১৮/২/৯৯ ইং তাৰিখে হাজিৰ হবলৈ জাননী জাৰি কৰে। কিন্তু তেওঁলোকে ২৩/২/৯৯ ইং তাৰিখেহে আদালতৰ আগতীয়া জামিন সহ তদন্তকাৰী বিষয়াৰ সন্মুখত হাজিৰ হয়। কাৰ্য্যালয়ৰ নথিমতে শ্ৰী ৰবীন্দ্ৰ নাথ পাঠক ১৭/২/৯৯ ইং তাৰিখৰ পৰা ১৯/২/৯৯ ইং তাৰিখলৈ আৰু বাকী দুজন কৰ্মচাৰী ১৯/২/৯৯ তাৰিখৰ পৰা ২৩/২/৯৯ ইং তাৰিখলৈ সাময়িক ছুটি (casual leave)ত আছিল।

আৰক্ষীৰ প্ৰাথমিক প্ৰতিবেদন মতে দেখা যায় যে, ভুৱা বিলৰ জৰিয়তে টকা মোকোলোৱাৰ ক্ষেত্ৰত দুজন ব্যক্তি বিশেষ ভাবে জড়িত আৰু দুয়োজন ব্যক্তিয়েই বৰ্তমান পলাতক অৱস্থাত আছে।

উপায়ুক্তই নিজে বিষয়টোত গুৰুত্ব দি তদন্তৰ কাম তৰান্বিত কৰিবলৈ আৰু আচামীক সোনকালে কৰায়ত্ব কৰিবলৈ আৰক্ষীক নিৰ্দেশ দিছে।

*** শ্ৰী হেমেন দাস** ঃ মাননীয় সভাপতি মহোদয়া, পলাই থকা দুজন কোন? খণ্ড প্ৰাথমিক শিক্ষা বিষয়া জনে দুয়োখন বিলতে চহী কৰিছিল নে নাই সেইটো কথাও জনাব লাগে। সেই বিষয়াজন সেই কেন্দ্ৰৰ শিক্ষকৰ ওচৰলৈ গৈ এই ক্ষেত্ৰত বেচি লাগি থাকিব নেলাগে বুলি কৈছিল।

**শ্ৰী থানেশ্বৰ বড়ো (মন্ত্ৰী)** ঃ তদন্ত চলি আছে। নিশ্চয় সকলো কথা ধৰা পৰিব।

---

* Speech not corrected

**শ্ৰী হেমেন দাস ঃ** কোন দুজন বিষয়া পলাই আছে জানিব বিচাৰো।

**শ্ৰী থানেশ্বৰ বড়ো (মন্ত্ৰী) ঃ** বিষয়া দুজনৰ নাম ইয়াত উল্লেখ কৰা নাই। সেইটো পিচত জনাব পাৰিম।

**শ্ৰী হেমেন দাস ঃ** যিজন পুলিচ বিষয়া আছিল তেওঁ ইন্টেৰিম বেইল লবলৈ সুযোগ সৃষ্টি কৰি দিছিল। বৰপেটা পুলিচ থানাৰ পৰা ট্ৰেজাৰী অফিচৰ দূৰত্ব মাত্ৰ এক ফালং নহয়। গোটেই বিষয়টো ট্ৰেজাৰীক কেন্দ্ৰ কৰি এটা দুষ্ট চক্ৰ গঢ়ি উঠিছে। সেই কাৰণেই সেই বিষয়টো অধিক গুৰুত্ব সহকাৰে লব লাগে।

**শ্ৰী থানেশ্বৰ বড়ো (মন্ত্ৰী) ঃ** মই এই সদনত প্ৰতিশ্ৰুতি দিছো, এই ক্ষেত্ৰত বিহিত ব্যৱস্থা ল'ম আৰু এই সদনতেই পলাই থকা দুজনৰ নাম জনাম।

## Matter under Rule 301

**Mr. Chairman (Shri Pulakesh Barua) :** Now item No.3, Hon'ble Members Shri Bharat Chandra Narah and Shri Rameswar Dhanowar to draw the attention of the Minister, Forest by raising the matter under Rule 301 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly to the news item appearing in the 'Dainik Asom' dated 28th March, 1999 relating to "ডিব্ৰু-ছৈখোৱা বনাঞ্চলত অসহায়বোধ কৰিছে মিছিং ৰাইজ, ৰাষ্ট্ৰীয় উদ্যান হলেই সুৰক্ষিত হবনে"?

*** শ্ৰী ৰামেশ্বৰ ধানোৱাৰ ঃ** অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৩০১ নং নিয়মৰ অধীনত ১৯৯৯ চনৰ ২৮ মাৰ্চ তাৰিখৰ 'দৈনিক অসম' কাকতত প্ৰকাশিত "ডিব্ৰু-ছৈখোৱা বনাঞ্চলত" অসহায়ৰোধ কৰিছে মিছিং ৰাইজ, ৰাষ্ট্ৰীয় উদ্যান হলেই সুৰক্ষিত হব নে? এই বিষয়টোৰ উত্থাপনৰ জৰিয়তে বন মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিলো। অধ্যক্ষ মহোদয়, লাইকা গাওঁখনত ১৯৫০ চনৰ প্ৰায় ৯০০ পৰিয়ালত জনসংখ্যা হিচাব প্ৰায় ৫ হাজাৰ লোক সেই বনাঞ্চলত গাওঁ পাতি বসবাস কৰি আছে। ডিব্ৰু-ছৈখোৱা বনাঞ্চলটো ৰাষ্ট্ৰীয় উদ্যান হিচাবে ঘোষনা কৰিছে। এইটো ঘোষনা কৰাৰ সময়ত এই মানুহখিনিৰ বিষয়ে চৰকাৰে একো প্ৰকাশ কৰা নাই। প্ৰতি বছৰে ব্ৰহ্মপুত্ৰৰ বান এই লোক

---
* Speech not corrected

## Matter under Rule 301

সকল জুৰুলা হৈ থাকে। গতিকে এই মানুহখিনিয়ে তাৰ পৰা অন্যফালে গৈ বসবাস কৰিবলৈ চেষ্টা কৰি আছে। অলপতে মাননীয় অধ্যক্ষ মহোদয় আপুনি নিজে গৈ চাই আহিছে। এই মানুহখিনিক ৰাষ্ট্ৰীয় উদ্যানৰ ভিতৰত থাকিবলৈ অনুজ্ঞাপত্ৰ দিব লাগিব। সেই লোক সকলক খেতি বাতি কৰিবলৈও চৰকাৰে সুবিধা দিব লাগিব। বৰ্ত্তমানে তেওঁলোকে মাছ মাৰি বজাৰত বিক্ৰি কৰি তেনে ধৰণৰ কাম কৰি চলি আছে। প্ৰতি বছৰে বানপানীৰ কবলত পৰে। তেওঁলোকৰ কোনো সুৰক্ষাৰ ব্যৱস্থা নাই। এতিয়া ৰাষ্ট্ৰীয় উদ্যান ঘোষণা কৰাৰ পাচত মই মিচিং সম্প্ৰদায়ৰ মানুহখিনিক কেনেকৈ সুৰক্ষিত কৰিব তাৰ বাবে মই চৰকাৰৰ দৃষ্টিগোচৰ কৰিলো।

**Mr. Chairman :** Now Hon'ble Minister for Forest to reply.

*** শ্ৰী আমিনুল ইচলাম (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য ধানোৱাৰ ডাঙৰীয়াই অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মালবীৰ ৩০১ নং নিয়মৰ অধীনত ১৯৯৯ চনৰ ২৮ মাৰ্চ তাৰিখৰ 'দৈনিক অসম' কাকতত প্ৰকাশিত "ডিব্ৰু-ছৈখোৱা বনাঞ্চলত অসহায় বোধ কৰিছে মিছিং ৰাইজ, ৰাষ্ট্ৰীয় উদ্যান হলে সুৰক্ষিত হবনে?" এই বিষয়টো উত্থাপন কৰিছে। এই বাতৰিটো চৰকাৰৰ দৃষ্টিগোচৰ হৈছে। চৰকাৰৰ দৃষ্টি ভঙ্গি অনুসৰি ডিব্ৰু ছৈখোৱা অভয়া অৰন্যৰ ভিতৰত লাইকা আৰু দৰিয়া নামৰ দুখন বন গাওঁ আছে লাইকা বনাগওঁ ১৯৫১/৫২ চনত আৰু দৰিয়া ১৯৫৬/৫৭ চনত সংস্থাপিত হৈছিল, তেতিয়াৰ সংৰক্ষিত বনাঞ্চলৰ ভিতৰত। লাইকাৰ মাটি কালি ২৩৮ হেক্টৰ আৰু দৰিয়াৰ ১৩৫ হেক্টৰ। ১৯৯৫ চনত চৰকাৰে ৩৪০ বৰ্গ কিলোমিটাৰ লৈ ডিব্ৰু-ছৈখোৱাত অভয়া অৰন্য হিচাপে ঘোষনা কৰে (প্ৰাৰম্ভিক অধিসূচনা ১৯৮৬ চন জাৰি কৰা হৈছিল।) কাৰণ তাত ভালে সংখ্যক, আপুৰুগীয়া বন্য প্ৰানী পোৱা যায় যেনে বাঘ, হাতী, বনৰীয়া মহ, হলৌ বান্দৰ, বন ঘৰচীয়া ঘোৰা, দেও হাহ, ভেৰা আদি।

অভয়া অৰন্য অধিসূচনা জাৰি কৰা সময়ত (১৯৯৫) ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলা দুখনৰ উপায়ুক্ত দ্বয়ে তাত বসবাস কৰা লোক সকলৰ অধিকাৰৰ ওপৰত অনুসন্ধান চলাই আৰু বনগাওঁ দুখনক স্থানান্তৰ কৰি কোনো সুবিধাজনক এলেকাত পুনৰ সংস্থাপন নকৰালৈকে অভয়াৰন্যৰ ভিতৰত থাকিবলৈ

* Speech not corrected

অনুমতি প্ৰদান কৰা হয়। সেয়েহে তেওঁলোকক পুনৰ সংস্থাপন নকৰা লৈকে ৰাষ্ট্ৰীয় উদ্যানৰ ভিতৰত থাকিব দিয়া হব।

সংৰক্ষণ অধিক কটকটীয়া কৰিবলৈ এই অভয়াৰন্যখনক ৫/৩/৯৯ তাৰিখে চৰকাৰী অধিসূচনা অনুযায়ী ৰাষ্ট্ৰীয় উদ্যানলৈ উন্নীত কৰা হৈছে। ইয়াৰ ফলত অধিক পৰিমানৰ পুজি আৱন্টনৰ সম্ভাবনা আছে। যিটোৱে বানপানী গড়া খহনীয়া আৰু আনকী এই বানগাওঁ দুখনক স্থানান্তৰ কৰাত সহায় কৰিব।

ব্যাঘ্ৰ প্ৰকল্পৰ অধিনত অনাৰ বিষয়টো পৰীক্ষা কৰি থকা হৈছে উক্ত গাওঁ দুখনত বসবাস কৰা ৰাইজ সকলক সদ্যহতে স্থানান্তৰ কৰাৰ কোনো প্ৰস্তাৱ চৰকাৰৰ নাই। কিন্তু তেওঁলোকক স্থায়ী ভাবে বসবাস কৰাৰ বাবে মাটি আৱন্টন দিয়া সম্বন্ধে বন বিভাগ আৰু ৰাজহ বিভাগে আলোচনা ক্ৰমে যথোপযুক্ত ব্যৱস্থা গ্ৰহণৰ প্ৰক্ৰিয়া গ্ৰহণ কৰাৰ চিন্তা চৰ্চা চলি আছে।

## Discussion on the Pending Resolution

**Mr. Chairman :** Now item No.4, Pending Resolution.

The Pending Resolution standing in the name of Shri Jagadish Bhuyan, Shri Hitendra Nath Goswami, Shri Prabin Hazarika, Shri Keshoram Bora, Smti. Renupama Rajkhowa and Shri Atul Kumar Sarma is under discussion.

The Resolution is that - "ভাৰতবৰ্ষৰ বৰ্তমান সংবিধানে ভাৰতবৰ্ষৰ ক্ষুদ্ৰ ক্ষুদ্ৰ জাতি সত্বা সমূহৰ আশা-আকাংশা পূৰণত ব্যৰ্থ হোৱা বুলি বিভিন্ন মহলত অভিযোগ উত্থাপিত হোৱা দেখা গৈছে। বৰ্তমান ভাৰতবৰ্ষৰ বিচ্ছিন্নতাবাদৰ প্ৰবণতাক ৰাজনৈতিক ভাবে বাধা দিবৰ বাবে ভাৰতবৰ্ষৰ বৰ্তমান কেন্দ্ৰীভূত শাসনৰ ব্যৱস্থাৰ সলনি যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাৰ দাবী উত্থাপন কৰি কেন্দ্ৰীয় চৰকাৰক উপযুক্ত ব্যৱস্থা লোৱাৰ বাবে অসম বিধান সভাই সৰ্ব্বসন্মতি ক্ৰমে প্ৰস্তাব আগবঢ়ায়"।

* **শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, এটা পইন্ট অৱ অৰডাৰ। অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা আৰু নিয়মাৱলীৰ ৩০০ (ক) বিশেষ প্ৰস্তাব বিধান সভাত আলোচনা কৰাৰ বাবে গ্ৰহণ কৰা

* Speech not corrected

হৈছিল। সেই বিশেষ প্ৰস্তাৱটো হৈছে অসম লোক সেবা আয়োগৰ পূৰ্ণ কথা। ৰাইজৰ স্বাৰ্থৰ বাবেই কেতবোৰ চিন্তা কৰি এই প্ৰস্তাব আনিছিলো।

**Mr. Chairman :** It is under the consideration of the Hon'ble Speaker. I think, it is not in the agenda, so I cannot allow you. এই প্ৰস্তাৱটো যিহেতু বিধান সভাত অনা নাই সেয়ে আপুনি বিধান সভাৰ আইন মতে আপুনি আনিব নোৱাৰে।

* **শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ** সভাপতি মহোদয়, আমি এটা প্ৰস্তাৱ ইয়াত আলোচনাৰ বাবে দিছিলো। প্ৰস্তাৱটো আলোচনাৰ বাবে নাহিল। এইটো এটা গুৰুত্বপূৰ্ণ বিষয়। যি সময়ত লোক সেৱা আয়োগৰ অধ্যক্ষই মুখ্যমন্ত্ৰী পেড ছপা কৰি পেড বনাইছিল - সেই অধ্যক্ষ জনেই এতিয়াও বাহাল আছে। বিষয়টো ইয়াত আলোচনা হব লাগে। বিহাৰ বিধান সভাত বিহাৰ লোক সেৱা আয়োগৰ অধ্যক্ষৰ বিৰূদ্ধে আলোচনা হৈছিল। ৰাজ্যপালে পিছত বৰ্খাস্ত কৰিছিল। মণিপুৰ বিধান সভাতো আলোচনা হৈছিল। বিশেষ কমিটি গঠন কৰা হৈছিল। অসম বিধান সভাত কিয় আলোচনা কৰিব নোৱাৰি।

**Mr. Chairman :** I am to abide by the Rules of Procedure and Conduct of Business of the House. As it is not in the agenda, how can it be discussed?

* **শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ** সভাপতি মহোদয়, কেৱল সেয়াই নহয় প্ৰাৰ্থী নিৰ্বাচন আৰু নিযুক্তিৰ ক্ষেত্ৰতো আয়োগে দুৰ্নীতিৰ প্ৰশ্ৰয় দিয়া বুলি বাতৰি ওলাইছে। আজি প্ৰশাসন নাইকীয়া হৈ গৈছে। এইটো সঁচাকৈ গুৰুত্বপূৰ্ণ বিষয়। অসম চৰকাৰক লোক সেৱা আয়োগে প্ৰতি ষ্টেট্ৰাছ ৰিপোৰ্ট দাখিল কৰিব লাগে। সেই ৰিপোৰ্ট এতিয়ালৈকে দাখিল কৰা নাই। তেনেস্থলত সদনৰ মজিয়াত এই বিষয়টো কিয় আলোচনা কৰা নহব। কাৰিকৰী ভাবে কিবা গণ্ডগোল আছে নেকি? বিষয়টো কি কাৰণে লোৱা নহল হাউছক জনাব লাগে। এই প্ৰস্তাৱ বাতিল কৰাৰ কাৰণ জনাৰ প্ৰতিজন বিধায়কৰ অধিকাৰ আছে।

* **Shri Silvius Condpan** : Mr. Chairman Sir, we are going by the agenda. You are rightly speaking. We will go by agenda. Nothing should come to discussion except agenda items. (Noises)

---

* Speech not corrected

**Discussion on the Pending Resolution**

* **শ্ৰী বৃন্দাবন গোস্বামী ঃ** আজি বিষয়টো এজেণ্ডাত নাই। কিন্তু এটা গুৰুত্বপূৰ্ণ বিষয়। এখন ৰাজ্যৰ প্ৰশাসনৰ লগত জড়িত বিষয়। যিবিলাক ঘটনা ঘটিছে তাক যদি ইয়াত আলোচনা কৰিব পৰা নাযায় কোন যুক্তিত নোৱাৰি সেইটো বুজাই দিয়াতো ভাল হ'ব। আজি প্ৰশাসনক চুৰমাৰ কৰি দিয়াৰ ষড়যন্ত্ৰ কৰা হৈছে। গতিকে বিষয়টো আলোচনা হ'ব লাগিব। সদস্যসকলে যিটো প্ৰস্তাৱ উত্থাপন কৰিছে ইয়াত আলোচনাৰ কাৰণে আনিব লাগে। কাৰিকৰী ভাবে যদি কিবা অসুবিধা আছে আমি আলোচনা নকৰোঁ। কিন্তু অন্য প্ৰকাৰে কি ধৰণে আলোচনা কৰিব পাৰি তাক চিন্তা কৰিব পাৰো।

**Mr. Chairman :** এই বিষয়টো মই অধ্যক্ষৰ দৃষ্টিগোচৰ কৰিম। I think you can discuss the matter with the Hon'ble Speaker. I will also inform the Hon'ble Speaker about this so that it can be put in the agenda. I strict to the standing resolution. Now Hon'ble member Shri Mustafa Sahidul Islam to speak.

* **মোস্তাফা চহিদুল ইচলাম ঃ** সভাপতি মহোদয়, ভাৰতবৰ্ষৰ সংবিধানত জাতি সত্বাৰ আশা আকাংখা ব্যৰ্থ হোৱা বুলি যিটো ৰিজলুচন আনিছে তাৰ বিৰোধিতা কৰি বক্তব্য ৰাখিব বিচাৰিছো। ভাৰতবৰ্ষ এখন ধৰ্ম নিৰপেক্ষ ৰাষ্ট্ৰ। ভাৰতবৰ্ষৰ এতিয়া সোণালী জয়ন্তী হৈছে। ভাৰতবৰ্ষৰ বৰ্তমানৰ যিখিনি ৰাষ্ট্ৰ ব্যৱস্থাই প্ৰত্যেক জন গোষ্ঠীৰে সমানে অধিকাৰ আছে। অনৈক্যৰ মাজতো ঐক্য আছে। এই ক্ষেত্ৰত আমি অসমৰ কথাকে কব পাৰো। অসমখন আগতে এক আছিল। এতিয়া ভাগ হৈ সাতখন বেলেগ ৰাজ্য হ'ল। বিভিন্ন জন গোষ্ঠীয়ে আজি দাবী উত্থাপন কৰিছে। ধৰ্ম নিৰপেক্ষ ভাৰতবৰ্ষৰ সংবিধানে যিটো অধিকাৰ দিছে সেই অধিকাৰ সমগ্ৰ পৃথিবীৰ ভিতৰতে শ্ৰেষ্ঠ গণতান্ত্ৰিক অধিকাৰ মানুহক দিছে। ইয়াত এক নাগৰিকত্ব আছে। কিন্তু যুক্তৰাষ্ট্ৰত এক নাগৰিকত্ব নাই। গণতান্ত্ৰিক ৰাষ্ট্ৰ এখনত সাংসদসকলে চৰকাৰ এখন ভাঙিব পাৰে আৰু পাতিব পাৰে। এই ক্ষমতাটো দিছো। গতিকে এই গণতান্ত্ৰিক পদ্ধতিটো উৎকৃষ্ট পদ্ধতি। স্বাধীনতাৰ পিছৰ পৰাই আজিলৈ চলি আহিছে। বিভিন্ন জনগোষ্ঠীয়ে তেওঁলোকৰ অস্তিত্ব ৰক্ষাৰ কাৰণে যি দাবী তুলিছে এই দাবী ক্ষোভৰ ফলতে তেওঁলোকৰ মনত উদয় হৈছে। বিভিন্ন গণতান্ত্ৰিক পদ্ধতি আছে। লোকসভা আছে, বিধান সভা আছে। ইয়াৰ বাহিৰেও বিভিন্ন আলোচনাৰ জৰিয়তে এই জাতি সত্বাৰ

তেওঁলোকৰ দাবী পূৰণৰ কাৰণে ব্যৱস্থা আছে। আজি বিভিন্ন জনগোষ্ঠীয়ে স্বায়ত্ব শাসনৰ দাবী উত্থাপন কৰিছে। আলোচনাৰ জৰিয়তে কিছু ফলৱতীও হৈছে। ইয়াক মীমাংসা কৰিবলৈ এটা সুন্দৰ ৰাষ্ট্ৰ ব্যৱস্থা আছে। এই জনগোষ্ঠী সমূহৰ বিলুপ্তিৰ সম্ভাৱনা হৈছে। তেওঁলোকৰ জনসংখ্যা কম। ক্ষুদ্ৰ জনগোষ্ঠী মিলি ঐক্যবদ্ধ হৈ আমাৰ ভাৰতবৰ্ষৰ ৰাজনীতিত তেওঁলোকে ভবিষ্যত নিৰ্ণয় কৰিব পাৰিব। তেওঁলোকৰ দাবি উত্থাপন কৰিব পৰা অধিকাৰ আছে। ক্লিন্টন প্ৰশাসনে গোটেই বিশ্বতে তোলপাৰ লগাই দিছিল। ক্লিন্টনৰ বিৰুদ্ধে ব্যৱস্থা লব পৰা নাই। ভাৰতবৰ্যত এনেকুৱা এটা নাৰী কেলেংকাৰী হলে প্ৰধান মন্ত্ৰীয়ে পদত্যাগ কৰিলেহেঁতেন। ইয়াত গণতান্ত্ৰিক পৰম্পৰা আছে। নিজৰ জাতি সত্বা ৰক্ষাৰ কাৰণে যিটোটো গণতান্ত্ৰিক পদ্ধতি বিশ্বৰ ভিতৰতে বিৰল। স্বাধীনতাৰ ৫০ বছৰত কংগ্ৰেছে শাসন কৰিছে। জনতাই কৰিছে। তাৰ পিছত যুক্ত ফ্ৰন্টে শাসন চলাইছে।

ভাৰতৰ সংবিধান সংশোধন কৰা হৈছে। এনেকুৱা এটা সুন্দৰ গণতান্ত্ৰিক ব্যৱস্থা অক্ষন্ন ৰখাৰ কাৰণে অনুৰোধ জনাই মোৰ চমু বক্তব্যৰ সামৰণি মাৰিছো।

**Mr. Chairman :** Hon'ble Member who is the mover of the resolution. আপোনালোকৰ কোনোবাই কব নেকি?

* **শ্ৰীমতী ৰেনুপমা ৰাজখোৱা :** মাননীয় সভাপতি মহোদয়, এই ৰিজলিউচনটো আমাৰ দলৰ পৰা অনা হৈছিল। ইতিমধ্যে আমাৰ ভালেকেইজন সদস্যই এই বিষয়ৰ ওপৰত বক্তব্য ৰাখিছে। যিহেতুকে এই বিষয়টো দুটা বিধান সভাৰ মজিয়াত আলোচনা কৰা হৈছে গতিকে আৰু দিঘলীয়া কৰিবলৈ বিচৰা নাই। আমি ৰিজলিউচনৰ ওপৰত চৰকাৰৰ পক্ষৰ পৰা এটা উত্তৰ বিচাৰি ৰিজলিউচনটো উঠাই লবলৈ বিচাৰিছো।

* **শ্ৰী প্ৰফুল্ল কুমাৰ মহন্ত (মুখ্য মন্ত্ৰী) :** সভাপতি মহোদয়, চাৰকাৰিয়া আয়োগে জনোৱা অনুমোদনাৱলীৰ ওপৰত ভিত্তি কৰি গঠিত আন্তঃৰাজ্যিক পৰিষদে কেন্দ্ৰ আৰু ৰাজ্যৰ সম্পৰ্ক সমন্ধীয় বিষয়টো বিবেচনা কৰি আছে। পৰিষদৰ ষ্টেন্দিং সমিতি এখন আছে। অসমৰ মুখ্য মন্ত্ৰীও এই সমিতিৰ এজন সদস্য। ষ্টেন্দিং কমিটিয়ে আগবঢ়োৱা অনুমোদনাৱলী সময়ে সময়ে অনুষ্ঠিত পৰিষদৰ বৈঠকত বিস্তৃত ভাবে পৰীক্ষা কৰা হৈছে। অসম গণ পৰিষদ দলো অংশীদাৰ ৰূপে থকা এইচ,ডি, দেৱে গৌড়া আৰু ইন্দৰ কুমাৰ গুজৰাল নেতৃত্বাধীন সংযুক্ত মৰ্চা চৰকাৰৰ দিনত পৰিষদ আৰু ষ্টেন্দিং সমিতিৰ বৈঠক নিয়মিয়াকৈ অনুষ্ঠিত হৈছিল।

---

* Speech not corrected

তেতিয়াৰ আইন মন্ত্ৰী প্ৰয়াত সুৰেন্দ্ৰ নাথ মেধিৰ নেতৃত্বত গঠিত অসম চৰকাৰৰ এখন উচ্চ ক্ষমতাসম্পন্ন সমিতিয়ে চাৰকাৰিয়া আয়োগৰ প্ৰতিবেদন পুংখানুপুংখভাবে অধ্যয়ন কৰিছিল। এই সমিতিয়ে ইয়াৰ প্ৰতিবেদন দাখিল কৰে ১৯৯৮ চনৰ চেপ্তেম্বৰ মাহত। চাৰকাৰীয়া আয়োগৰ অনুমোদনাৱলী সম্পৰ্কত এই সমিতিয়ে নিজৰ মন্তব্য কৈছিল, কেন্দ্ৰ ৰাজ্য সম্পৰ্কৰ বিষয়ে পৰ্য্যালোচনা কৰিবলৈ ললেই ইয়াক কেন্দ্ৰক দুৰ্ব্বল কৰাৰ প্ৰচেষ্টা বুলি কবলৈ বিচৰা হয়। কিন্তু প্ৰকৃততে এইটো নহয়। ইয়াৰ দ্বাৰা প্ৰকৃততে উপযুক্ত বাবে কেন্দ্ৰ ৰাজ্যৰ সম্পৰ্ক আৰু ক্ষমতাৰ পুনৰ বিন্যাসহে বিচৰা হৈছে আৰু ৰাজ্য সমূহে নিজ দায়িত্ব ফলপ্ৰসূতাৰে পালন কৰাটোৱে কেন্দ্ৰক দুৰ্ব্বল কৰা নুবুজায়। ভাৰত এখন যুক্তৰাষ্ট্ৰ। আৰু ইয়াৰ মানুহৰ শৰীৰটো সৈতে তুলনা কৰিব পাৰি। কেন্দ্ৰক যদি মানুহৰ শৰীৰৰ হৃদযন্ত্ৰৰ সৈতে তুলনা কৰা হয় তেন্তে ৰাজ্য সমূহক ইয়াৰ ভৰি বুলিব পৰা যায়। হৃদযন্ত্ৰ সুষ্ঠ সবল হলেও ভৰি দুখনত পেৰালাইচিচ হোৱা মানেই ভৰিতো বিকলাঙ্গ হোৱা। ঠিক সেইদৰে হৃদযন্ত্ৰ দুৰ্ব্বল হলেও শৰীৰ অসুস্থ। সেইবাবেই ইটো সিটোৰ পৰিপূৰক। অহেতুক পৰনিৰ্ভৰশীল নহৈ কেন্দ্ৰ ৰাজ্যই উপযুক্ত ভাবে নিজ ভূমিকা পালন কৰিব পৰা ধৰণৰ সম্পৰ্কহে প্ৰকৃততে প্ৰয়োজন।

দুৰ্ভাগ্যজনক ভাবে হোৱা ৩টা দশকত অৰ্থনৈতিক, বিধায়নি অথবা প্ৰশাসনিক সকলো ক্ষেত্ৰতে ৰাজ্যৰ ক্ষমতা ক্ৰমাৎ দুৰ্ব্বল কৰি অহা হৈছে। ইয়াৰ অধিকাংশ ক্ষেত্ৰতেই বিধায়নি উপায়ৰ পৰিবৰ্ত্তে কেন্দ্ৰই অসুস্থ পৰম্পৰা তথা আন উপায়েৰে হে আশ্ৰয় লৈছে। এইক্ষেত্ৰত অৱশ্যেই সৰ্ব্ব ক্ষমতাময় প্ৰধান মন্ত্ৰীৰ সচিবালয়ে এক বিশেষ ভূমিকা পালন কৰিছে। ফেদাৰেল গাঠনিত থাকিবলগা কেন্দ্ৰ ৰাজ্যৰ মধুৰ সম্পৰ্ক ক্ৰমান্বয়ে হ্ৰাস পাইছে আৰু কেন্দ্ৰমুখী ব্যৱস্থা এটাৰ দ্বাৰা সংবিধানৰ ভাৰসাম্য বিনষ্ট হৈছে। এই অধিক কেন্দ্ৰমুখী ব্যৱস্থা দেশখনৰ ঐক্য সংহতিৰ পৰিপন্থিয়েই নহয় বৰং ই প্ৰশাসনক জনসাধাৰণৰ পৰা বহু আঁতৰালৈ লৈ গৈছে। অধিক কেন্দ্ৰমুখী এই ব্যৱস্থাই নীতিবাচক প্ৰভাৱ পেলোৱাৰ কথা চাৰকাৰিয়া আয়োগেও উল্লেখ কৰিছে। কিন্তু দুৰ্ভাগ্যজনক ভাবে উপযুক্ত এক সংশোধনৰ পোষকতা কৰাৰ পৰিবৰ্ত্তে আয়োগে এক অধিক ক্ষমতাসম্পন্ন কেন্দ্ৰৰহে পোষকতা কৰিছে আৰু সেইটোৱেই আয়োগৰ প্ৰতিবেদনৰ অন্যতম প্ৰধান অসুবিধা, দুৰ্ব্বলতা।

দেশখনৰ বিভিন্ন প্ৰান্তত আঞ্চলিক বৈশম্যৰ বিষয়েও আয়োগে উল্লেখ

কৰিছে। এক শক্তিশালী কেন্দ্রৰ দ্বাৰা এই আঞ্চলিক বৈশম্য দূৰ কৰি অর্থনৈতিক ভাৰসাম্য ৰক্ষা কৰাতো দেশৰ সংবিধান প্রনেতা সকলৰ উদ্দেশ্য আছিল বুলি আয়োগে উল্লেখ কৰিছে। কিন্তু আয়োগে এই কথা অনুধাবন কৰাত ব্যর্থ হল যে, বিগত বছৰ সমূহত কেন্দ্রই গ্রহন কৰা নীতি আঁচনি সমূহে এই বৈশম্য আঁতৰ কৰাৰ পৰিবর্ত্তে বঢ়াইহে তুলিলে। আজি দেশখনৰ ভিতৰতে আনকি কেতবোৰ ক্ষেত্রত ৰাজ্যৰ ভিতৰতে অর্থনৈতিক ভাবে স্বচ্ছল আৰু অনগ্রসৰৰ মাজত বহু বাঢ়ি গৈছে। এতিয়াৰ ব্যৱস্থাটো যে অধিক কেন্দ্রমুখী সেই বিষয়ত কোনো দ্বিমত থাকিব নোৱাৰে। ৰাজ্যৰ ক্ষমতা কর্ত্তন কৰি নি ইয়াক ক্রমাৎ নিশকটীয়া কৰি তোলা হৈছে ৰাজ্যসমূহৰে কেন্দ্রৰ আলোচনা বা পৰামর্শও এটা গুৰুত্বপূর্ণ কথা উল্লেখ কৰিলেও ইয়াক অপৰিহার্য্য বুলি কোৱা নাই। চৰকাৰিয়া আয়োগে উত্থাপন কৰা প্রায়বোৰ গুৰুত্বপূর্ণ বিষয়েই দীর্ঘদিন ধৰি বিতর্কিত হৈ আছে। ৰাজ্য সমূহৰে উচিত আলোচনা নকৰাকৈ বা ৰাজ্যসমূহৰ সন্মতি অবিহনেই কেতিয়াবা কোনো সিদ্ধান্ত কেন্দ্রই আৰোপ কৰিব বিচাৰিলেহে আয়োগৰ অনুমোদনাৱলী বিষয়টো উত্থাপিত হয়। পাৰস্পৰিক আলোচনাৰ জৰিয়তে কেন্দ্র ৰাজ্য সম্পর্কৰ বিষয়টো সুসমাধানৰ বাবে প্রকৃততে কোনো আন্তৰিক প্রয়াসেই চলোৱা নাই। দুর্ভাগ্যজনকতাৱে এক শক্তিশালী কেন্দ্রৰ পোষকতা কৰি চাৰকাৰিয়া আয়োগেও কেতবোৰ বিষয় অস্পষ্ট কৰি ৰাখিলে। ৰাজ্য সমুহৰে আলোচনা বা পৰামর্শ কৰা বিষয়টো অপৰিহার্য্য কৰিববলৈ ইতস্তত বোধ কৰাটোৱেই ইয়াৰ প্রমান। আলোচনা বা পৰামর্শৰ ক্ষেত্রত অধিকাংশতে সিদ্ধান্ত দিব নোৱাৰে বুলি আশংকা কৰিয়েই কেন্দ্র ৰাজ্যই আলোচনা অপৰিহার্য্য বুলি গন্য কৰা হৈছে।

আন্তঃৰাজ্যিক পৰিষদ আৰু ইয়াৰ ষ্টেন্দিং সমিতিৰ বৈঠক সমূহত অসম চৰকাৰে সক্রিয় ভুমিকা পালন কৰি আহিছে। ১৯৯৬ চনৰ ১৫ অক্টোবৰত অনুস্থিত পৰিষদৰ দ্বিতীয়খন বৈঠকত মুখ্য মন্ত্রী প্রফুল্ল কুমাৰ মহন্তই এই কথা স্পষ্টকৈ উল্লেখ কৰিছিল যে ৰাজ্যসমূহক অধিক শক্তিশালী কৰা প্রয়োজন। প্রকৃততে কেন্দ্র ৰাজ্যৰ সম্পর্ক সমভাৱাপন্ন বন্ধুত্বৰহে হোৱা উচিত। এতিয়া থকাৰ দৰে কৰি ৰখাৰ পৰিবর্ত্তে কেন্দ্রই ৰাজ্যসমূহক আৰু অধিক ক্ষমতাসম্পন্ন কৰা উচিত। কেন্দ্রই নিজে প্রতিৰক্ষা বৈদেশীক পৰিক্রমা, মুদ্রা আৰু যোগাযোগ এই কেইটা বিষয়ততহে অধিক মনোনিবেশ কৰা উচিত। মূলত আমাৰ লক্ষ্য সেইটো হলেও সদ্যহতে আমি যিমান দূৰ সম্ভৱ স্বনির্ভৰশীল হব পৰাকৈ ৰাজ্যসমূহক অধিক বিত্তীয় ক্ষমতা প্রদানৰ পোষকতা কৰো। এইক্ষেত্রত

ফেদাৰেল গাঠনি থকাৰ দৰে আমি এক ৰাষ্ট্ৰীয় নীতি উৎভাৱনৰ বাবেও আগবঢ়া উচিত।

প্ৰতিৰক্ষা বৈদেশিক পৰিক্ৰমা, মুদ্ৰা আৰু যোগাযোগৰ ক্ষেত্ৰতহে কেন্দ্ৰই অধিক মনোনিবেশ কৰা উচিত বুলি কোৱাৰ উপৰিও ৰাজ্য চৰকাৰে অন্যান্য ক্ষেত্ৰত ৰাজ্যসমূহৰ ক্ষমতা আৰু অধিকাৰ আৰু অধিক বৃদ্ধিৰ কথাও দোহাৰিছে। ১৯৯৭ চনৰ ১৯ মেত অনুস্থিত আন্তঃৰাজ্যিক পৰিষদৰ ষ্টেন্দিং কমিটিৰ দ্বিতীয়খন বৈঠকত মুখ্য মন্ত্ৰীয়ে কৈছেল যে, প্ৰকৃত ফেদাৰেল গাঠনিৰ ধাৰণাটো পৰিপন্থি ৩২৬ নং অনুচ্ছেদটো সংবিধানৰ পৰা প্ৰত্যাহাৰ কৰিব লাগে।

মুঠতে বিধায়ক দিলীপ কুমাৰ শইকীয়াই উত্থাপন কৰা প্ৰস্তাৱটোৰ সন্দৰ্ভত ৰাজ্য চৰকাৰে প্ৰয়োজনীয় পদক্ষেপ ইতিমধ্যে গ্ৰহন কৰিছে। এই পৰিপ্ৰেক্ষিতত বিধায়ক শইকীয়াই প্ৰস্তাৱটো উত্থাপন কৰাৰ প্ৰয়োজন নাই।

**Mr. Chairman :** Now Hon'ble Member who is the mover of the resolution Smti. Renupama Rajkhowa. Would you like to withdraw the resolution in view of the reply of the Hon'ble Chief Minister.

* **শ্ৰীমতী ৰেনুপমা ৰাজখোৱা ঃ** সভাপতি মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যিটো উত্তৰ দাঙি ধৰিছে, সেইকাৰণে মই এই প্ৰস্তাৱটো উঠাই লৈছো।

**Mr. Chairman :** Now I come to the next resolution to be moved by Hon'ble Member Shri Dilip Kumar Saikia.

* **শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ** মাননীয় সভাপতি মহোদয়, 'আজিৰ অসম বিধায় সভাই প্ৰস্তাৱ কৰে যে, ক্ষমতা বিকেন্দ্ৰীকৰণৰ লক্ষ্য - উদ্দেশ্য আৰু কৰ্ম্ম আঁচনি মূল চালিকা শক্তি হিচাবে গ্ৰহন কৰি অহা হৈছে। আমাৰ দেশত এতিয়াও প্ৰকৃতাৰ্থত যুক্তৰাষ্ট্ৰীয় ব্যৱস্থা কাৰ্য্যকৰী হোৱা নাই আৰু প্ৰশাসনিক, ন্যায়িক, বিত্তীয় আৰু অন্যান্য সমূহ ক্ষমতা কেন্দ্ৰৰ ওচৰত পুঞ্জীভূত কৰি ৰাজ্যসমূহত বিকলাঙ্গ কৰি ৰখা হৈছে, অতি কেন্দ্ৰিক ব্যৱস্থাই দেশত বিচ্ছিন্নাতাবাদৰ জন্ম দিছে। আৰু সেয়েহে অসমৰ নিচিনা ৰাজ্যই স্বাধীনতাৰ ৫০ বছৰ পিচতো কেন্দ্ৰৰ পৰা সুবিচাৰ পোৱা নাই। ৰাষ্ট্ৰৰ অখণ্ডতা ৰক্ষাৰ স্বাৰ্থতে আজি ৰাজ্য সমুহক অধিক ক্ষমতা প্ৰদানৰ যোগেদি একো একোটা শক্তিশালী অঙ্গত পৰিণত কৰাটো আৱশ্যকীয় হৈছে। এখন শক্তিশালী ৰাজ্যইহে কেন্দ্ৰক শক্তিশালী কৰিব পাৰে,

---

* Speech not corrected

স্থিৰতা প্ৰদান কৰিব পাৰে। প্ৰতিৰক্ষা, যোগাযোগ, বৈদেশিক সম্পৰ্ক আৰু মুদ্ৰা বিষয় কেইটা কেন্দ্ৰৰ হাতত ৰাখি বাকী সমূহ বিষয় ৰাজ্যলৈ হস্তান্তৰ কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাবী কৰা হওঁক।'

* **Shri Silvius Condpan :** I have a point of order. Just now Hon'ble Member have discussed on the same resolution. The Hon'ble Chief Minister has already made his statement in connection with this subject matter. But the Hon'ble member is raising the same matter again. So, I request the Hon'ble Chairman, this resolution may not be discussed. This is my humble submission.

* **শ্ৰী দিলীপ কুমাৰ শইকীয়া :** সভাপতি মহোদয়, মোৰ কথাটো বেলেগ। মই স্বাধীনতাৰ ৫০ বছৰৰ পিচৰ কথা বিলাক আনিম। তেতিয়া কেন্দ্ৰত কংগ্ৰেছ চৰকাৰ আছিল। আজি মই প্ৰতিৰক্ষা, যোগাযোগ, বৈদেশিক সম্পৰ্ক, মুদ্ৰা আদি বিষয়ত কব খুজিছো। এইটো এটা চেপাৰেট মেটাৰ।

**Mr. Chairman :** Are you not satisfied with the statement that has been given by Hon'ble Chief Minister.

* **Shri Silvius Condpan :** Hon'ble Chief Minister has already been discussed on the matter. He has made his statement on the subject. He has already been discussed about Centre - States relation, power and every thing. Why Hon'ble Member is trying to raise this question again?

* **শ্ৰী দিলীপ কুমাৰ শইকীয়া :** মোক এই বিষয়ে কোৱাৰ কাৰণে অনুমতি দিছে। গতিকে এই ক্ষেত্ৰত মই কম।

* **Shri Silvius Condpan :** It will be bad procedure if only this resolution is allowed. This resolution can't come up again. He is only blaming the Congress.

* **শ্ৰী দিলীপ কুমাৰ শইকীয়া :** মই বিশেষকৈ কব খুজিছো যে আমাৰ এ,জি,পি, দলৰ মেনিফেষ্টোত এই কথা কোৱা হৈছিল - প্ৰতিৰক্ষা, যোগাযোগ, বৈদেশিক সম্পৰ্ক আৰু মুদ্ৰাৰ বিষয় কেইটা কেন্দ্ৰৰ হাতত ৰাখি বাকী বিলাক

---

* Speech not corrected

বিষয় ৰাজ্য চৰকাৰক দিব লাগে। আজি ভাৰতবৰ্ষতত কি কাৰণত আঞ্চলিকতাবাদ গঢ়ি উঠিছে সেই কথা বিলাক অলপ চিন্তা কৰা ভাল। আজি অন্ধ্ৰ প্ৰদেশত টেলেগু দেশম, তামিলনাডুত এ,আই,ডি,এম,কে, ডি,এম,কে, পাঞ্জাৱত আকালি দল, কাশ্মীৰত নেচনেল কনফাৰেন্স আদি আঞ্চলিক দলৰ কিয় জন্ম হৈছে? সেইদৰে অসমত এ,জি,পি, পশ্চিম বঙ্গত তৃণমূল কংগ্ৰেছৰ জন্ম হৈছে কিয়? আজি ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যত বিভিন্ন দল বিলাক গঠন হোৱাৰ মূলতে হ'ল যোৱা ৫০ বছৰে কেন্দ্ৰই ৰাজ্য বিলাকক শোষণ কৰি আহিছে। বিভিন্ন ধৰণে প্ৰৱঞ্চনা কৰিছে। আৰ্থিক, সামাজিক ভাবে ৰাজ্য বিলাকক শোষণ কৰি আহিছে।

সভাপতি মহোদয়, সেই কাৰণে ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যত আঞ্চলিকতাবাদে গা কৰি উঠিছে। ইয়াৰ কাৰণে মানুহৰ মনত কিছুমান বিক্ষোভৰ সৃষ্টি হৈছে। এই বিক্ষোভৰ ফলত সৃষ্টি হোৱা সমস্যা বিলাক সমাধান নকৰাৰ ফলতে সমস্যা বিলাক আৰু বৃদ্ধি হৈ গৈছে। আমাৰ ৰাজ্যখনত চাহপাত আছে তেল আছে, কাঠ আছে, কয়লা আদি বহুতো প্ৰাকৃতিক সম্পদে ভৰি আছে। কিন্তু অসমৰ পৰা এইবিলাক উলিয়াই নিয়া হৈছে। তাৰ বিনিময়ত অসমে পাইছে কি? অসমৰ প্ৰাপ্যখিনি আদায় কৰাৰ কাৰণে আন্দোলন কৰিব লগা হৈছে। অসমত ৰিফাইনেৰী পতাৰ কাৰণে আন্দোলন কৰিব লগা হৈছে, ভাষাৰ কাৰণে আন্দোলন কৰিব লগা হৈছে, দলং আই,আই,টি, আদিৰ কাৰণেও অসমৰ মানুহে আন্দোলন কৰিব লগা হৈছে। তাৰ বাহিৰেও অসমৰ বিদেশী সমস্যাৰ কাৰণে আন্দোলন কৰিব লগা হৈছে। এইক্ষেত্ৰত ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্যৰ কাৰণে এখন আইন আৰু অসমৰ কাৰণে আন এখন আইন। সেইকাৰণে কেইবাজনো মাননীয় সদস্যই অসমখনক কেন্দ্ৰৰ এখন চৰণীয়া পথাৰ বুলি অভিহিত কৰিছে।

সভাপতি মহোদয়, কেন্দ্ৰই আমাক কেনে ধৰণে শোষণ কৰিছে সেইক্ষেত্ৰত মই আৰু কেইযাৰ মান কথা কব খুজিছো। ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যত বানপানী হয়, আমাৰ অসমতো বানপানী হয়। এতিয়া কথা হ'ল অন্যান্য ৰাজ্যত বানপানী হলে 'নেচনেল কেলামিটি' বুলি কয় বা 'নেচনেল প্ৰব্লেম' বুলি কয়, কিন্তু অসমত বানপানী হলে 'নেচনেল প্ৰব্লেম' নহয়। তেওঁলোকৰ মনত আমি মানুহ নহয়। আমি অমানুহ। এইবাৰ উত্তৰ প্ৰদেশত বানপানী হ'ল - লগে

---

* Speech not corrected

লগে ২০০ কোটি টকা অনুদান দিলে। অন্ধ্র প্ৰদেশত বানপানী হ'ল তাতো ২৪০ কোটি টকা, পশ্চিম বঙ্গত ৭৫ কোটি টকা অনুদান দিলে। কিন্তু অসমৰ ক্ষেত্ৰত কেন্দ্ৰীয় কৃষি মন্ত্ৰী আহিল বানপানীৰ ক্ষয় ক্ষতিৰ বুজ লোৱাৰ বাবে। তাৰ পিচত আকৌ আহিল এক্সপাৰ্ট টীম। তেওঁলোক অহা যোৱাৰ কাৰণে বা ইয়াত থকা খোৱাৰ কাৰণে যিখিনি টকা খৰচ হ'ল সেই পৰিমানৰ ধনো অসমক নিদিলে। অসমৰ ২৩ খন জিলাৰ ২১ খন জিলাতে বানপানী হ'ল। মানুহৰ ঘৰ দুৱাৰ ভাঙি হাহাঁকাৰ অৱস্থাৰ সৃষ্টি হ'ল। তথাপিও কেন্দ্ৰীয় চৰকাৰৰ গা নলৰিল। এই বানপানীৰ ফলত মাটিৰ যি অৱস্থা হ'ল তাৰ ফলত অহা ১০ বছৰলৈ কোনো খেতি নহব। লক্ষীমপুৰ, ধেমাজী, ঢকুৱাখানা, নলবাৰী মহকুমাৰ কিছুমান অঞ্চলত ১০ বছৰলৈ খেতি নহব। কিছুমান ঠাইত ১০ ফুট পৰ্য্যন্ত বালি পৰিছে। কৃষি বিভাগৰ বিষয়া গৈ কিছুমান ঠাইত মাটি পৰীক্ষা কৰিছে। আজি কেন্দ্ৰই আমাক মাত্ৰ শোষণহে কৰিছে। ৫০ বছৰে শোষণ কৰিছে কেন্দ্ৰত যেতিয়া জাতীয় কংগ্ৰেছ দলৰ চৰকাৰ আছিল। মই জাতীয় কংগ্ৰেছৰ কথাহে কৈছো।

সভাপতি মহোদয়, উত্তৰ প্ৰদেশৰ নিচিনা এখন ৰাজ্যৰ ৮৫ টা এম.পি। সেই কাৰণে তেওঁলোকে কেন্দ্ৰৰ পৰা বহুতো সা-সুবিধা আদায় কৰিব পাৰে। কিন্তু আমাৰ ৰাজ্যখনৰ এম.পি, সংখ্যা হৈছে মাত্ৰ ১৪ জন। তেওঁলোকেও হেনো সংসদত মাতেই নামাতে - এনে এটা বাতৰি পৰিবেশন কৰিছে 'প্ৰতিদিন' কাকতে।

সভাপতি মহোদয়, এইটো সচাকৈ লাজৰ কথা, অসমত ইমান বিলাক সমস্যা আছে, কিন্তু তেওঁলোক শুই আছে। তেওঁলোকক ইয়াৰ পৰা পঠোৱা হৈছে। কিন্তু তেওঁলোকে তাত কথা কব নেজানে। আঁচৰিত কথা, বানপানী সমস্যাকে ধৰি অসমত বিভিন্ন সমস্যা আছে, অসমত উগ্ৰপন্থী সমস্যা আছে। এই বিলাক সমাধান কৰাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰৰ দায়িত্ব আছে। কেন্দ্ৰীয় চৰকাৰে মানি লৈছে যে যি সকল উগ্ৰপন্থীয়ে চাৰাওৱাৰ কৰিছে। এইক্ষেত্ৰত মই আমাৰ মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো। কিছুমানে চিপ্ৰাং মৰাৰ তালত থাকে। সেইটো কথা নহয়, দিল্লীলৈ যাব, দিল্লীত চৰকাৰ, গণতান্ত্ৰিক পদ্ধতিৰে ৰাইজৰ প্ৰকৃত সমস্যা সমাধান কৰাত অভাৱ হৈছে। সেইটো স্বাভাৱিক, আজি জনসংখ্যা বৃদ্ধি হৈছে নেকি? আজিয়ে বানপানী সমস্যা হৈছে, খাদ্য সমস্যা হৈছে। আজি

* Speech not corrected

বিভিন্ন সময়ত চোৰ, ডকাইত সঘনে হৈছে, কিয় সমাজে বাধ্য কৰে, চৰকাৰে বাধ্য কৰে, বিভিন্ন কাৰণত বিভিন্ন সময়ত বাধ্য হবলগীয়া হয়। ১৯৮৫ চনত আমি দেখিছো ৰাইজক বেংকে পইচা দিয়ে। ইয়াৰ বাবে কমেও আঠশটা বেংক খুলে। কিন্তু পইচা বিলাক খৰচ কৰা নাই। সেই কাৰণে আমি প্ৰস্তাৱ আনিছো বেংকৰ লগত যোগাযোগ বাদ দি আমাৰ লগত থাকিব লাগে। অসমক জংঘল বুলি ভাবে। অসমত মাৰুটি কাৰ চলে নেকি? এজনী ভদ্ৰ মহিলাক মই গল পাইছিলো, কৈছে আমি আঁচৰিত হৈছো, এই ষ্ট্ৰীম মাৰুটি চলে। আমাক সুধিছিল বোম্বেত - মিউজিক ডাইৰেক্টৰক চিনি নাপায়। মই আঁচৰিত, চিনি নাপায়। আজি উগ্ৰপন্থীয়ে বন্দুক লৈছে, তেতিয়া চিনি পাইছে। চিনি পাবলৈ কোনে বাধ্য কৰিছে। উগ্ৰপন্থী কাৰ কাৰণে সৃষ্টি হৈছে। কোনে বাধ্য কৰিছে - কেন্দ্ৰীয় চৰকাৰে বাধ্য কৰাইছে। কেন্দ্ৰীয় চৰকাৰে বন্দুকক ভয় কৰে। অসমৰ এই জটিল কথাটো চিন্তা নকৰে। এইবাৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৰচনা লিখিবলৈ আহিছিল - আমাৰ ছাত্ৰ-ছাত্ৰী সকলক তেতিয়া মই শুধিছিলো - লিখিছা, তেতিয়া কৈছিল - উগ্ৰপন্থী সমস্যাৰ বিষয়ে লিখিছো। বানপানীৰ সমস্যাৰ বিষয়ে লিখিছো। এই পৰ্য্যায়লৈ আজি অসমত বৰ্ত্তমান প'লিচিৰ সমস্যা আছে। এই সমস্যা সমাধান কৰিব নোৱাৰি। অসমত কিমান মানুহ মৰিছে, নিৰিহ মানুহক মাৰিছে, মন্ত্ৰীৰ ভায়েকক মাৰিছে। এখন হিংসা বৰ্জ্জিত সমাজ লাগে, হত্যা বন্ধ কৰিব লাগে, গুপ্ত হত্যা কৰিব নেলাগে। গুৱাহাটীৰ লখৰাম টেৰনক হত্যা কৰা হৈছে। তেওঁ হাইস্কলুত দুই নম্বৰৰ প্ৰথম বিভাগত পাচ কৰিব নোৱাৰিলে। বাপেকে খৰি বিক্ৰী কৰে। মোক এজনী শিক্ষয়িত্ৰীয়ে কৈছিল লৰাজনে বেতকুছি স্কুলত পঢ়িছিল। এই হত্যাকাণ্ড বন্ধ হব লাগে। সকলো হত্যাকাণ্ড বন্ধ হব লাগে। সামৰিক হত্যআ বন্ধ হব লাগে। মাননীয় পি,ডি,এফ,ৰ সদস্য শ্ৰী ৰামছিয়াৰী ডাঙৰীয়াই কালি কৈছিল যে হস্পিতেলৰ টিন খুলি টাক বনাইছে। আজি আমাৰ এই অৱস্থা হৈছে। সামৰি বাহিনীৰ আইন উৰ্দ্ধত নহয় যে তেওঁলোকে যি ইচ্ছা তাকে কৰিব। গনেশগুৰিত ডি,জি,পিক সামৰিক বাহিনীৰ ট্ৰাফিকে নাগুৰ-নাগতি কৰিছে। সামৰিক বাহিনীৰ জমিৰ খানে ডিব্ৰুগড়ত হত্যা কৰিছে। তেওঁলোকৰ যি ইচ্ছা তাকে কৰিব। সেই কাৰণে কৈছো যে কেন্দ্ৰই অসমৰ কথা যদি চিন্তা নকৰে বি,জে,পি, এ,জি,পি, বা ইউনাইটেড ফ্ৰন্টৰ চৰকাৰেই হওক অসমৰ জলন্ত সমস্যা সমাধানৰ কাৰণে কেন্দ্ৰই আঁচনি প্ৰস্তুত

* Speech not corrected

## Discussion on the Pending Resolution

কৰিব লাগে। এইটো তৎকালীন ভাবে কৰিব লাগে। ইলেভেন্ট ফাইনেন্স কমিশ্বন আহিছিল, বাতৰি কাকতত পঢ়িব পাইছিলো আলোচনাত বহিছিল, এঘন্টা আলোচনা কৰি চিলঙলৈ গৈছে। এঘন্টাত প্লেন হৈ গৈছে। কি আলোচনা কৰিছে? গোটেই খৰচ আমি বহন কৰিবলগীয়া হৈছে। ৰাজ্য চৰকাৰে দিব লগা হৈছে। যদি মানুহৰ চিনচিয়াৰিটি নাথাকে তেতিয়া হলে একো কাম নহব। আমি ফৰ্চ কৰিব লাগিব। আপোনালোকে আহিছে - এদিন ধৰি কথা পাতিম, দুদিন ধৰি কথা পাতিম।

* **শ্ৰী দিলীপ কুমাৰ শইকীয়া ঃ** মাননীয় সভাপতি মহোদয়, আজিকালি দিল্লীক ৫ শতাংশ টকা নিদিয়াকৈ একো কাম নহয়। ৫ শতাংশ দিয়াৰ উপৰিও পাতৰ চেট, চাহপাটৰ টোপোলা নিদিলে একো পাচ নহয়। এইটো ঘুনে ধৰা অৱস্থা হৈছে। এই কালচাৰ বন্ধ কৰিব লাগিব। এই কালচাৰ বন্ধ নকৰিলে আমি বিধান সভাত যিমান নিচিএৱো কিয় আমাৰ কোনো কাম নহব। এই সমস্যা বিলাক আমি সমাধান কৰিব লাগিব। সভাপতি মহোদয়, যোৱাবাৰ অসমৰ এজন ছাত্ৰইও দিল্লীত পঢ়িবলৈ নাপালে। যিবিলাকে ডিব্ৰুগড়, গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা পাচ কৰিছিল তেওঁলোকে কিয় এজনেও নাপালে। আমাৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰো দোষ আছে। সময় মতে পৰীক্ষা নাপাতে, সময়মতে ৰিজাল্ট নিদিয়ে। দিল্লী বিশ্ববিদ্যালয়ে পিচত পৰীক্ষা পাতিও ৰিজাল্ট দিয়ে। গুৱাহাটী বিশ্ববিদ্যালয়ত ৮০০ জন কৰ্ম্মচাৰী আছে চতুৰ্থ শ্ৰেনীৰ। কোনো উন্নয়ন নাই। সভাপতি মহোদয়, প্ৰতিৰক্ষা, যোগা-যোগ, মুদ্ৰা আৰু বৈদেশিক সম্পৰ্ক এইকেইটা বিভাগ কেন্দ্ৰৰ হাতত ৰাখি বাকী ৰাজ্য চৰকাৰৰ হাতত থাকিবলৈ কৈছে। কিন্তু কথা হ'ল এই বিভাগ বিলাক ভালদৰে পৰিচালনা কৰিব লাগিব। পৰিচালনা কৰাত যদি বেয়া পথে যায় তেতিয়াহলে ফলো বেয়ালৈ যাব। এইবাৰৰ বাজেটত বিভিন্ন বিভাগত যি ১৫১৭ কোটি টকাৰ ডেফিচিট হৈছে সেইটো বিভিন্ন বিভাগৰ মিচ মেনেজমেন্টৰ কাৰণে হৈছে। য'ত এটকা খৰচ কৰিব লাগে তাত ১০ টকা খৰচ কৰে। য'ত এখন গাড়ী লাগে তাত ১০ খন গাড়ী লয়। এখন পত্নী, এখন ল'ৰা, এখন ভাই-ভটিজা ইত্যাদিৰ কাৰণে লয়। দিল্লীৰ যিবিলাক জইন্ট চেক্ৰেটাৰী সেইবিলাক আমাৰ ইয়াত কমিচনাৰ লেভেলৰ বিষয়া। তেওঁলোকেও ৰাস্তাত বৈ থাকে চিটি বাচ বা পুল কাৰৰ কাৰণে। এখন পুল কাৰত ৫-৬ জন বিষয়া যায়। আমাৰ অসমত কিয় এনে কৰিব নোৱাৰে।

---

* Speech not corrected

